# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২৬/০৯/২০১৮ বুধবাৰ**

---

**আজি ইং ২৬-০৯-২০১৮ তাৰিখে অসম বিধান সভাৰ শৰৎ কালীন অধিবেশন পূৰ্বৰ নিৰ্ধাৰিত সময়-সূচী মতে ৰাতি পুৱা ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষঃ** Question No. 41- Shri Abdul Khaleque. Minister please.

**শ্ৰী পল্লৱ লোচন দাস, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, চাহ জনজাতি কল্যাণ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় শ্ৰী আব্দুল খালেক (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটোৰ দুটা ভাগ আছে। এটা হ'ল এখন specific স্কুলৰ আৰবী বিষয়ৰ শিক্ষকজনক চৰকাৰে বদলি কৰিব বিচাৰিছে। ব্যক্তিগত ভাৱে মোৰ ইয়াত আপত্তি নাই কিন্তু আৰবী বিভাগত ৮০২ জন ছাত্ৰ-ছাত্ৰী আছে কিন্তু তাৰ বিপৰীতে শিক্ষক আছে মাত্ৰ ২ জন। চৰকাৰে জনাইছে যে তেওঁক বদলি কৰি বেলেগ এজন শিক্ষকক দিব। সেয়েহে মোৰ চৰকাৰলৈ অনুৰোধ যে নতুনকৈ শিক্ষকজনক দিহে যাতে আগৰ শিক্ষক জনক স্কুলৰ পৰা বদলি কৰে। দ্বিতীয় কথাটো হ'ল যে, বৰপেটা জিলাত সহকাৰী শিক্ষকৰ পদ ১১৬৪ টা, বিষয় শিক্ষকৰ পদ ৭৮ টা, কনিষ্ঠ সহায়কৰ পদ ৮৭ টা আৰু চতুৰ্থ বৰ্গৰ ১৬৬ টা পদ খালী থকা বুলি চৰকাৰে জনাইছে। অধ্যক্ষ মহোদয়, এতিয়া প্ৰশ্নটো হৈছে যে, এখন জিলাত যদি ১১৬৪ টা শিক্ষকৰ পদ খালী থাকে, তেন্তে স্কুল খন বন্ধ হোৱাৰ সম্ভাৱনা থাকে। এই বিষয়ে সদনত বহুবাৰ আলোচনা কৰা হৈছে যে কিছুমান ভেঞ্চাৰ স্কুল, চৰকাৰী স্কুলত enrolment ৰ অভাৱত বন্ধ হোৱাৰ উপক্ৰম হৈছে। কিন্তু যিবোৰ চৰকাৰী বিদ্যালয় বৰ্তমান চলি আছে, সেই বিদ্যালয় সমূহত যদি অকল sanctioned post য়েই নহয়, পৰ্যাপ্ত শিক্ষকো নাথাকে, তেন্তে সেইবোৰ বন্ধ হোৱাৰ পথত। মন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে, মই specific উল্লেখ কৰা লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, যিখন বিদ্যালয়ত মই পঢ়িছিলো, সেইখন বিদ্যালয়ত ৯৬৬ জন ছাত্ৰ-ছাত্ৰী আছে আৰু এতিয়াও সেইখন বিদ্যালয়ত ১৪ টা শিক্ষকৰ পদ খালী আছে। গতিকে এই পদ সমূহ চৰকাৰে কেতিয়া পূৰণ কৰিব? মই সেই বিদ্যালয় খনৰ লগতে সমগ্ৰ জিলাৰ বিদ্যালয় সমূহৰ কথা কৈছো। অনুৰূপ ভাৱে, ছত্ৰকণৰা মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আছে ৫৬০ জন আৰু শিক্ষক আছে মাত্ৰ ১০ জন, ধানবন্ধা মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আছে ৪৬৫ জন আৰু শিক্ষক আছে মাত্ৰ ৯ জন, জীউৰাম পাঠক বালিকা মাধ্যমিক বিদ্যালয়ত ছাত্ৰী আছে ৫০০ জনী আৰু শিক্ষক আছে মাত্ৰ ১৬ জন, ঢকুৰা হাই মাদ্ৰাছাত ছাত্ৰ-ছাত্ৰী আছে ৫৭৬ জন আৰু শিক্ষক আছে ১৪ জন। চৰকাৰে অৱশ্যে কৈছে যে, বিধি সন্মত ভাৱে খালী পদ সমূহ পূৰণ কৰিব। গতিকে, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই খালী পদ সমূহ বিধি সন্মত ভাৱে চৰকাৰে কিমান দিনৰ ভিতৰত পূৰণ কৰিব? কাৰণ ইতিমধ্যে বহু সময় উকলিল আৰু শিক্ষক ছাত্ৰৰ যি অনুপাত যাক PTR বুলি কোৱা হয়, সেই PTR নিমিলে। Primary school ৰ ক্ষেত্ৰত ৩০ঃ০১, Middle Primary School ত ৩৫ঃ০১, মই এই যিবোৰ বিদ্যালয়ৰ কথা উল্লেখ কৰিছো, সেইবোৰ তাৰেই একাংশ য'ত প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ

শ্ৰেণীলৈ আছে আৰু তাত প্ৰাথমিক বিদ্যালয় অন্তৰ্ভুক্ত হৈ আছে। সেয়েহে তাত PTR maintainও হোৱা নাই। গতিকে এই খালী পদ সমূহ কেতিয়া বিধি সন্মত ভাৱে পূৰণ হ'ব? লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খালী পদটো কেতিয়ালৈ পূৰণ কৰিব সেই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পল্লৱ লোচন দাস, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, চাহ জনজাতি কল্যাণ, ই ত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আব্দুল খালেক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে সেই সম্পৰ্কে আমি সকলোৱে জ্ঞাত যে বিদ্যালয় সমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত শিক্ষক-ছাত্ৰৰ অনুপাতটো ঠিকে আছে নে নাই চোৱা হয়। সমগ্ৰ অসমক সামৰি ল'লে আমি দেখিবলৈ পাওঁ যে মাধ্যমিক/উচ্চ মাধ্যমিক পৰ্যায়ত শিক্ষক-ছাত্ৰৰ অনুপাত ১:১৯ আৰু প্ৰাথমিক পৰ্যায়ত ১ঃ২৬। গতিকে গোটেই অসমত চাবলৈ গ'লে ইয়াৰ অনুপাতটো ঠিকে আছে। কিন্তু এইখিনিতে আমাৰ অসুবিধা হৈছে যে বিদ্যালয় অনুসাৰে এই অনুপাতটো maintain হোৱা নাই আৰু এই main-tain নোহোৱাৰ কাৰণ হ'ল যে তাত কেইবাটাও সমস্যা আছে। প্ৰথম কথা, আমি যদি মাধ্যমিক, উচ্চ মাধ্যমিক পৰ্যায়ত চাওঁ, তাত বিদ্যালয় অনুসৰি নিযুক্তিৰ ব্যৱস্থা কৰা হয়। বিদ্যালয়ে নিজেই তাৰ advertisement কৰে বা নিযুক্তিৰ ব্যৱস্থা কৰে। বহু ঠাইত আমি দেখা পাওঁ যে তাত roster maintain কৰিবলৈ যাওঁতে roster অনুযায়ী শিক্ষক পোৱা নাযায় আৰু বহু ঠাইত য'ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি তাত post অনুসৰি transfer কৰি লৈ যাব লাগে। এনেধৰণৰ বহু সমস্যাৰ বাবে শিক্ষা বিভাগত অতীতত recruitment ৰ ব্যৱস্থা কৰা হৈছিল। সেয়েহে এতিয়া শিক্ষা বিভাগত নতুনকৈ ব্যৱস্থা কৰিব বিচাৰিছে যে প্ৰথমে গুণোৎসৱ আৰু গুণোৎসৱৰ পিছত বিদ্যালয় সমূহ amalgamation কৰা ব্যৱস্থা। এই amalgamation প্ৰক্ৰিয়াৰে প্ৰাথমিক বা মাধ্যমিক বিদ্যালয়ত কিমান খিনি শিক্ষকক উলিয়াব পৰা যাব আৰু তাৰ পিছত তাত শিক্ষক-ছাত্ৰৰ অনুপাতটো কেনেকৈ maintain কৰিব পৰা যাব তাৰ বাবে চেষ্টা কৰিম। দ্বিতী য় পৰ্যায়ত আমি বিচাৰিছো যে আমাৰ যিটো নিযুক্তি ব্যৱস্থা তাত এটা নতুন Service Rule বনাবৰ বাবে বিভাগে ব্যৱস্থা কৰি আছে। নতুন Service Rule ৰ মাধ্যমেৰে আমি জিলা ভিত্তিক শিক্ষক সমূহক ল'ব পাৰো আৰু য'ত PTR নাথাকিব তাত শিক্ষক নিযুক্তি দি কিদৰে PTR maintain কৰিব পাৰি সেই ব্যৱস্থাটো কৰিবৰ বাবে আমি চেষ্টা কৰিছো। আনহাতে, আপুনি যি তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কথা কৈছে, সেইখিনিও আমি কেনেকুৱা পৰ্যায়ত নিব পৰা যায় তাৰ বাবেও আমি বিত্তীয় বিভাগৰ লগত যোগাযোগ কৰি আছো আৰু সেইখিনিও পূৰণ কৰিবৰ বাবে আমি ব্যৱস্থা কৰিছো। নতুনকৈ শিক্ষক নিযুক্তিৰ বাবে কোৰ্টত যিখিনি কেচ আছে, সেই কেচবোৰৰ বাবেও আমাৰ বিভাগে যুঁজি আছে যাতে আমি কোৰ্ট কেচত জয়ী হৈ নিশ্চিতভাৱে সেই নিযুক্তিৰ প্ৰক্ৰিয়া সমূহ আৰম্ভ কৰিব পাৰিম।

আব্দুল খালেক ডাঙৰীয়াই লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ যি গৰাকী শিক্ষকৰ কথা কৈছে, তাত আমি নতুনকৈ শিক্ষক নিদিয়ালৈকে অত থকা শিক্ষক জনক বদলি কৰি অনা নহ'ব আৰু তাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰিম বুলি আপোনাক assure কৰিছো। বাকী থকা নিযুক্তি খিনিও পৰ্যায়ক্ৰমে কৰাৰ বাবে আমি চেষ্টা কৰি আছো আৰু বহু দিনৰ ভিতৰতে কৰি শেষ কৰিম। আমাৰ মাধ্যমিক পৰ্যায়তো যিহেতু গুণোৎসৱ হ'ব, তাত আমি বহুখিনি তথ্য পাম। বিদ্যালয় অনুসৰি য'ত শিক্ষক, স্কুলৰ আন্তঃগাঁথনি ইত্যাদিৰ প্ৰয়োজনীয়তা থাকিব সেই অনুযায়ী আমি ভৱিষ্যত দিনত সেই কামবোৰ কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় শ্ৰী আব্দুল খালেক (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি সদায় প্ৰশ্নবোৰ specific সুধিবলৈ কয়, কিন্তু মন্ত্ৰী সকলৰো উত্তৰ specific হ'ব লাগে। মোৰ প্ৰশ্নটো specifically বৰপেটা জিলাৰ আছিল। সি যি কি নহওঁক, মন্ত্ৰী মহোদয়ে লাংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয়ে specific উত্তৰ দিছে আৰু তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু বাকী খিনি প্ৰশ্নৰ specific উত্তৰ পোৱা নাই। অধ্যক্ষ মহোদয়, মই আগতেও কৈছো যে, কিছুমান স্কুল বন্ধ হোৱাৰ উপক্ৰম হৈছে। যিবোৰ স্কুলত পৰ্যাপ্ততকৈ বেছি enrolment হৈ আছে, সেই স্কুল সমূহত গুণোৎসৱ পাতিলে নহ'ব। সেই স্কুল সমূহৰ গুণ যাতে উন্নত মানৰ হয় আৰু ল'ৰা-ছোৱালীবোৰ ভাল হ'বৰ বাবে শিক্ষক দিব লাগিব। গতিকে চৰকাৰে কেতিয়া শিক্ষক নিযুক্তি দিব, সেই কথাৰ specific উত্তৰ নিদিলে । গতিকে আশা কৰিছো ভৱিষ্যতে ইয়াৰ উত্তৰ পাম। আজি যিহেতু কেবিনেট মন্ত্ৰী নাই, গতিকে ৰাজ্যিক মন্ত্ৰী হিচাপে এইক্ষেত্ৰত চৰকাৰ serious হ'ব। অধ্যক্ষ মহোদয়, বৰপেটা জিলাৰ এখন স্কুল, যাৰ নাম মই উল্লেখ কৰিব বিচৰা নাই তাত ছাত্ৰ-ছাত্ৰী আছে মাত্ৰ ৫০ জন আৰু শিক্ষক আছে ১৫ জন আকৌ এখন স্কুল আছে য'ত ছাত্ৰ-ছাত্ৰী আছে ১৫০ জন আৰু শিক্ষক আছে ২৪ জন। তাৰ বিপৰীতে ৯০০, ৫০০, ৬০০ কৈ enrolment থকা স্কুলৰ কথাও মই কৈছো। আগৰ বাজেট অধিবেশনত ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া শিক্ষা মন্ত্ৰী আছিল আৰু তেখেতে সদনত আশ্বাস দিছিল যে বৰপেটা জিলাৰ দুটা মহকুমাক rationalization কৰা হ'ব কিন্তু সেই আশ্বাসটো এতিয়ালৈ কাৰ্যকৰী হোৱা নাই। গতিকে ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সেই আশ্বাসটো কাৰ্যকৰী হ'ব নে নাই মন্ত্ৰী মহোদয়ৰ মই জানিব বিচাৰিছো। মই জনাত বৰপেটা জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকে rationalization কৰাৰ বাবে চৰকাৰলৈ এখন চিঠিও লিখিছে। সেই চিঠি খনৰ ৪ নং পৃষ্ঠাত আছে যে, 'There are more teachers in some school, whereas there is less number of teachers in some school. So, rationalization of the teacher is a must for the betterment of the student. Some Schools are running with only 2/3 teachers while enrolment is more than 500. যিহেতু বিদ্যালয় সমূহৰ পৰিদৰ্শকেও চিঠি দিছে, গতিকে এই rationalization টো হ'ব নে নাই মই সেইটো জানিব বিচাৰিছো। ভেঞ্চাৰ স্কুল সমূহৰ ক্ষেত্ৰতো এইটো নিৰ্দেশ আছিলে যে নতুন আইন অহাৰ ৬ মাহৰ ভিতৰত এইটো implement হ'ব লাগিব। এতিয়া ৬ মাহ নহয়, প্ৰায় ২ বছৰে অতিক্ৰম হ'ল কিন্তু আইনখন কাৰ্য্যকৰী হোৱা নাই। Gazette Notification হ'ল ঠিকেই। চৰকাৰে অন্ততঃ যিসকল criteria ৰ ভিতৰত পৰে, তেখেত সকলৰ পদসমূহ যাতে পূৰণ কৰে। এইটো মই চৰকাৰক অনুৰোধ কৰো।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ সকলোতকৈ ডাঙৰ প্ৰত্যাহ্বান হৈছে rationalization. শিক্ষকক transfer কৰিবলৈ যাওঁতে কি ধৰণৰ problem হয় সেইটো বিধায়ক সকলেও ভালদৰে জানে। সেইকাৰণে আমি শিক্ষা বিভাগে এখন নতুন Service Rule আনিব বিচাৰিছো rationalization process টোৰ কাৰণে। তাৰ কাৰণে আমি বিধায়ক সকলৰ সহযোগীতা বিচাৰিম। সেই Service Rule ৰ জৰিয়তে আমি চাব বিচাৰিছো যে ক'ত শিক্ষকৰ পৰিমান বেচি বা ক'ত কম আছে। আমি শিক্ষক আৰু ছাত্ৰৰ ratio টো maintain কৰিব বিচাৰিছো। As a whole যদি আমি মাধ্যমিক পৰ্য্যায়ত যাওঁ তেন্তে ratio টো হ'ল 1:19. যদি সেইটো maintain হয় তেতিয়া আমি বুজিব লাগিব যে অসমত আৰু নতুন শিক্ষকৰ প্ৰয়োজন নাই। rationalize নোহোৱাৰ কাৰণেই শিক্ষকৰ অনুপাতটো maintain

হোৱা নাই। নতুন service rule maintain হ'লে এনেধৰণৰ অসুবিধা সমূহ দূৰ হ'ব। Service Rule ৰ draft ইতিমধ্যে হৈ গৈছে। এতিয়া শেষ পৰ্য্যায়ত আছে। cabinet ত গৈ approve হলে নিশ্চিতভাৱে আমি এইটো পৰ্য্যায়ত কাম কৰিম। সেইক্ষেত্ৰত আমি সকলোৰে পৰা সহযোগীতা বিচাৰিম।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** অধ্যক্ষ মহোদয়, Service Rule ৰ অপেক্ষাত যদি rationalization টো থাকে তেতিয়া School সমূহৰ harasement হ'ব। দ্বিতীয়তে এতিয়াৰ 1:19 ration maintain মাধ্যমিক স্কুলত কিমান প্ৰযোজ্য হ'ব ?কেৰত কুছি High School ত ১৪১ জন ছাত্ৰ-ছাত্ৰী। কিন্তু তাত মাত্ৰ ৪ জন শিক্ষক। তাৰে আকৌ ১ জন শিক্ষক contractual basis ত। এখন High School ত অংক, বিজ্ঞান, ইংৰাজী, সংস্কৃত কিমান subject. মাত্ৰ ৪ জন শিক্ষকে কেনেদৰে High School চলাব? Service Rule চৰকাৰে বনাই থাকক। Inspector সকলে inspect কৰি য'ত প্ৰয়োজনতকৈ বেচি শিক্ষক আছে তাৰ পৰা শিক্ষক আনি কম শিক্ষক থকা School সমূহত অতি সোনকালে শিক্ষক দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। চৰকাৰে যিহেতু আশ্বাস দিছিলে, চৰকাৰে সেইটো ৰূপায়ণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মই আপোনাক এটা অনুৰোধ কৰিব বিচাৰিছো। নতুন শিক্ষকৰ কথা কোৱা নাই। কিন্তু য'ত প্ৰয়োজনতকৈ বেচি শিক্ষক আছে তাৰ পৰা শিক্ষক নথকা School ত

শিক্ষক নিযুক্তি দিয়াৰ permission ও বন্ধ হৈ আছে নেকি? মই সেইটোহে জানিব বিচাৰিছো।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমিও বিচাৰিছো যে rationalization হ'ব লাগে। কিন্তু আমি যেতিয়া rationalization টো কৰিম বহুত শিক্ষক এনেকুৱা থাকে যিসকলে transfer দিলে বেয়া পায়। বহুতে case file কৰে আৰু court ৰ পৰা stay কৰাই লয়। এনেকুৱা বহুত অসুবিধা আমি পাইছো। সেইকাৰণে আমি এটা systematic transfer system হ'ব লাগে। এইটো যাতে আমি এই বছৰতে কৰিব পাৰো। ইতিমধ্যে draft তৈয়াৰ কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** যিমান সোনকালে পাৰে কৰি দিলে ভাল হয়।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ সেই গুৰুত্বটো আমি বুজো আৰু নিজেও উপলব্ধি কৰিছো যে শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰিবলৈ হলে শিক্ষক rationalization কৰিবই লাগিব। এইটো আমি খুব গুৰুত্ব সহকাৰে লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বৰপেটাৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়া।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় খালেক ডাঙৰীয়াই যিকেইখন স্কুলৰ নাম কৈছে, তাৰে প্ৰায় কেইখন স্কুলেই মোৰ সমষ্টিত পৰে। মই আপোনাৰ জৰিয়তে শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক দুটা কথা ক'ব বিচাৰিছো যে temporarily শিক্ষা বিষয়া আৰু DC ডাঙৰীয়াক এইটো দায়িত্ব দিব নোৱাৰে নেকি যে, জিলা ভিত্তিত য'ত ছাত্ৰ কম আছে তাৰ পৰা শিক্ষক আনি ছাত্ৰ-ছাত্ৰী বেছি থকা স্কুলত নিযুক্তি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিলে। কিন্তু শিক্ষক সকলে Court লৈ গৈ Stay কৰায় বুলি কৈছে। সেইটোৱে সমস্যা।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়। তাৰোপৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াই দুৰ্নীতি বন্ধ কৰিছে যদিও আমাৰ বৰপেটা জিলাত এগৰাকী শিক্ষা বিষয়া আছে,তেওঁ DO, নাম Dr.

S.K.Hazarika। তেখেতৰ বিৰুদ্ধে যোৱা জুন মাহত মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত গৈ মই নিজে এখন complain দিছিলো। তাৰ ভিত্তিত Joint Secretary, Elementary Education এ এখন চিঠি দিছিল Secondary Education লৈ যে এইটোৰ এটা enquiry হ'ব লাগে। কিন্তু এই চিঠিৰ পিছতো তেখেতৰ ওপৰত কোনো enquiry হোৱা নাই। DO জনে প্ৰতিজন Retd teacher ৰ পৰা ৫০০০ কৈ টকা লয়। Mid-Day-Meal ৰো কিছুমান teacher ক মাতি আনি টকা লৈ compromise কৰে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক action ল'বলৈ অনুৰোধ জনাও।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁ যিহেতু গুৰুত্বপূৰ্ণ বিষয়টো উত্থাপন কৰিছে। নিশ্চিতভাৱে আমি তাৰ ওপৰত বিহিত ব্যৱস্থা ল'ম।

**মাননীয় অধ্যক্ষ ঃ** এইটো অহা Assemblyলৈ যাতে নৈ নাযায়।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** নিশ্চয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জাকিৰ হুছেইন সিকদাৰ ।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিষয়া জনৰ বিষয়ে গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই যিটো কথা কলে সেইটো সম্পূৰ্ণ সত্য। মই এতিয়া মাত্ৰ এটা কথা ক'ব বিচাৰিছো। মোৰ সমষ্টিত থকা ভৌকামাৰী নিম্ন প্ৰাথমিক বিদ্যালয়খনত যোৱা ৪ মাহে মধ্যাহ্ন ভোজন বন্ধ হৈ আছে। তাৰ কাৰণে মই জিলা উপায়ুক্তৰ জৰিয়তে তেখেতক অনুৰোধ কৰিছো। প্ৰত্যেকবাৰ তেওঁ কয় এইটো চলি আছে বুলি। তেখেত বহু দুৰ্নীতি কৰি আছে। ইয়াৰ ক্ষেত্ৰত এটা বিহীত ব্যৱস্থা ল'ব লাগে সেই DO জনৰ বিৰুদ্ধে। এইটো মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাস ঃ মাননীয় অধ্যক্ষ মহোদয়,** মোৰ Boko সমষ্টিত elementary office ৰ under ত কেইবাটাও পদ খালী হৈ আছে। কেইবাখনো স্কুল আছে য'ত এজনো শিক্ষক নাই। মই নাম কেইটা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** কথাখিনি আমি আলোচনা কৰিছো। we are really concern with the situation. House as a whole.

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, গুণোৎসৱ যিহেতু হৈ গ'ল। আমি বহুত আশাঁ কৰি আছিলো। বহুত TET শিক্ষক qualify হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** মই সহমত প্ৰকাশ কৰিছো। অলপ সময় দিয়ক।

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** শিক্ষকৰ খালী হোৱা পদবিলাক পূৰণ কৰিব । ইতিমধ্যে বহু টেট শিক্ষকে qualify হৈ আছে। তাৰ পাছতো মাননীয় অধ্যক্ষ মহোদয়, এল পি স্কুলত যদি শিক্ষক নাথাকে তাতকৈ দূৰ্ভাগজনক একো নাই। মই সেইকাৰণে মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে কব বিচাৰো যে কেইবাখনো স্কুল আছে।

**মাননীয় অধ্যক্ষ ঃ** You give the list to the Minister.

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়লৈ মোৰ এইটো অনুৰোধ থাকিল যিহেতু গুণোৎসৱ পাতিলে। আমি বৰ আশা কৰি আছিলো যে শিক্ষক নিযুক্তি সম্পূৰ্ণ হব লাগে। কোনো স্কুলত শিক্ষক নোহোৱাকৈ থাকিব নালাগে। মই ভাৱো যে নিশ্চয় মন্ত্ৰী মহোদয়ে

এই ক্ষেত্ৰত বিহিত ব্যৱস্থা লয় যেন।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়িকা শ্ৰী মতী নন্দিতা দাস ডাঙৰীয়নিয়ে কোৱা ধৰণে আমিও শিক্ষক নিযুক্তি কৰিব বিচাৰিছো। সেই কাৰণে আমি **৯,৫১৩** গৰাকী শিক্ষক নিযুক্তি দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিছো। কিন্তু সেই খিনি পদক্ষেপ লওতে কোৰ্টত কেচ হ'ল। কোৰ্টত কেচতো এতিয়া final stage ত আছে, কোৰ্টৰ verdict টো পোৱাৰ পিছত তেতিয়া আমি নতুন নিযুক্তি প্ৰক্ৰিয়া regularize কৰিম। তাৰ পিছতে অন্যান্য আৰু শিক্ষক নিযুক্তি দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিম। গতিকে আমি কোৰ্টত কেচ চলি থকাৰ বাবে টেট শিক্ষক নিযুক্তি কৰিব পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ইয়াৰ পিছৰ প্ৰশ্ন নং. ৪২, শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰসমূহ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা **২০** ফেব্ৰুৱাৰী, **২০১৮** তাৰিখে মোৰ এটা প্ৰশ্নৰ উত্তৰত তেতিয়াৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰী হেমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এই সদনত উদ্বাৰ্থ আৰু ব্যৰ্থহীন ভাৱে ঘোষণা কৰিছিলে যে এই বাৰ অসমত **৫০** খন Science College হ'ব তাৰ ভিতৰত আপোনাৰ সমষ্ঠিত এখন কলেজ সেই **৫০** খন Science College ৰ ভিতৰত থাকিব। এই উদ্বাৰ্থ ঘোষণাৰ পিছত বহু মোৰ সতীৰ্থ বিধায়কে সমৰ্থন জনাইছিল যে আপুনি এখন Science College পালে। মোক শিক্ষামন্ত্ৰী মহোদয়ে কলেজ এখনৰ নাম দিয়া কথা কৈছিল আৰু মই লগে লগে সেইদিনাখনে অৰ্থাৎ **২০** ফেব্ৰুৱাৰী, **২০১৮** তাৰিখে শিক্ষামন্ত্ৰী মহোদয়ক এখন চিঠি দি কলেজখনৰ নামটো দিলো। মাননীয় অধ্যক্ষ মহোদয়, কিবা কাৰণত এইটো consider নহব পাৰে, সেইটো বেলেগ কথা কিন্তু এই পবিত্ৰ সদনত বিপথে পৰিচালিত কৰাৰ যি প্ৰৱনতা এইটো যদি ৰোধ নকৰে। মই ভাৱো Democracy at stake. ইয়াত wrong reply দিছে।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগে ব্যৱস্থা কৰিছিলে যে বিজ্ঞান শাখা গোটেই অসমত যিমান থাকিব লাগে, সিমান নাই। খুব কম সংখ্যক কলেজ আছিলে য'ত বিজ্ঞান শাখা আছে। কেৱল মাত্ৰ **৮৯** খন কলেজত বিজ্ঞান শাখা আছে। সেই কাৰণে সেই কলেজৰ সংখ্যা বঢ়াবৰ কাৰণে ৰাজ্য চৰকাৰে নিজে সিদ্ধান্ত গ্ৰহণ কৰি **৫০** খন বিজ্ঞান শাখা কলেজৰ কাৰণে নতুন stream দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিলে। আৰু যিমান proposal আহিলে সেই proposal সমুহ পৰীক্ষা কৰি পেলাই **৫০** খন বিজ্ঞান শাখা কলেজৰ কাম কৰা গ'ল। তাৰ উপৰিও আমাৰ বহু বিধায়কে কৈছে যে তেওঁলোকৰ আৰু বিজ্ঞান শাখা কলেজৰ প্ৰয়োজন আছে। কিন্তু বৰপেটাত **৬** খন বিজ্ঞান শাখা কলেজ আছে আৰু নতুনকৈ **৪** খন বিজ্ঞান শাখা কলেজ দিয়া হৈছে। তাৰ মানে **১০** খন বিজ্ঞান শাখা কলেজ বৰপেটা জিলাত পুৰণাকে ধৰি দিয়া হৈছে। তাৰ ওপৰি আমাৰ বিধায়ক শ্ৰী শ্বেৰমান আলি ডাঙৰীয়া যিটো কথা কৈছে যে তেখেতৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত এখন বিজ্ঞান শাখা কলেজ কিয় দিয়া হোৱা নাই। গতিকে আপুনি কলেজ কেইখনৰ লিষ্টটো দিব আমি তথাপি পৰীক্ষা কৰিম যে কি পৰ্য্যায়ত আছে চাই নতুনকৈ আকৌ চৰকাৰে বিজ্ঞান শাখাৰ কলেজ লোৱাৰ চিন্তা চৰ্চা কৰি আছে, আমি চেষ্টা কৰিম কিবা কাৰণত যদি আপোনাৰ সমষ্টিত বিজ্ঞান শাখাৰ কলেজ লৱ পৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা যে প্ৰশ্নটোত লেখিছে - Hon'ble Minister of Education assured orally. If he had assured orally in the House. এই ক্ষেত্ৰত আপোনাৰ এটা উত্তৰ লগিব। মই আপোনাক একো নকওঁ , I am taking the matter personally. This question is related to his constituency of a particular college, so other should not raised their hands. মই ভাৱো যে কথাটো মন্ত্ৰী ডাঙৰীয়াই পুনৰ বিবেচনা কৰি এটা উত্তৰ তেখেতক দিব, যিহেতু assured বুলি লিখিছে। I will look into it.

**শ্ৰী শ্বেৰমেন আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বেলেগ issue আছে regarding question no. (d)। আপুনি মোক personally এই বিষয়টো লব বুলি আশ্বাস দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ৰ এই ধৰণৰ গা এৰা দিয়া মন্তব্যৰ অৰৰতা ৰোধ কৰিব লাগে। মহোদয় ইয়াতে সেই একেটা প্ৰশ্নত আছিলে বামুন নঙৰা হায়াৰচেকেণ্ডাৰী স্কুলত প্ৰায় **১২** জন পি জি শিক্ষক আজি দুই বছৰ অনুপস্থিত হৈ আছে আৰু কেইবাখন স্কুলৰ নাম কোৰা হৈছিলে যে সেই বোৰত এখন এম ই স্কুলত মাত্ৰ দুইজন শিক্ষক আছে। মন্ত্ৰী মহোদয়ে সদনৰ বাহিৰত মোক কৈছিলে আপুনি আপোনাৰ সমষ্টিৰ কোনোৱা যদি শিক্ষক বাহিৰত আছে মোক নাম লিখিত দিব। মই পিছদিনা খনে লিখিত দিলো, মাননীয় মন্ত্ৰী মহোদয়ে সেই খন forward কৰাই লৈ, MD আছিলে মোৰ সন্মুখতে ফোন কৰি কৈছিলে যে বাঘবৰ সমষ্টিৰ যিখিনি শিক্ষক বাহিৰত আছে, অন্তত সেইখিনি অতি সোনকালে বাঘবৰ সমষ্টিত নিযুক্তি কৰি দিয়ক। মাননীয় অধ্যক্ষ মহোদয়, আজি উত্তৰ দিছে যে বস্তুটো under consideration. সাত মাহ গুছি গ'ল। why all these things are happening? why is this state of affairs? Education ত আগ নাবাঢ়াৰিলে আমাৰ অসম বাকী উন্নতিৰ পথত কেতিয়াও আগবাঢ়িব নোৱাৰে। The main parameter is education আৰু এই শিক্ষৰ ক্ষেত্ৰত চৰকাৰৰ এনেকুৱা গা এৰা দিয়া মনোভাৱ অন্ত্যত দূৰ্ভাগ্যজনক।¯ ভৱিষ্যতে অসমৰ বৃহৎৰ স্বাৰ্থৰ কাৰণে এই ধৰণৰ প্ৰৱনতা আপুনি বিশেষ পদক্ষেপ লৈ ৰোধ কৰিব বুলি মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা কব খুজিছো আমাৰ tactfully কথা পতি result উলিয়াব লাগে। য'ত দৰকাৰ মই intervention কৰিম। আন এজনক দোষ দিলে কাম নহয়। আপোনাৰ প্ৰশ্নটো ময়ো পঢ়িছো তাৰে একেবাৰে vague উত্তৰ দিয়া নাই।

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি তেখেতৰ যিখিনি প্ৰশ্ন তেওঁ "D" ত সুধিছিলে তাত আমি কিয় তেওঁৰ খালী হোৱা পদখিনি পুৰণ কৰিব পৰা নাই পি জি শিক্ষকৰ ক্ষেত্ৰত

সেইটো আমি কৈছো যে প্ৰথম কথা হ'ল য'ত আমি প্ৰথম interview কৰিলো তাত যিকেইজন select হৈছিলে সেই কেইজন বেলেগ স্কুলতো select হৈছিলে। বেলেগ স্কুলত select হোৱাৰ কাৰণে তেওঁলোক বেলেগ ঠাইলৈ গুছি গ'ল, সেই স্কুললৈ নাহিলে। ইয়াৰ আমাৰ নিয়মটো এনেকুৱা যে school wise যিহেতু হয় আকৌ প্ৰক্ৰিয়াটো নতুনকৈ আৰম্ভ কৰিব লাগিব। এখন স্কুলত এনেকুৱা হ'ল যে তাত reserve যিটো quota আছে, তাৰে শিক্ষক খিনিক আমি তাত পোৱা নাই। সেই কাৰণে প্ৰক্ৰিয়া খিনিৰ আমি ব্যৱস্থা কৰিছো। মহোদয়, সন্মানীয় সদস্য শ্ৰী শ্বেৰমান আলি ডাঙৰীয়াই কোৱা ধৰণে, গোটেই শিক্ষা ব্যৱস্থাৰ জোট কোনে লগালে। এই শিক্ষা ব্যৱস্থাৰ

আজি যি অৱস্থা, শিক্ষা বিভাগত এই ধৰণৰ অনিয়ম এই বিলাক কোনে কৰিছিলে। **১৫** বছৰ চৰকাৰ আপোনালোকে চলালে, আপোনালেক কিয় নিয়ম  কৰিব নোৱাৰিলে। আজি যে আপোনালোকে আমাক দোষ দিয়ে। আমাৰ দুই বছৰ হ'ল চৰকাৰ চলোৱাৰ, আপোনালোকে কি কৰিছিলে তেতিয়া... হুলুস্থুল।

**মাননীয় অধ্যক্ষ ঃ**- হ'ব। ঠিক আছে । সকলোৱে বহক।

**শ্রী পল্লৱ লোচন দাস, মন্ত্রী ঃ**- এইখিনি অনিয়ম কোনে কৰিছিল।

**শ্রী ৰকিবুল হুছেইন ঃ**- আমি মানি লৈছো, তেখেতে যিটো কৈছে, তেখেতে যিটো কৈছে যে ইয়াৰ আগৰ চৰকাৰখনে কৰিছে, হয় আমাৰ চৰকাৰৰ আগৰ শিক্ষামন্ত্রী গৰাকীয়ে কিছু খেলি মেলি লগাইছে।

**শ্রী পল্লৱ লোচন দাস, মন্ত্রী ঃ**-ৰকিবুল হুছেইন ডাঙৰীয়াই agree কৰিছে যে কংগ্রেছৰ চৰকাৰখনে ভুল কৰিছে।

(সদনত হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হয়) ।

**মাননীয় অধ্যক্ষ ঃ**- Please sit down. মই কৈছোৱেই, যিমানেই আমাৰ দিন পাৰ হ'ব, এইটো মই বেছিকৈ দেখিবলৈ পাম বুলি মই ধৰিয়েই লৈছো, যিমানেই আমাৰ সদনৰ দিন বাঢ়ি গৈ থাকিব। এটা কথা মই সদায় কৈছো, পাৰিলে বাকী ৩-৪ টা মান প্রশ্ন চুবলৈ দিয়ক।  মই এইটোৱে কৈছো, হয় ১০০ শতাংশ কোনো Satisfied নহয়। কেতিয়াবা হৈ যায়। যদি এইটো আমি ইয়াতে যুজিঁ থাকো  এইটো আপোনালোকে জানে , যে This is democracy.

(সদনত হুলস্থুল হয়)

**মাননীয় অধ্যক্ষ ঃ**- মমিন Please don't shout ৰূপজ্যোতি Please. Please quiet ৰূপজ্যোতি Please sit down.এতিয়া এইটো বিষয় ইমানতে সামৰিছো। মোৰ দুটা Suplementary দিয়াৰ ইচ্ছা আছিল যদিও মই নিদিও। এতিয়া প্রশ্ন নং -৪৩, বড়ো ডাঙৰীয়া।

**শ্রী কেশৱ মহন্ত, মন্ত্রী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত  দিয়া আছে।

**শ্রী মহেশ্বৰ বড়ো ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি খৈৰাবাৰীস্থিত দেৱালয় আৰু সত্ৰ এখনৰ সম্পৰ্কে প্রশ্ন কৰা হৈছিল। তাৰ উত্তৰ পোৱা গৈছে। এতিয়া শেষত, পুঁজি সাপেক্ষে সংৰক্ষণ আৰু উন্নয়নৰ ব্যৱস্থা লোৱা হ'ব বুলি  কোৱা হৈছে। মই আপোনাৰ যোগেদি মন্ত্রী মহোদয়ক জনাব বিছাৰিছো আৰু অনুৰোধ কৰিব বিছাৰিছো, অসমৰ  বিভিন্ন সত্ৰ বিলাকত বৰ্তমান বিভিন্ন প্ৰকাৰে ইয়াৰ infrustructure development কৰি থকা হৈছে।  আপুনিও অনুমান কৰিব পাৰিব, ১৯৫১ চনতে স্থাপিত খৈৰাবাৰীস্থিত শ্রীমন্ত শংকৰদেৰ সত্ৰখনৰ অৱস্থা, আজিৰ তাৰিখত কি অৱস্থা হ'ব সেইটো এনেয়ো অনুমান কৰিব পৰা যায়। ইয়াৰ উন্নতিৰ কাৰণে মই বিভাগৰ মন্ত্রীৰ পৰাও লিখাইয়ো পুৰাতত্ব বিভাগৰ সঞ্চালকালয়লৈ পঠাইছো। মই মন্ত্রী মহোদয়ৰ পৰা এটা আশ্বাস বিছাৰিছো, যে অন্যান্য সত্ৰৰ লগতে এইখন সত্ৰৰ উন্নতিৰ কাৰণে priority list ত অন্তর্ভুক্ত কৰিব পাৰিব নেকি?

**মাননীয়  অধ্যক্ষ ঃ**- ঠিক আছে, মন্ত্রী ডাঙৰীয়া।

**শ্রী কেশৱ মহন্ত, মন্ত্রী ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰত দিছিলো যে, ইয়াত আগতে ২০ লাখ টকাৰ এটা অনুদান দিয়া হৈছিল।  আৰু তেখেতে আৰু যিখন সত্ৰৰ কথা কৈছে, যে খৈৰাবাৰীস্থিত শংকৰদেৱৰ সত্ৰখনৰ ক্ষেত্ৰত বিভাগৰ ফালৰ পৰা বৰ্তমানলৈকে এতিয়া দিয়া হোৱা নাই। গতিকে মই কথাটো খোলাখুলিকৈ কওঁ যে বহুতৰ কাৰণে এইবাৰ সত্ৰৰ কথা আহি আছে। এইবাৰ সত্ৰৰ

পুঁজি ইয়াৰ আগতে যিমান ডাঙৰ আছিল,২৫ কোটি টকা আগৰ বছৰ দিছিল। এইবাৰ মাত্ৰ ৩ কোটি টকা আছে। গতিকে তাৰে যিখিনি বিতৰণ হ'ব আপুনি যিহেতু বিশেষভাৱে বিছাৰিছে, আপোনাৰ তালৈও আমি হয়তো কম পৰিমাণে হলেও নিশ্চয় আগবঢ়াব পৰা যাব।

**শ্ৰী মহেশ্বৰ বড়ো ঃ**- ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ**-Thank you. কমলী বসুমতাৰী।

**শ্ৰী মতী কমলী বসুমতাৰী, ঃ**- মাননীয় অধ্যক্ষ মহোদয়, যিহেতু ইয়াত সত্ৰৰ কথা উত্থাপন হৈছে, মোৰ পানেৰী সমষ্টিতো এনেকুৱা বহুতো সত্ৰ আছে। যিবিলাক সত্ৰত আজিলৈকে ইয়াৰ মেৰামতি বা ইয়াৰ উন্নীতকৰণ কৰিব পৰা নাই। ইয়াৰ ভিতৰত মোৰ খুব পুৰণি সত্ৰ এখন আছে, অধ্যক্ষ মহোদয়, বৰঙাজুলি সত্ৰ। এই বৰঙাজুলি সত্ৰটো, য'ত অসমৰ প্ৰায় মন্ত্ৰী সকল, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া এই সত্ৰত পৰ্দাপন কৰিছিল, সেই কাৰণে এই বৰঙাজুলি সত্ৰৰ প্ৰতি লক্ষ্য ৰাখিলে মই ভাল পাম অধ্যক্ষ মহোদয়। তাৰ পাছত মোৰ আৰু এটা অনুৰোধ আছে, আমাৰ এনেকুৱা কিছুমান স্থান আছে, আজিলৈকে চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। এইবোৰ স্থান, এইবোৰ দেৱালয়, যিকোনো পৌৰানিক যিবিলাক স্থান আছে সেইবোৰ আমাৰ পুৰাতত্ব বিভাগৰ পৰা এটা ৰক্ষণা বেক্ষণ বা সংৰক্ষণ কৰাটো মই বিছাৰিছো। যেনেকৈ মোৰ সমষ্টিতে অতিমনি কুণ্ড এটা আছে, আটাৰীঘাটত, তাৰ উপৰি সাত পুখুৰী, ভুটীয়াপুখুৰী, ৰাণী পুখুৰী এই বিলাক পৌৰানিক যিবিলাক স্থান আছে, এই বিলাক সংগ্ৰহ কৰি ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- Thank you.

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,তেখেতে যিটো বিষয় উল্লেখ কৰিছে বৰঙাজুলি সত্ৰ। এই সত্ৰখন পৌৰাণিক সত্ৰ আৰু এইক্ষেত্ৰত তেখেতে দিয়া প্ৰস্তাৱটো দিয়াৰ ক্ষেত্ৰতো আমি অগ্ৰাধিকাৰ দিয়াৰ কথা বিবেচনা কৰিম। মুঠতে এতিয়ালৈকে আমাৰ সত্ৰ সমূহত মুঠ ৬৮ কোটি ৯৪ লাখ টকা ইতিমধ্যে দিয়া হৈছে ৩৫৯ খন সত্ৰত এতিয়ালৈকে। তাৰপিছত বাকী যিখিনি সত্ৰ তাৰ কিছু তালিকা ইতিমধ্যে প্ৰস্তুত হৈ আছে আৰু সেইটোৰেই নহয় অধ্যক্ষ মহোদয়, কবলৈ দিলে অলপ কৈ দিছো সকলোৰে হোৱাকে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ কিছু বিশেষ তৎপৰতা লৈছে যদিও লগতে কৈ থব লাগিব যে, বাজেট প্ৰভিজনটো বাজেট হোৱা সময়ত সেই ধৰণৰ বাজেট প্ৰভিজন নাছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এতিয়া ইয়াৰ পাছত এইখিনিতে বহুখিনি কথাত তৎপৰতা লবলৈ দিছে। আমাৰ বিভাগটোৰে বৰ্তমান যিখিনি আপুনি কৈ গ'ল যে বহু এনেকুৱা ঠাই আছে আৰু লিষ্টটেড নহয়। এইখিনি আমি চাৰ্ভে কৰিবলৈ লৈছো। প্ৰথমতে আমি তালিকা আনিম। তালিকা অনাৰ পাছত পুঁজি অনুসাৰে ক'ত ক'ত আমি বাজেট লৈ কাম কৰিব পাৰিম সেইখিনি পৰ্য্যায়লৈ যা ব। গতিকে মাননীয় বিধায়ক সকলক মই অনুৰোধ জনাব বিচাৰিছো যে, তেখেত সকলৰ সমষ্টিত এই ধৰণৰ যিখিনি আছে আমাৰ চাৰ্ভে কৰিবলৈ যাতে সুবিধা হয়। তেখেত সকলে এখন তালিকা এই বিধান সভা চলি থকা সময়তে যদি আমাক দিয়ে গতিকে আমাৰ সেইখিনিত চাৰ্ভে টিম পঠিয়াবলৈ ভাল হ'ব। গতিকে প্ৰত্যেক গৰাকী বিধায়ক বিধায়িকাক মই অনুৰোধ জনাইছো। যাতে তালিকাখন এই বিধান সভা চলি থাকোতেই দিয়ে তাৰ পাছত যাতে আমি কামত আগবাঢ়িব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী প্ৰশান্ত ফুকন আপুনি কওঁক।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মধুপুৰ সত্ৰত মাননীয় মন্ত্ৰীৰ লগত ব্যক্তিগতভাৱে তালৈ গৈছিলো। কিন্তু সত্ৰখনত তাৰ যিটো পুখুৰী আছে, পুখুৰীটো অতি জৰাজীৰ্ণ

অৱস্থা। আমি সেই সময়তে কৈছিলো যে, আমি আমাৰ ফালৰ পৰা প্ৰচেষ্টা কৰি এই পুখুৰীটো উন্নয়ন কৰি দিয়াৰ ক্ষেত্ৰত এটা বিহিত ব্যৱস্থা লম। যিহেতু তাতে মাহ প্ৰসাদ তিওৱা হয়। আজি মন্ত্ৰী মহোদয়ক ইয়াতেই পাই জনাব খুজিছো যে, এইবিষয়টোৰ কাৰণে বহু টকা নালাগে। অলপ টকাই লাগিব।

**মাননীয় অধ্যক্ষ ঃ** কিমান টকাৰ প্ৰয়োজন হ'ব?

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০ লাখমান টকা হলেই হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলোৱে মিলিয়ে দিব পাৰো। ২০ হাজাৰকৈ টকা। আমাৰ যিহেতু ১২৬ জন বিধায়ক গতিকে যিয়ে যিমান পাৰে দিলে ভাল হ'ব।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড়ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ আদেশ অনুক্ৰমে হ'লে নিশ্চয় হ'ব। মোৰ ফালৰ পৰা এইবাৰ কৈছো আৰু যদি এইটো বিহিত ব্যৱস্থা লয় । আমাৰ ফালৰ পৰা পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াম।

**মাননীয় অধ্যক্ষ ঃ** পিছৰ প্ৰশ্ন ৪৪. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় , উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়,মাননীয় মহোদয়ে জনোৱা মতে বৰ্তমান আমাৰ গোটেই অসমতে নিম্ন প্ৰাথমিক বিদ্যালয়ত বিশেষভাৱে শিক্ষকৰ পদ খালী আছে ৫৩৯৩ টা আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৪১২০ টা, প্ৰাদেশীকৃত উচ্চ ইংৰাজী বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ খালী হৈ আছে ৮৭৮ টা। সহ প্ৰধান শিক্ষকৰ পদ ২১৫ টা। সহ-শিক্ষক ১৪২৪৩ টা। সৰ্বমুঠ খালী আছে ১৫৩৩৬ টা। ঠিক তেনেধৰণৰ উচ্চতৰ মাধ্যমিক আছে ১৮২৭ টা। উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আছে ৫২৬ টা, সহ শিক্ষক, বিষয় শিক্ষক, নিৰ্দেশক এনেকৰি। তৃতীয় শ্ৰেণীৰ পদ নিম্ন প্ৰাথমিক বিদ্যালয়ত ৫৩৯৩ টা উচ্চতৰ প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীৰ আছে ৪১২০ টা । মুঠ ৯৫১৩ টা। ঠিক তেনেকৈ চতুৰ্থ শ্ৰেণীৰ পদ খালী হৈ আছে ১১৭৭ টা। ঠিক তেনেকৈ প্ৰাদেশীকিকৃত উচ্চ ইংৰাজী উচ্চতৰ মাধ্যমিক তৃতীয় শ্ৰেণীৰ পদ ৭৫০ টা। চতুৰ্থ শ্ৰেণীৰ ২০১৫ টা। সৰ্বমুঠ ২৭৬৫ টা। ঠিক তেনেকৈ উচ্চতৰ মাধ্যমিক আৰু উচ্চ মাধ্যমিকত আছে তৃতীয় শ্ৰেণীৰ ২৮ টা। চতুৰ্থ শ্ৰেণীৰ ১৬০ টা, ১৬৮ টা। এতিয়া যদি আমি চাবলৈ যাও এই গোটেই প্ৰাদেশীকৃত বিদ্যালয়ৰ এইটো চেংশ্যন হৈ থকা পোষ্ট। আমি এই আঢ়ৈ বছৰেই নহয়। বিগত বহুবছৰৰ পৰা এই পদ সমূহ খালী হৈ আছে। এই পদ খালী হৈ থকাৰ কাৰণে বিদ্যালয়সমূহত এটা অচল অৱস্থালৈ গতি কৰিছে। বিশেষভাৱে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইতিমধ্যে প্ৰশ্নৰ উত্তৰত জনাইছে যে মাজে মাজে তেওঁলোকে নিৰ্দেশনা দিছে খালী পদসমূহ পূৰণ কৰিবৰ কাৰণে। গতিকে মাজে মাজে যদি নিৰ্দেশনা দিছে কোনে এই নিৰ্দেশনা মানি চলা নাই। কাৰণ এইটো আজিৰ কথা নহয়। আজি ১০-১৫ বছৰৰ পৰা এই পদসমূহ খালী হৈ আছে। যদি নিৰ্দেশনাই দিছে তেনেহ'লে সেই নিৰ্দেশনা অনুযায়ী বিষয়াসকলে কাম কৰা নাই কিয় আৰু যদি বিষয়াসকলে কাম কৰা নাই তেতিয়াহ'লে ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে। এই সম্পৰ্কত মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট উত্তৰ বিচাৰিছো। বহু শিক্ষকৰ পদ খালী হৈছে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো খুব দৰকাৰী। কেইবাজনে হাত দাঙিছে। কিন্তু ১৫ মিনিট সময় আছে। সেই কাৰণে প্ৰশ্নসমূহ চুটি কৰিলে ভাল হ'ব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়,বুজাই নকলেও দিগদাৰ। বৰ জটিল। গোটেই চাৰিওফালে আন্দোলনৰ এটা অৱস্থা সৃষ্টি হৈছে। গতিকে মই কথাখিনি নক'লে বুজি পোৱাত টান হয়। সেই কাৰণে বুজাই কথাখিনি কৈ আছো। এতিয়া বহু ভেঞ্চাৰ স্কুল আপুনি জানে যে অসম শিক্ষক কৰ্মচাৰী ঐক্যমঞ্চই বিভিন্ন সময়ত বিভিন্ন আন্দোলনৰ কাৰ্য্যসূচী লৈছে। বেতনবঞ্চিত শিক্ষক সকলে আনকি আত্মজাহৰ নিচিনা কাৰ্য্যসূচীও লৈছে। সেইকাৰণে এই গুৰুত্ব সহকাৰে লব লাগিব। এতিয়া বহু স্কুল ভেঞ্চাৰ স্কুল হিচাপে এতিয়াও অসমত আছে। ইতিমধ্যে প্ৰাদেশীকৃত আইন ২০১৭ ত অনুমোদন হৈছে। গতিকে সেই নিয়ম অনুযায়ী যিখিনি স্কুল প্ৰাদেশীকৃত কৰিব পাৰে সেই বিদ্যালয়সমূহ প্ৰাদেশীকৃত নকৰাৰ যুক্তি কি? আৰু ইয়াত দিছে যে, এই বছৰতো কব নোৱাৰে যে এইবছৰতো প্ৰাদেশীকৃত হ'ব নে নহয়। এই ক্ষেত্ৰত এটা স্পষ্ট উত্তৰ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, যিমান পাৰে ব্ৰীফ কৰিব।

**শ্ৰী পল্লৱলোচন দাস, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী কলিতা ডাঙৰীয়াই ইতিমধ্যে গোটেই কথাখিনি কৈছে মই কৈছো যে আমি পদসমূহ পুৰণ কৰিব বিচাৰিছো। আমি কৈছো যে, প্ৰাথমিক পৰ্য্যায়ত শিক্ষক আমি নিযুক্তি দিব বিচাৰিছো। কিন্তু নিযুক্তি দিব যাওতে আমি ৯৫১৩ গৰাকী শিক্ষকৰ বিজ্ঞাপন উলিয়ালো। সেইখিনি কৰিব যাওতে সেইটো কোৰ্টলৈ কেছ গ'ল। কোৰ্টত কেছ যোৱাৰ কাৰণে সেই কোৰ্টৰ কেছ থকাৰ কাৰণে নিযুক্তি প্ৰাথমিক পৰ্য্যায়ত দিব পৰা নাই। ঠিক তেনেধৰণৰ মাধ্যমিক পৰ্য্যায়ত ৬২০০ শিক্ষক আছিলে যি কেইগৰাকীক আগতে নিযুক্তি দিয়া হৈছিল। তেওঁলোকক নিয়মীয়াকৰণ কৰিব লওতে তাত দুটা ভাগ হ'ল। সেই সময়ত সেই সকলো কোৰ্টত কেছ দিছে। এই কোৰ্টত দুটা কেছ থকাৰ কাৰণে নিযুক্তি প্ৰক্ৰিয়াটো স্থবিৰ হৈ গৈছে। কাৰণ আমি নিযুক্তি দিব পৰা নাই। তেওঁলোকৰ কোৰ্টত কেছ থকাৰ কাৰণে কোৰ্টৰ পৰা যদি ভাৰডিক্ট নাহে তেতিয়াহ'লে আমি নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব নোৱাৰো। আমি উপলব্ধি কৰিছো। আমি কৈছো যে, ইতিমধ্যে ৯৫১৩ গৰাকী আমি কৰিব বিচাৰিছো। তাৰোপৰি আমি amalgamation কৰিব বিচাৰিছো কিমান শিক্ষক ওলাব তাৰ আমি strength টো আমি পাম যে amalgamation কৰিলে এতিয়াৰ মতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যাটো কিমান ওলাব। তাৰ পাছত সেই নিযুক্তি প্ৰক্ৰিয়াটো তেতিয়া কৰিব গ'লে আমাৰ সুবিধা হ'ব। তৃতীয় পৰ্য্যায়ত service rule এটা বনাবলৈ দিছো। যাতে আমি rationalise কৰিব পাৰি। আপুনি যিটো কথা কৈছে যে, আমাৰ 1:26 য়ে আছে। কিন্তু কৰবাত বেছি শিক্ষক আছে। কৰবাত শিক্ষক কম আছে। আমি যদি সেইটোক rationalise কৰি দিব পাৰো। গোটেই অসমত তেতিয়া অসুবিধা নহয়। কিন্তু সেইটো কৰিব যাওতে আমাক এটা ব্যৱস্থা লাগিব। সেই কাৰণে আমি service rule ৰ ব্যৱস্থা কৰিব বিচাৰিছো আৰু লগতে আমি এই দুয়োটা নিযুক্তি প্ৰক্ৰিয়া কৰিবৰ কাৰণে amalgamation কৰি আমি গোটেই strength টো আনিব বিচাৰিছো আৰু তৃতীয়তে আমাৰ এই কোৰ্টৰ কেছ কেইটা হ'লে আমি গোটেই নিযুক্তি প্ৰক্ৰিয়াটো কৰিম। ঠিক তেনেধৰণে গ্ৰেড থ্ৰি, গ্ৰেড ফ'ৰৰ কথা কৈছে আৰু ইয়াত চৰকাৰী বিদ্যালয় সমূহৰ কথা আছে চৰকাৰী বিদ্যালয় সমূহক APSC য়ে নিযুক্তি দিয়ে সই কাৰণে আমি APSC লৈ পঠিয়াইছো সেই পোষ্টকেইটাৰ কাৰণে APSC য়ে কৰিব আৰু বাকী যিখিনি নিযুক্তি প্ৰক্ৰিয়া আছে গোটেইখিনি একেলগে সামৰি এটা নতুন ব্যৱস্থাৰ মাজেৰে নিযুক্তি প্ৰক্ৰিয়া কৰিব পাৰো। তাৰ কাৰণে আমি গোটেই পদক্ষেপখিনি লৈছো আৰু যিটো প্ৰাদেশীকিকৰণ আইনৰ কথা কৈছে তাৰ যিখিনি নতুন এক্টৰ মতে যিখিনি

কৰিবলগীয়া হ'ব। কাৰণ যিহেতু এই নতুন এক্টৰ আধাৰত আমি গোটেই জিলা সমূহৰ পৰা আমাৰ যিখন কমিটি আছে সেই কমিটি যে ৰিপোৰ্ট বিলাক পঠিয়াই ষ্টেট কমিটিয়ে গোটেইখিনি চাই চৰকাৰলৈ প্ৰেৰণ কৰিব। সেই প্ৰক্ৰিয়াৰ কামখিনি এতিয়াও চালি-জাৰি চাই আছে আৰু সেইখিনি কাম কৰি আছে, সেইখিনি সম্পূৰ্ণ হলে পৰৱৰ্তী পৰ্য্যায়ত বাকীখিনি কামো কৰিবৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, দ্বিতীয় চাপ্লিমেণ্টৰীটো হৈ লওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মধ্য ইংৰাজী বিদ্যালয়ৰ যিসকল বিজ্ঞানৰ শিক্ষক আছে সেই বিজ্ঞানৰ শিক্ষক সকলৰ সপ্তম বিত্ত আয়োগে তেওঁলোকক কিবা দৰমহাৰ বিষয়ে কিবা পৰমৰ্শ দিছে। গতিকে তেওঁলোকে ইতিমধ্যে যিটো পে' পাব লাগে সেইটো পে' ৰাজ্য চৰকাৰে দিয়া নাই বুলি কৈছে। গতিকে সেই পে'টো যিটো আমাৰ সপ্তম বিত্ত আয়োগে যিটো পৰামৰ্শ দিছে সেই পৰামৰ্শ অনুযায়ী দি থকা বুলি কৈছে গতিকে এতিয়া কিমান টকা বিজ্ঞানৰ শিক্ষক সকলক দিয়া হৈছে সেই কথাটো কব লাগে আৰু দ্বিতীয়তে যিটো টেট শিক্ষকৰ কথা কৈছে আজিৰ পেপাৰত পোৱা মতে সেইটো ভাৰডিক্ট ইতিমধ্যে আহিছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ 'ঙ' নং প্ৰশ্নৰ উত্তৰ।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** অধ্যক্ষ মহোদয়, কিছুমান অঞ্চল এনেকুৱা আছে, remote area। পাহাৰ অঞ্চল। সেইবিলাক অঞ্চলত আমাৰ প্ৰাথমিক বা মধ্য ইংৰাজী বিদ্যালয় আছে সেইবিলাকত এজনীয়া শিক্ষক আছে। বিভিন্ন কামত ব্যস্ত হৈ থাকে। সেইবিলাক ছাৰ এতিয়া বন্ধ হোৱাৰ উপক্ৰম হৈছে। এজনীয়া শিক্ষকৰ ঠাইত তেতিয়াহ'লে আৰু অতিৰিক্ত শিক্ষক দিয়াৰ ব্যৱস্থা কৰিবনেকি?

**শ্ৰীপল্লৱলোচন দাস, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় বিধায়ক গৰাকীৰ প্ৰশ্নৰ উত্তৰ আমি দিছো। seven pay commission recommendation মতে আমি দৰমহা দি আছো। যদি specific ভাৱে কোনোৱাই পোৱা নাই বুলি আমাক জনায় আমি স্পেচিক কেচটো চাই জনাম। য'ত এজনীয়া শিক্ষক আছে বুলি কৈছে সেই কাৰণে আমি গোটেই প্ৰক্ৰিয়াটো আনিব বিচাৰিছো য'ত শিক্ষকৰ সংখ্যা কম সেইখিনি আমি ইতিমধ্যে ফিল আপ কৰিবৰ কাৰণে গোটেই প্ৰক্ৰিয়াখিনি কৰিছো আৰু কম দিনৰ ভিতৰতে আমাৰ চাৰ্ভিছ ৰুলখনৰ amalgamation ৰ যিটো ডাটা সেইখিনি গোটেইখিনি আহিলে আমি গোটেইখিনি নিযুক্তি প্ৰক্ৰিয়াটো as per PTI norms মতে আমি কৰিবৰ কাৰণে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** দেৱানন্দ হাজাৰিকা।

**শ্ৰীদেৱানন্দ হাজৰিকা ঃ** কথাটো হ'ল মোৰ সমষ্টিত দুখন কলেজ আছে। provincialised already Pricipal post sanction নাই। কিন্তু এখন কলেজ যেতিয়া provincialised কৰা হয়, Pricipal post কিয় নিদিয়ে এই কথাটো মই বুজি নাপাও। ২০০৪ চনৰ পৰা vacancy বিলাক দেখুওৱা হৈছে কিন্তু ফিলআপ কৰাৰ কোনো পদক্ষেপ লোৱা দেখা পোৱা নাই। যেতিয়া এজন Teacher Retired হ'ব। ২০১৮ চনৰ ডিচেম্বৰত সেই post filled up কৰাৰ বাবে pre plan কিয় চৰকাৰে নকৰে। নকৰাৰ কাৰণে একোখন স্কুলত ১৬-১৭জনকৈ টিচাৰ ভেকেন্সী হৈছে। যদিও আমাৰ ইয়াত ৰেচিওৰ কথাটো কোৱা হৈছে কিন্তু ratio টো কেতিয়াও maintain নকৰে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে উত্তৰ দিছে যে, প্ৰায় ৯০০০ Teacher ৰ কাৰণে চেষ্টা কৰিছে।

কোৰ্টৰ কেচৰ বাবে pending হৈ আছে। মই ভাৱো কথাটো শুদ্ধ নহ'ব নেকি আপুনি যিটো শুধিছে।

**শ্ৰীদেৱানন্দ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোৰ্ট কেচ কিয় হ'ল। হেফ হেজাৰ্ড হৈছে সেই কাৰণে হৈছে। এই anomalies বিলাক দুৰ কৰোতে কিমান দিন লাগিব। present scenario ত আমি হালৰো নহ'লো জালৰাও নহ'লো কথাটো তেনেকুৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো আমি বুজিছো , we are worried । এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা Assembly এই বিষয়ে আমি কথা পাতিছো। আমাৰ যিবিলাক শিক্ষানুষ্ঠানত মহিলা , ছোৱালী আছে তেওলোকে ১০-১৫ কি.মি খোজকাঢ়ি আহিব লগা হয় । মই অধ্যক্ষ মহোদয় ক'ব খুজিছো - ছোৱালীখিনিক ইনটেৰিয়ৰত দি পেলাই ল'ৰাখিনিক যদি বাহিৰত লৈ আহো তেন্তে বেটী পঢ়াও বেটী বাচাও অভিযানটো সফল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এইটো বেলেগ question । ঠিক আছে - এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম ঃ** অধ্যক্ষ মহোদয়, ইয়াতে যিটো teacher shortage দেখুওৱা হৈছে। ইয়াত L.P , M.E , High School, Higher Secondary মিলাই ৩০,৩১২ টা পোষ্ট খালি বুলি দেখুৱাইছে কিন্তু এটা কথা মন্ত্ৰী মহোদয়ে কৈছিল যে, হাইস্কুলবিলাকত ratio টো হৈছে ১৭ঃ১ কিন্তু হাইস্কুলবিলাকত আছলতে ছাত্ৰৰ লগতে subject teacher জৰুৰী। কাৰণ যিহেতু ইয়াত যদি ছাত্ৰৰ বিপৰীতে টিছাৰ নাথাকে High School চলাব নোৱাৰে । সেই কাৰণে আমি ভাৱো যে যিখিনি কোৰ্ট কেচ হৈ আছে , কিছুমান post against court case হোৱা নাই। সেই খিনি কৰিব লাগে যিহেতু প্ৰভিন্সিয়েলাইজড কৰা কথাটো ১৫ August ৰ ভিতৰত কৰিব বুলি ৰাজ্য চৰকাৰে কৈছিল । কিন্তু ১৫ আগষ্ট পাৰ হৈ গ'ল এতিয়ালৈকে Time Plan দিব পৰা নাই। এইটো এটা Time Fixed কৰিলে ভাল। নহ'লে শিক্ষা জগতত এটা অনিশ্চয়তাত থাকিব ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়া

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয় মঙ্গলদৈ হায়াৰচেকেণ্ডেৰীত শিক্ষকৰ পোষ্ট খালি আছে।

**মাননীয় অধ্যক্ষ ঃ** --- মই আপোনাক এলাও কৰা নাই। বহক..বহক। ৩০১ নোটিচ দিব মই এলাও কৰিম।

**শ্ৰীপল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি ইতিমধ্যে কৈছো। যে আমি provincialisation যিটো কাম চলি আছে। সেইটো আমি জিলাসমূহৰ পৰা যিখিনি তথ্য- আগৰ এক্টখন নাইকীয়া হৈ নতুন এক্টমতে কৰিব লাগিব। নতুন এক্টমতে কৰিবলৈ যাওঁতে যিখিনি কাম কৰিবলগীয়া আছে তৃণমূল পৰ্য্যায়ত সেইখিনি গোটেই দুখন জিলাৰ পৰা ইতিমধ্যে আমি পোৱা নাই। সেইখিনি যেতিয়া গোটেইখিনি আহিব আমাৰ State Level Committee. গোটেইখিনি স্কুটনী কৰি পেলাই সেইখিনি চৰকাৰৰ ঘৰলৈ আনিব। চৰকাৰৰ ঘৰলৈ আমি বিত্ত বিভাগলৈ দিম তাৰ পিচত আমি নিযুক্তি প্ৰক্ৰিয়াটো আমি আৰম্ভ কৰিম। তেখেতে যেনেকৈ Sub-ject Teacher ৰ কথা কৈছে আমি জানো যে উচ্চ মাধ্যমিক পৰ্য্যায়ত আমি শিক্ষক দিব লাগিব চাবজেক্টৱাইজ। দেৱানন্দ হাজৰিকা ডাঙৰীয়াই কনচাৰ্ন কৰিছে। চাৰ সেই কাৰণে আমি ক'ব

বিচাৰিছো শিক্ষা বিভাগৰ এইটো অৱস্থা এদিনতে হোৱা নাই। যিখিনি কষ্ট আমি পাইছো সেইখিনি নিৰাময় কৰিবৰ কাৰণে আমি নতুন নতুন অভিনৱ পদ্ধতি কি কৰিব পাৰো সেই কাৰণে আমি নতুনSevice Rule ৰ ব্যৱস্থা , amalgamation ৰ ব্যৱস্থা, নতুন transfer policy ৰ ব্যৱস্থা ল'ব পৰা যায়নেকি আৰু কি কি কৰিব পৰা যায় আমি চেষ্টা চলাই আছো। যিমান কম দিনৰ ভিতৰত কৰিব পৰা যায় আমি চেষ্টা চলাই আছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। উৎপল দত্ত ।

**শ্ৰীউৎপল দত্ত ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , মন্ত্ৰী ডাঙৰীয়াই ক'লে যে লখিমপুৰ চৰকাৰী স্কুলত আজি ৫ বছৰ হৈ গ'ল । ১২ জন শিক্ষক নাই ।Principal নাই , vice Principal নাই। ৫টা sanctioned grade four পোষ্ট খালি আছে । এইখিনি appointment কিয় দিয়া নাই ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । ...... মই হাউচৰ পৰা এটা কথা জানিব বিচাৰিছো। আমাৰ Deputy Speaker ৰ পদৰ নিৰ্ব্বাচন আছে । গতিকে তেওঁৰটো আনিব লাগিব। এতিয়া পদ্ম হাজৰিকা ডাঙৰীয়া আৰু গুৰুজ্যোতি দাস ডাঙৰীয়া ।

**শ্ৰীপদ্ম হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই ব্যক্ত কৰিছে যে কিছু খেলি মেলি Education Department ত আছে। মই ইয়াৰ আগতেও নিকুমনি বৰা বুলি এগৰাকী শিক্ষয়ত্ৰী ৰূপহী সমষ্টিৰ কথা উল্লেখ কৰিছিলো। মই ইয়াৰ আগতেও ১ বছৰৰ আগতে বিধান সভাত উলিয়াইছিলো যে তেওঁ নিৰাপত্তাৰ অভাৱ অনুভৱ কৰিছে। মহিলা শিক্ষয়ত্ৰী ট্ৰেন্সফাৰৰ কাৰনে ব্যৱস্থা আছিলে কিন্তু এই কথাটো মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব খুজিছো যে ফাইলটো মন্ত্ৰীয়ে লিখি দিয়ে বিষয়াৰ হাতত কেনেকৈ হেৰাই যায়। ২ বছৰৰ পৰা ফাইল হেৰাইয়ে আছে। আজি ১০ মাহ আগতে মন্ত্ৰীয়ে লিখি দিছে কিন্তু ফাইল আকৌ হেৰাল। নিকুমনি বৰা , ৰূপহী সমষ্টিৰ জুৰীয়াত ৩ বছৰৰ ওপৰত তাত চাকৰি কৰি আছে, একেলগে appointment হোৱা বেলেগ শিক্ষয়ত্ৰী transfer হৈছে কিন্তু নিকুমনি বৰাৰ ফাইলটো কিয় হেৰাই যায় সেইটো পৰীক্ষা কৰি জনাব বুলি আশা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**ডাঃ নোমল মমিন ঃ** অধ্যক্ষ মহোদয়, আমাৰ পাহাৰীয়া জিলা দুখনত ২৭ টা হায়াৰ চেকেণ্ডেৰীত পোষ্ট খালি আছে।

**মাননীয় অধ্যক্ষ ঃ** উই উইল ডিচকাচ হিলছ ডিষ্ট্ৰিক্ট অন ফিফ্‌থ । এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মঙ্গলদৈ হায়াৰ চেকেণ্ডেৰীত বহুখিনি টিছাৰ পোষ্ট খালি আছে সোনকালে appointment দিব লাগে। লগতে গ্ৰেড- ফোৰ কিছু দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । লাষ্ট কোৱেশ্যন কৃপানাথ মাল্লা। কোৱেশ্যন নং- ৪৫

**শ্ৰীকৃপানাথ মাল্লা ঃ** অধ্যক্ষ মহোদয়, আমাৰ এটা Sub Division । মই নিউ creation বাবে কোৱেশ্যন কৰিছিলো। আগৰ কমিটি কেনচেল কৰি নতুন কমিটি কৰা বুলি কৈছে। New proposal আকৌ পঠিয়াব লাগিব নেকি নে আগৰ proposalটোৱে examine কৰি দিব।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো এনেকুৱা হৈছিল আমাৰ যে ৰাটাৰ ৰিচ'ছৰ যিখিনি ডিভিজন- Sub Division কিছু reorganised কৰিব লাগে। তাৰ কাৰনে কমিটি কৰি দিয়া হৈছিল। আগৰ চেয়াৰমেনজন নোহোৱা কাৰণে অন্যChairman দিয়া হৈছে , proposal অনা হৈছে। তেখেতসকলক আৰু তথ্য পাতি আনিবলৈ দিয়া হৈছে। অন্য ঠাইতো আছে গতিকে আমি নিশ্চয় সোনকালে কৰিব পাৰিম।

**শ্ৰীকৃপানাথ মাল্লাহ ঃ** এটা প্ৰশ্ন কৰিছিলো, এখেত সকলে কমিটিত আগত আছিলে সেইটো cancel হ'ল আৰু এটা নতুন কমিটি হৈছে। এতিয়া আকৌ হ'ব, এতিয়া কি হ'ব সেইটো আহাৰ কাৰণে, আমাক ক'ব যে আকৌ view পঠাব লাগে ৰাইজৰ calculation কৰি, এইবিলাক কিয় দিব?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই বিষয়টো এনেকুৱা হৈ আছে যে আমাৰ water resources ৰ যিখিনি division, sub-division সেইটো reorgansied কৰিব লাগে। তাৰ কাৰণে কমিটি কৰি দিয়া হৈছিল, আগৰ Chairman জন অহা নাছিল কাৰণে অন্য Chairman দিয়া হৈছে, Proposal ও লোৱা হৈছে আৰু তেখেত সকলৰ তাৰ পৰা আৰু তথ্যপাতি আনিবলৈ দিয়া হৈছে। আমি নিশ্চয় আৰু অন্য এটা sideও আছে, গতিকে এই কামখিনি আমি সোনকালে কৰিব পাৰিম। ধন্যবাদ।

**শ্ৰী গুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ ডাঙৰীয়া।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** চাৰ, চাৰ।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** চাৰ, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** মই সকলকে সময় দিম, এজন এজনকৈ ঠিয় হ'ব। সকলোৱে বহক, এক মিনিট, কিয় আপোনালোকে ঠিয় হয়? Houseটো চলাবলৈ দিয়ক। মই কৈছো সকলোৱে ক'ব পাৰিব, কেৱল নিজৰ নিজৰ ঠাইত হাতখন দাঙিলে হ'ল। গুৰুজ্যোতি দাস হাতখন দাঙিছে নে নাই আপুনি, বহক। এক, দুই, তিনি, চাৰি, পাঁচ, ছয়, সাত জন। এতিয়া Point of Order allow হ'ব, বাকীবিলাক 301 Notice ত যাব। এতিয়া গুৰুজ্যোতি দাস কওঁকচোন আপোনাৰ কথাটো কি?

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ৰাতি নৰ্বৈ নদীয়ে মোৰ সমষ্টিত।

**মাননীয় অধ্যক্ষ ঃ** Why are you not submit the notice today? মোক ৰাতিপুৱা ৯.০০ বজাৰ আগত noticeখন নিদিলে কিয়?

**শ্ৰীগুৰুজ্যোতি দাস ঃ** মন্ত্ৰী মহোদয়ক।

**মাননীয় অধ্যক্ষ ঃ** এইটো আপুনি পিছত মন্ত্ৰী মহোদয়ৰ লগত কৰিব। কালি কৰিব, ঠিক আছে, this is important আৰু ৰাতিপুৱা ৯ বজাৰ আগতে কেতিয়াবা এনেকুৱা নহয়, মই কেতিয়াবা discretion নকৰি সহায় কৰি দিম, যদি পাৰো। ঠিক আছে, এতিয়া কমলেক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়, আমাৰ National Highway 6 আৰু 37 ৰ Strike চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো কেনেকৈ হ'ব please, please, you give me notice.

**শ্ৰী আব্দুল খালেক ঃ** চাৰ, Zero Houre Notice দিবলৈ Paper Cut লাগে বা Electronic.

**মাননীয় অধ্যক্ষ ঃ** নালাগে, আজি কালি বাদ দিছো নহয়।

**শ্ৰী আব্দুল খালেক ঃ** চাৰ, কথাটো কৈ লওঁ। কালি চাৰ, এটা TV Channel ৰ Talk Show চাইছিলো দেৱনন্দ হাজৰিকা ডাঙৰীয়াও আছিল, আনোৱাৰ হুছেইন লস্কৰ ডাঙৰীয়াও আছিল। তাত এটা নিদাৰুন দৃশ্য দেখুৱাইছিল, চতিয়াত শিশুবিলাক।

**माननीय अध्यक्ष ঃ** নাই, নাই এইটো you give the notice. I will allow any thing in 301, today none. Today, I have seen in the News Paper, so allow me give it. আজি এটা ওলাইছে পেপাৰত চাব আপুনি। শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়া কিবা আছিলে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** চাৰ, মই Point of Order টো Regarding Unstarred Question No. 112. চাৰ, ইয়াত মোৰ প্ৰশ্নটো আছিলে, যে বৰপেটা জিলাৰ Is it ture that many teacher of Barpeta district are serving in schools outside the district and many of them are willing to serve in schools under Mandia Block? Sir, উত্তৰটো আহিলে No such information is available in this Department. How it is? Sir, প্ৰত্যেকজন শিক্ষকৰ detailed forwrding address Department ত থাকে। আজিকালি online departmentally reports কোন কোন শিক্ষক বৰপেটাৰ বাহিৰত চাকৰি কৰি আছে, সেই তথ্য বিভাগত কিয় নাথাকিব? চাৰ দ্বিতীয়তে, মই যোৱা ফেব্ৰুৱাৰী মাহতে কৈছিলো, তেনেকুৱা প্ৰায় ১০০ জনমান শিক্ষকৰ এটা তালিকা বনাই মন্ত্ৰীৰ যোগেদি বিভাগলৈ পঠিয়াইছিল, মন্ত্ৰীয়ে ফোন কৰি কৈছিলে যে অন্ততঃ। আজিৰ মন্ত্ৰীয়ে কৈছে বিভিন্ন কাৰণত transfer কৰিব নোৱাৰে, যদিও কথাবোৰ শুদ্ধ নহয়, অন্ততঃ বৰপেটা জিলাত যিকেইজন শিক্ষক মোৰ সমষ্টিত serve কৰিবলৈ, সেৱা আগবঢ়াবলৈ ইচ্ছুক সেইমানুহ কেইজনক তৎক্ষণাত আনি দিয়ক। আজি চাৰ, আপুনি চাইছে উত্তৰ দিছে যে 32 contractual applicant teachers 6 nos. has been found eligible for transfer considering PTR norms of the respective schools. The matter is under process. শিক্ষা ব্যৱস্থা আজি প্ৰত্যেকজন সদস্যই Concern.

**माननीय अध्यक्ष ঃ** আপোনাৰ কথাটো, নাই, নাই, ঠিক আছে।।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** ৬ মাহ পাৰ হৈ গ'ল under process, what is this?

**माननीय अध्यक्ष ঃ** আপুনি শুনক, আপুনি যিখিনি প্ৰশ্ন দিছিলে তাৰ যিখিনি উত্তৰ বিচাৰিছে সেইখিনি specific পোৱা নাই।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** ভুল উত্তৰ দিছে।

**माननीय अध्यक्ष ঃ** কি পোৱা নাই, ভুল-শুদ্ধ পিছত হ'ব। মই আপোনাৰ ভুল-শুদ্ধ পিছত চাম। কিন্তু আপোনাক মই এটা কথা কৈছো, আপুনি অকমান বহক, মই এইটো কথা কৈছো আমাৰ এইবিলাকত সকলোৱে, যোৱাবাৰ আপুনি Privilege আনিছিলে, আনা নাই জানো? Every thing is your right. এতিয়া কথাটো হৈছে কি, কেতিয়াবা এনেকুৱা হয় আমাৰ সদস্য সকলেও গোটেই অসমৰ, এই কামটোত কিমান, কোন কোন ঠিকাদাৰে কাম কৰিছে public ৰ লগত, গোটেই অসমৰ ঠিকাদাৰৰ লিষ্টখন আমাক, সদস্য সকলক কিয় লাগে? আপোনাৰ কথাটো মই কোৱা নাই। কেতিয়াবা কেতিয়াবা এনেকুৱা হৈছে, হয় আমাৰো সুবিধা হৈছে। আমি কেতিয়াবা নিজৰ জিলা খনৰ, নিজৰ সমষ্টিৰ কথাটো specific বিচাৰিব পাৰো। কিন্তু, আমি গোটেই অসম বুলি কৈ দিয়াৰ লগে লগে বিষয়া সকলেও মোৰ তালৈ আহি কয়, চাৰ এইটো দিবলৈ অসুবিধা, এইটো কয়, এইটো মিছা কথাও নহয়। সেইকাৰণে আপুনি যিটো কথা ক'লে, আপুনি যদি লিষ্ট এখন দিছে, সেই লিষ্টখন চাই যদি তেওঁলোকে শুদ্ধভাৱে একো কৰা নাই, আপুনি সেই বস্তুটো you give me specific and I will help you.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** চাৰ, এটা কথা মই যোগ দিব বিচাৰিছো, তেনেকুৱা ক্ষেত্ৰত আপুনি যিটো বিষয় কৈছে, আমাৰ উত্তৰ আহে The information is being collected. মই সুধিছিলো বাহিৰত থকা শিক্ষকৰ পৰিসংখ্যা। তেওঁলোকে চিধা উত্তৰ দিছে no information is available.

**মাননীয় অধ্যক্ষ ঃ** You have raised the point.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** চাৰ, এই প্ৰৰনতাটো এৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** You have raised the point. শ্ৰীৰূপজ্যোতি কুৰ্মী আপোনাৰ কিবা আছিলে নেকি?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হ'ল গুণোৎসৱ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষকৰ বিভিন্ন বিদ্যালয়ত যিটো নাটনি।

**মাননীয় অধ্যক্ষ ঃ** নাই, এইটো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** গুণোৎসৱটো তেনেকুৱাকৈ এইবাৰ পাতিব নেকি তাকে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Star Questionৰ ৫৮ নম্বৰ যিটো প্ৰশ্ন আছিলে, তাৰ উত্তৰত।

**মাননীয় অধ্যক্ষ ঃ** কিমান নম্বৰ?

**শ্ৰী নুৰুল হুদা ঃ** চাৰ, ৫৮ নম্বৰ। প্ৰশ্নৰ উত্তৰত পালো জুৰিয়া আদৰ্শ বিদ্যালয়ত ৫ জন শিক্ষক লাগে আৰু এই ৫ জন শিক্ষকৰ ফলত এতিয়া মাত্ৰ চাৰ ২ জন শিক্ষক আছে। এজন Principal আৰু এজন শিক্ষক। নিযুক্তি দিয়াৰ কথাটো কৈছে।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰ কি দিলে?

**শ্ৰী নুৰুল হুদা ঃ** নিযুক্তি দিয়াৰ কথা কৈছে, যোগদান কৰা নাই। আজি এই নিবনুৱা সমস্যাই তৎবজাই থকাৰ সময়ত, নিযুক্তি পোৱাৰ পিছত যোগদান কৰিব যোৱা নাই, এই কথাটো অলপ doubt আছে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, doubt টো আপুনি clear কৰি ল'ব। যদি ভুল তথ্য পাইছে মোক আহি ক'ব।

**শ্ৰী নুৰুল হুদা ঃ** মই চাৰ অনুৰোধ কৰিছো, এখন বিদ্যালয় আদৰ্শ বিদ্যালয়, নাম হ'ল আদৰ্শ বিদ্যালয়।

**মাননীয় অধ্যক্ষ ঃ** এই কথাখিনি আলোচনা হৈ আছে। নুৰুল হুদা ডাঙৰীয়া আপুনি কৈছে যে আপোনাৰ তাত যিকেইজন নিযুক্তি দিছিলে, তেওঁলোকে join কৰা নাই বুলি কৈছে, আপোনালোকে এইটোত doubt কৰিছে এইটো সচানে মিছা, সত্যনে অসত্য। গতিকে আপুনি সেই কথাটো specially এটা note মোক দি দিব, মই মাতি আনিম, সচানে মিছা। Next ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি কেবিনেটে আমাৰ ৰীমা দাস যিখন কথাছবি আমাৰ বিশেষকৈ।

**মাননীয় অধ্যক্ষ ঃ** সাহাৰ্য্য দিলে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** কালি ৫০ লাখ টকা ৰীমা দাসলৈ দিয়াৰ সিদ্ধান্ত লোৱাত আৰু যিখন

চিনেমা সেইখনৰ ৫০ শতাংশ কৰ ৰেহায় দিয়াৰ বাবে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এইটো আমাৰ Houseৰ সকলোৱে বিচাৰিছিল, We are also thankfull to the Govt. of Assam to Chief Minister particularly. তেখেতে সেইদিনা ইয়াত কৈছিলে যে এইটো কৰিম। গতিকে সেইটো ভাল হ'ল আৰু ৰেকিবুদ্দিন আহমেদো নিশ্চয় সুখী। ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া মই আপোনাকে কৈছো, আপুনি বহক। আপুনি সুখী, আপোনাৰ কথা শুনিছে। এতিয়া শ্ৰী চাহাবুদ্দিন আহমেদ।

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** আগতে Serve কৰা নাছিল, মই কোৱাৰ পিছতহে হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Everybody are agreed this, including Rekibuddin Ahmed.

**শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ** এতিয়া ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি announce হে কৰি দিলে, গতিকে মোৰ ভাল লাগিল। এতিয়া শ্ৰী চাহাবুদ্দিন আহমেদ।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মই Supplementary question ত হাত দাঙিছিলো চাৰ, Scince Streamলৈ। মোৰ সমষ্টিত দুখন কলেজ, এখন ধুবুৰী জিলাত এখন গোৱালপাৰা জিলাত।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কি? কিবা প্ৰশ্ন আছে নেকি আপোনাৰ?

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** এই দুখন কলেজত Scince Stream লাগে। মোৰ সেই দুখন কলেজত Drop কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো পিছত দিম। This is not the Point of Order. ঠিকে আছে, এতিয়া আমি Zero Hourলৈ যাম। মই Zero Hourৰ এটা প্ৰশ্ন দেখিলো দুয়ো জনৰ প্ৰায় একেই। সেই কাৰণে মই দুয়োজনকে club কৰি দিছো। এতিয়া শ্ৰীৰূপজ্যোতি কুৰ্মী। অলপ অসুবিধা হৈ আছে যদি, ঠিক আছে he went to out. আমি তেওঁক allow কৰিছো next question দি দিম, এটা exceptionহে। এতিয়া যাওঁক আৰু এনেকৈ নাযাব। যেতিয়া Zero Hourৰ notice দিব, মানুহকেইজন ওলাই নাজাব, please. এতিয়া মাননীয় সদস্য, শ্ৰী চাহাবুদ্দিন আহমেদ আৰু আব্দুল ৰহিম আজমল ডাঙৰীয়াই এটা Notice দিছিলে , সেই Notice ৰ ওপৰত মই কবৰ কাৰণে মই অনুৰোধ কৰিছো। অলম চুমুকৈ কব।

**শ্ৰী চাহাবুদ্দিন আহমেদ ঃ** মাননীয় অদ্যক্ষ মহোদয়, যোৱা অসমীয়া প্ৰতিদিন কাকতত ২৩ ছেপ্তম্বৰ তাৰিখে সংবাদমেলত 'মাদ্ৰাছা বচাও আন্দোলন'ৰ নেতৃবৃন্দৰ অভিযোগ মাদ্ৰাছা শিক্ষানুষ্ঠান ধ্বংসৰ ষড়যন্ত্ৰত নামিছে ৰাজ্য চৰকাৰ ৰাজ্যজুৰি গণ আন্দোলন গঢ়ি তোলাৰ হুকাৰ চৰকাৰী পৰ্যায়ত মাদ্ৰাছা শিক্ষাক ধবংসৰ পৰিকল্পিত ষড়যন্ত্ৰক লৈ তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে 'মাদ্ৰাছা বচাও আন্দোলন' শীৰ্ষক সংগঠনটোৱে। শীঘ্ৰ মাদ্ৰাছা শিক্ষাৰ শিক্ষানুষ্ঠানসমূহৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ আঁতৰ কৰি পুনৰজ্জীৱিতকৰণৰ ব্যৱস্থা নকৰিলে ৰাজ্যজুৰি ব্যাপক গণ আন্দোলন গঢ়ি তোলাৰ হুকাৰ দিয়ে সংগঠনটোৰ নেতৃবৃন্দই। আজি দিশপুৰ প্ৰেছ ক্লাৱত আয়োজিত এখন সংবাদমেলত সংগঠনটোৰ সভাপতি মৌলানা চৌধুৰী উচামা মৰৰুৰে কয় যে বিগত কিছু বছৰ ধৰি অসমৰ শিক্ষা খণ্ডৰ পৰিবৰ্তনৰ সূচনা হোৱাৰ বিপৰীতে মাদ্ৰাছা শিক্ষা ক্ৰমাৎ ধ্বংসৰ মুখলৈ গতি কৰিছে। যোৱা ২০ বছৰ ধৰি শিক্ষক নিযুক্তি নোহোৱাত ৰাজ্যৰ চৰকাৰী মাদ্ৰাছাসমূহৰ সৈক্ষিক পৰিৱেশ দিনে দিনে নিম্নগামী হৈ গৈ আছে। ৰাজ্যৰ সিংহভাগ মাদ্ৰাছা সিক্ষা প্ৰতিষ্ঠান বৰ্তমান এজন বা দুজন শিক্ষকৰ দ্বাৰা চলি আছে। বিশেষভাৱে এফ এম আৰু এম এম ইত্যাদি বিভিন্ন স্তৰৰ শিক্ষকৰ অভাৱত

মাদ্ৰাছা শিক্ষাৰ মূল উদ্দেশ্য ব্যাহত হৈছে। আশ্চৰ্যজনক ভাৱে এনে পৰিস্থিতিৰ পিচতো চৰকাৰে মাদ্ৰাছা শিক্ষাৰ উন্নয়নৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই বুলি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি মৰৰুৰে কয়- ‘মাদ্ৰাছা শিক্ষক নিযুক্তিৰ বাবে ২০১৫ চনৰ জানুৱাৰী মাহত অসম চৰকাৰে টেট অনুষ্ঠিত কৰিছিল। কিন্তু এনে টেট অনুষ্ঠিত কৰাৰ পিচতো ৰহস্যজনকভাৱে যোৱা তিনি বছৰে মাদ্ৰাছাৰ খালী পদসমূহ পুৰণ নহ’ল। যোৱা বিধান সভা অধিৱেশনত পূৰ্বৰ শিক্ষা মন্ত্ৰী হিমন্তবিশ্ব শৰ্মাই মাদ্ৰাছাৰ ২৯৬ টা পদৰ বিপৰীতে প্ৰাৰ্থী নিৰ্বাচন কৰা বুলি ঘোষণা কৰাৰ পিচতো এতিয়ালৈকে নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ নহ’ল। উচ্চ ন্যায়লয়ৰ গোচৰৰ গইনা লৈ চৰকাৰে শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াটো স্থবিৰ কৰি ৰাখিছে। এই সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰি মৰৰুৰে কয় যে উচ্চ ন্যায়লয়ে প্ৰায়ে বিভিন্ন নিয়োগ সম্পৰ্কীয় গোচৰ সমূহ বিচাৰ কৰে। কিন্তু মাদ্ৰাছাৰ ক্ষেত্ৰত ইমান দীৰ্ঘ সময়ৰ কিয় প্ৰয়োজন হয়। আচলতে চৰকাৰৰ সদিচ্ছাৰ অভাৱতেই গোচৰসমূহৰ বিচাৰ প্ৰক্ৰিয়া দীঘলীয়া হৈ গৈ থাকে। যাৰ গইনা লৈ মাদ্ৰাছা শিক্ষক নিযুক্তিৰ বিষয়টোৰ ক্ষেত্ৰত চৰকাৰে হোঁহকা-পিছলা নীতি গ্ৰহণ কৰি আছে। সংবাদমেলত উপস্থিত থাকি মাদ্ৰাছা বচাও আন্দোলনৰ উপ-সভাপতি মুস্তাফা কামালে কয় যে চৰকাৰে পৰিকল্পিত মাদ্ৰাছা শিক্ষা ধ্বংশ কৰাৰ ষড়যন্ত্ৰ চলাইছে। মাদ্ৰাছা শিক্ষকৰ প্ৰতি চৰকাৰৰ সংবেদনশীল মনোভাৱ নাই। উল্লেখ্য যে চৰকাৰে শীঘ্ৰেই মাদ্ৰাছা শিক্ষানুষ্ঠানত শিক্ষক নিযুক্তিকে ধৰি অন্যান্য সমস্যাসমূহ দূৰ নকৰিলে ৰাজ্যজুৰি গণ আন্দালন গঢ়ি তোলা হ’ব বুলি সংবাদমেলত ঘোষণা কৰে মাদ্ৰাছা বচাও আন্দোলনৰ কৰ্তৃপক্ষই। মাননীয় অধ্যক্ষ মহোদয়, Sentinal Paper ত এইখিনি কথায়ে ওলাইছে গতিকে আমি আশা কৰিছো, চৰকাৰে মাদ্ৰাছা শিক্ষা এনেকুৱাকৈ অবহেলা কৰাটো আমি অতি দুখ পাইছো। মোৰ সমষ্টিত এখন মাদ্ৰাছা আছে, কাটচাৰ চিনিয়োৰ মাদ্ৰাছা ১৯২৭ চনত তাত ২০ জন শিক্ষক আছিলে তাত মাত্ৰ ৭ জন শিক্ষক আছে,গুণিয়ালগুৰি টাইটেল মাদ্ৰাছা আদি বিভিন্ন মাদ্ৰাছাত য’ত শিক্ষক ১০জন কৈ থাকে তাত কৰোৱাত ৩জন কৰোৱাত ৪জনকৈ আছে, এনেকৈ দুৰৱস্থাৰ মাজত মাদ্ৰাছাবোৰ চলি আছে। চৰকাৰে অতি শীঘ্ৰে আমি অনুৰোধ কৰিছো, আপোনাৰ জৰিয়তে যাতে অতি শীঘ্ৰে ব্যৱস্থা সমূহ পুৰণ কৰি মাদ্ৰাছা শিক্ষা পুনৰ জাৱিত কৰি আমাৰ মাদ্ৰাছাৰ পৰিৱেশ উন্নত কৰে। যোৱা বিধান সভাত আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াই কৈছিলে হিমন্তবিশ্ব শৰ্মা ডাঙৰায়াই কৈছিলে মাদ্ৰাছাত কোনো General শিক্ষা প্ৰদান কৰা নহয় ।এইটো এটা ভূল তথ্য দিছিলে। কিন্তু Senior মাদ্ৰাছাত গোটেইখিনি Subject আছে। গতিকে Senior মাদ্ৰাছাত Senior এ ফ এম লৈকে পঢ়া হয়। এফ এম পাছ কৰাৰ পিছত এজন লৰা-ছোৱালীয়ে ডাইৰেক্ট মেট্ৰিকৰ নিচিনা সম পৰ্য্যায়ৰ চাৰ্টিফিকেট পায় আৰু তেখেতে কলেজত নাম লগাব পাৰে। গতিকে সেইখিনি ক্ষেত্ৰত যিবিলাক গইনা লৈ আমাৰ মাদ্ৰাছা বিলাক ধ্বংস কৰাই এইটো মাদ্ৰাছা শিক্ষঙ্গ জগতৰ পৰিতাপ বা দুখৰ বিষয় হব। গতিকে মাননীয় অধ্যক্ষ মহোদয় বৰ্তমান শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে মাদ্ৰাছা বাচাও আন্দোলনৰ প্ৰতি গুৰুত্ব সহকাৰে যাতে দৃষ্টি নিক্ষেপ কৰে আৰু আমাৰ মাদ্ৰাছা সকলৰ ২৯৬ টা পোষ্ট খালী হৈ আছে টেট পৰীক্ষা যিহেতু পতা হৈছে, ৰিজাল্টও দিয়া হৈছে কি ভিত্তিত এই বিলাক এপইন্টমেণ্ট দিয়া নহয়। কিন্তু তেখেত সকলে কয় হাইকোৰ্ট হৈছে, হাইকোৰ্ট যদি হৈছে, চৰকাৰে কিয় চৰকাৰৰ ফালৰ পৰা উকীল নিয়োগ কৰি এই বিলাক সমাধান কৰা নাই। ইয়াৰ গাফিলতি কি চৰাকাৰে যদি নোৱাৰে আমাৰ মাদ্ৰাছা কৰ্তৃপক্ষক দিয়ক আমি ৰাইজে এই বিলাক কেছ মুখামুখি কৰিম। মাদ্ৰাছাৰ শিক্ষাখন পৰিপূৰ্ণ কৰাৰ চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, যাতে মাদ্ৰাছা বোধ আন্দালনৰ শিক্ষক বিন্দ সকলে ৰাইজে যাতে গণ আন্দালন কৰিব লগীয়া নহয়

তাৰ প্ৰতি লক্ষ্য ৰাখি মাদ্ৰাছাৰ শিক্ষা পুনৰ জীৱিত কৰি অসমৰ মাদ্ৰাছা শিক্ষা স্বাৰ্থত ছাত্ৰ-ছাত্ৰী সকলক যাতে ভৱিষ্যত সু নাগৰিক হোৱাৰ বাবে সহায় আগবঢ়াই মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**Abdul Rahim Ajmal :** Respected Speaker Sir, it was reported that Madrasas are gaskin for life. Sir, I want to explain that the modernization of Madrasas is widely accepted. But this kind of infrastructure that the teacher would not be provided by the Govt., how can we think of modernizing or doing better of the Madrasa education. One more thing, I, would like to point that in some Madrasas 300 to 600 students against the per teacher is there. So, how can the Madrasa education, the Govt., wants to be modernized the Madrasa education. But we are not say that Govt. is not helping and doing to accomplish the Govt. dreams. Lastly, I want to say about the anti-social activities. some of them as we all have as a member we all have to understand as the people of Assam and the people of India, we have to understand that any kind of anti-social elements if there is found and if any of the student of Madrasa, we also support strict action should be taken against that Madrasa or the student of that Madrasa. But I, would like to request everyone that Sir, if a College or University student doing something anti-social or something wrong, so in that context you cannot blame all the University for that, you cannot say that every student of that university is creating such and student who are doing such anti-social activities. So why it seems to be exception in Madrasas. In any corner of the country if some Madrasas or some students have done anti-social activities but all the Madrasas have been blame for this. I want to request to everyone here and Sir, I request everyone to put a thought in this matter and we should stopped blaming every other Madrasas in the country. And last but not least, Sir, I would like to address that the Jamiet-Ulema-in-Hind. Sir, this was created by the Ulema graduates and we should not forget that they played a very big role i.e., all the Madrasas graduates played a very big role in freedom of this country

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী Education.

**শ্ৰী পল্লৱলোচন দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শুন্যকালীন ঘণ্টাত যিখিনি তেখেতে দৃষ্টি আকৰ্ষণ কৰিছে চৰকাৰৰ আমি তাৰ কথাখিনি উপলব্ধ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসমত

যিটো মাদ্ৰাছাৰ সংখ্যা চিনিয়ৰ মাদ্ৰাছাৰ পৰা আৰবী মাদ্ৰাছাৰ কলেজক লৈ ৪০১খন আমাৰ মাদ্ৰাছা ইয়াত আছে। আমাৰ উক্ত মাদ্ৰাছা সমূহত এতিয়ালৈকে শিক্ষকৰ পদখালী হৈ আছে। ইয়াত আমাৰ তথ্য অনুসৰি ৫১৮গৰাকী। কিন্তু অধ্যক্ষ মহোদয়, তেখেতে যিটো বিষয় কৈছে, মাদ্ৰাছা সমূহত কিয় আমি নিযুক্তি দিব পৰা নাই। নিযুক্তি নিদিয়াৰ কাৰণ সমূহ কি কি ? নিযুক্তি নিদিয়াৰ কাৰণ সমূহ হৈছে প্ৰথমতে যেতিয়া টেট নোহোৱাৰ আগতে ইয়াত এটা প্ৰক্ৰিয়া চলিছিল নিযুক্তি প্ৰক্ৰিয়া। সেই নিযুক্তি প্ৰক্ৰিয়া সাক্ষাৎকাৰ২০১২/২০১৩ চনত লৈছিলে। সেইটো কোৰ্টত গৈ কোৰ্টে কলে যে সেই প্ৰক্ৰিয়াটো নতুনকৈ টেট Recruitment জড়িয়তে এই গোটেই Recruitmentprocess টো কৰিব লাগে। তাৰ পিছত টেটৰ পৰীক্ষা দিয়াৰ কাৰণে ব্যৱস্থা কৰা হল। টেটৰ জড়িয়তে আমি ২০হাজাৰ ২শ এগৰাকী পাৰ্থীক বাচনি কৰা হল। যি সকল Non TET আছিল, ননটেট সকলক গৈ তেওঁলোকে গোচৰ ৰুজু কৰিলে। গোচৰ ৰুজু কৰাৰ বিনিময়ত এই গোটেই প্ৰক্ৰিয়াটো স্থবিৰ হৈ গ'ল। ঠিক তেনেধৰণে মাদ্ৰাছাৰ ওপৰত যোল্লটা কেচ আছে আৰু এই যোল্লটা কেচ থকাৰ কাৰণে ইয়াত উচ্চন্যায়ালয়ে এটা আদেশও কৰিলে। শিক্ষা বিভাগৰ ষ্টণ্ডিং কাউন্সিল আৰু বিৰোধী পক্ষত যিজন উকীল আছিলে ক'লে যে গোটেই কেচখিনি আপোনালোকে ক্লাব কৰি, একত্ৰিতকৰণ কৰক। যাতে সোনকালে কেচটো মীমাংসা কৰিব পাৰি তাৰ বাবে ব্যৱস্থা বা পদক্ষেপ ল'বলৈ কৈছে। আমি গোটেই প্ৰক্ৰিয়াটো কৰি আছে। কিন্তু যেতিয়ালৈকে এই গোচৰ সমূহ মীমাংসা নহ'ব তেতিয়ালৈকে আমি এই গোটেই প্ৰক্ৰিয়াটোত যাব নোৱাৰিম। আমাৰ ফালৰ পৰা সকলোখিনি পদক্ষেপ আমি লৈ ৰাখিছো। যেতিয়া প্ৰক্ৰিয়াতো নিস্পত্তি হ'ব তেতিয়া লগে লগেই আমি নিযুক্তিৰ ব্যৱস্থা কৰিব পাৰিম। সেইকাৰণে মাননীয় সদস্য গৰাকীক কৈছো, আপুনিও আইন প্ৰনয়ন কৰে, আপুনিও যিসকল আইনৰ নিয়মত পৰে তেওঁলোকৰ লগত কথা পাতি কেচখিনি উঠাই লবলৈ কওঁক। মাদ্ৰাছাখিনিৰ ভৱিষ্যতৰ কাৰণে ল'ৰা-ছোৱালীখিনিৰ ভৱিষ্যতৰ কাৰণে -- আপোনালোকে চাকৰি পোৱা-নোপোৱাতো ডাঙৰ কথা নহয়। আপোনালোকে সহযোগ কৰক। তেনেকুৱা যদি আপোনালেকে পদক্ষেপ লয় আমাৰ কাৰণে ভাল কথা হ'ব। তেতিয়া আমি বুজিম যে আপোনালোকৰ সদ্‌ইচ্ছা আছে যে - মাদ্ৰাছাৰ যিসকল ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে যাতে ভালদৰে শিক্ষা গ্ৰহণ কৰিব পাৰে। কিন্তু যদি মুষ্টিমেয় কেইজনমান শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়াত লাগি থকা হয় তেতিয়া হ'লে ছাত্ৰ-ছাত্ৰী সকলে নিশ্চয় কষ্ট পাব। সেই কাৰণে যি যোল্লটা কেচ আছে সেই কেচ কেইটাৰ বাবে আমাৰ বিভাগৰ ফালৰ পৰা আমি কেচসমূহৰ প্ৰতুত্তৰ হিচাপে এতিয়ালৈকে ষ্টেণ্ডিং কাউন্সিলত আমাৰ গোটেই মানুহ ন্যায়ালয়ত গৈ থাকে, আমি লাগিয়েই আছো। কেচ দিয়া মানুহখিনিৰ লগত আপোনালোকে বহি কথা পাতি কেচখিনি উঠাই লওঁক। তেতিয়ালৈকে আমাৰ গোটেই প্ৰক্ৰিয়াটো শেষ হৈ যাব আৰু আমি নিযুক্তি প্ৰক্ৰিয়াতো আৰম্ভ কৰিব পাৰিম। আপোনালোকৰো সমস্যাটো সমাধান হ'ব আৰু চৰকাৰেই মাদ্ৰাছাৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব পাৰিম। আমি আশাৰাখিছো এই ক্ষেত্ৰত আপোনালোকৰ সহযোগীতা পাম। ধন্যবাদ।

**Speaker :** Thank you.

**Shri A. Rahim Ajmal,**

**Member, Jamunamukh** : Sir, I have a small request. I would like to request the Minister to a point some body who can lies in-between the Government and the people. Their compliments also necessary.

**Speaker :** You can give the suggestion in writing, but after "Zero Hour" we can not allow any more debates. Any way your suggestion is good and Minister will definitly take a note on that.

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিদিন কাকতত প্ৰকাশিত "কৃত্ৰিম বানত মহানগৰীত পুনৰ অবৰ্ণনীয় পৰিস্থিতি জলমগ্ন বিদ্যালয়ৰ কোঠা শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰী" শীৰ্ষক বিষয়টো মই আপোনাৰ জৰিয়তে মাননীয় সংসদীয় পৰিক্ৰমা বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এই সমস্যাটো এতিয়াৰ সমস্যা নহয়, এইটো বহু বছৰৰ পৰাই আছে । এই সমস্যাটোৰ বাবে অসমৰ বিশেষকৈ গুৱাহাটীবাসী ৰাইজে যথেষ্ট জিয়াতু ভুগিব লগা হৈছে। বিশেষভাবে আমি লক্ষ্য কৰিছো গুৱাহাটী মহানগৰীত কৃত্ৰিম বানপানী হোৱাৰ বহু কাৰণ আছে আৰু এই কাৰণসমূহ আমি পৰ্য্যালোচনা কৰি অধ্যয়ন কৰি মাষ্টাৰ প্লেন যুগুত কৰি নলও তেতিয়াহ'লে এই সমস্যাটোৰ পৰা গুৱাহাটীবাসী ৰাইজে পৰিত্ৰান পোৱাটো অসম্ভৱ। সেই কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰীক এটা কথা ক'ব বিচাৰিছো যে এই সম্পৰ্কত ইতিমধ্যে আমাৰ আই.আই.টিৰ অধ্যাপক ড° অৰূপ শৰ্মা আৰু অভিযন্তা খাটনীয়াৰে গুৱাহাটীৰ পৰিস্থিতিটো অধ্যয়ন কৰি এটা পৰিকল্পনা প্ৰস্তুত কৰি সেইসময়ৰ চৰকাৰ অৰ্থাৎ কংগ্ৰেছ (আই) চৰকাৰক এটা ৰিপ'ৰ্ট দাখিল কৰিছিল। তেখেতসকলে যি ৰিপ'ৰ্ট দাখিল কৰিছিল, সেই ৰিপ'ৰ্টত গুৱাহাটীবাসী ৰাইজক কি ভাবে কৃত্ৰিম বানপানীৰ পৰা পৰিত্ৰান দিয়াব পাৰি সেই সম্পৰ্কত উল্লেখ কৰিছিল। অধ্যক্ষ মহোদয়, আপোনাৰ জ্ঞাত যে গুৱাহাটী মহানগৰী চাৰিওফালে পাহাৰ অঞ্চলেৰে পৰিবেষ্টিত আৰু ওচৰতে ব্ৰহ্মপুত্ৰ নদী আছে। অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ উন্নয়নমূলক কামৰ লগত বিভিন্ন বিভাগ জড়িত কিন্তু এই বিভিন্ন বিভাগৰ লগত যিটো সমন্বয় থাকিব লাগিছিল, সেই সমন্বয়ৰ অভাৱ হৈছে। যাৰ ফলত সমস্যা বাঢ়িছে। অধ্যক্ষ মহোদয়, সেই কাৰণে মই বিচাৰিছো যে গুৱাহাটী মহানগৰৰ বিভিন্ন বিভাগসমূহৰ এটা সমন্বয় সমিতি চৰকাৰে গঠন কৰি বিভিন্ন বিভাগে ল'ব লগা ব্যৱস্থাসমূহ যদি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰে তেতিয়া হ'লে সম্পূৰ্ণভাবে গুৱাহাটীবাসী ৰাইজৰ সমস্যা সমাধান নহ'লেও কিছু সকাহ পাব বুলি মই ভাবো। অধ্যক্ষ মহোদয়, আপুনিও জানে যে বাৰিষা সময়ত অন্য ঠাই দুৰৰ কথা বিধান সভাৰ চৌহদত কৃত্ৰিমবানীৰ কবলত পৰে। অৱশ্যে আপুনি কিছু ব্যৱস্থা গ্ৰহণ কৰিছে যদিও সমস্যা সমাধানৰ ক্ষেত্ৰত সম্পূৰ্ণ লাভান্বিত হ'ব পৰা নাই। অধ্যক্ষ মহোদয়, যদি মেঘালয়ত বৰষুণ দিয়ে তেতিয়া মেঘালয়ৰ পানীয়ে খানাপাৰা, ছয়মাইল, পাঞ্জাবাৰী, ৰুক্মিনীনগৰ আদি বিভিন্ন অঞ্চলত কৃত্ৰিম বানপানীৰ সৃষ্টি কৰে আৰু উক্ত অঞ্চলৰ ৰাইজে জীয়াতু ভুগিবলগীয়া হয়। এই সমস্যাটো সমাধানৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগিব। বৰ্তমানৰ আমাৰ চৰকাৰখনে দুই এটা ব্যৱস্থা গ্ৰহণ নকৰা নহয় কিন্তু সেই ব্যৱস্থাসমূহ নিৰ্দিষ্ট সময়ত সম্পূৰ্ণ নোহোৱাৰ কাৰণে, কামবোৰ আধৰুৱা হৈ থকাৰ কাৰণে আজি এই সমস্যাটোৰ পৰা আমাৰা ৰাইজে পৰিত্ৰান পোৱা নাই। অধ্যক্ষ মহোদয়, আমাৰ খানাপাৰাৰ পৰা পাঞ্জাবাৰীলৈ যোৱা এটা নলা এতিয়া অৰ্ধনিৰ্মিত হৈ আছে আৰু আমাৰ পশুচিকিৎসা মহাবিদ্যালয়ৰ মাজেৰে থকা নলা একেবাৰে ঠেক। সেই পানীখিনি গৈ জিনজাৰ হোটেলৰ ওচৰত থকা ৰিজাৰ্ভাৰত পানীখিনি নিষ্কাষিত হয়। এতিয়া আমাৰ পাঞ্জাবাৰীৰ যিটো নলা নিৰ্মাণ কৰি থকা হৈছে, সেই নলাটো যদি বোন্দাজানহৈ ব্ৰহ্মপুত্ৰত পেলাই দিয়া যায় তেতিয়া হ'লে মেঘালয়ৰ পানীৰ সমস্যাটোৰ পৰা কিছু পৰিত্ৰান পোৱা যাব। আজি দেখিবলৈ পাইছো জি.এছ ৰোড, জুৰোড, হাতিগাওঁ, লখৰা, লালগণেশ আদি বিভিন্ন অঞ্চলত কৃত্ৰিম

বানপানীয়ে এটা সাংঘাটিক অৱস্থাৰ সৃষ্টি কৰিছে। অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যদি এটা সুপৰিকল্পিত  পৰিকল্পনা প্ৰস্তুত কৰা নহয় তেনেহ'লে এই কৃত্ৰিম বানপানীৰ পৰা গুৱাহাটীবাসীয়ে পৰিত্ৰান নাপাব। আকৌ খানাপাৰাৰ - দ্বীপৰ বিললৈ যিটো নলা এটাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই ব্যৱস্থা এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ বাবে আৰু এই বিলাক আগৰ অৱস্থাত থকাৰ বাবে আজি বিভিন্ন অঞ্চলত কৃত্ৰিম বানপানী হ'বলৈ ধৰিছে। আমি লক্ষ্য কৰিছো যে ৰাষ্ট্ৰীয় ঘাইপথ নং ৩৭ তাত অলপ বৰষুণ দিলেই লালমাটি- লখৰা- গড়চুক আদি বিভিন্ন অঞ্চলত বানপানী হয়। গতিকে ৰাষ্ট্ৰীয় ঘাইপথ বিভাগৰ লগত আলোচনা কৰি ড্ৰেইন নিৰ্মাণ কৰিব পৰা যায় তেতিয়া হলে হয়তো এই অৱস্থাৰ পৰা যথেষ্ট পৰিমানে পৰিত্ৰান পাব পৰা যাব। বিশেষ ভাৱে আমি লক্ষ্য কৰিছো যে National Highway ৰ 37 নং  যিটো ৰাষ্ট্ৰীয় ঘাই পথ আছে, অলপ যদি বৰষুণ দিয়ে তেতিয়া আপুনি দেখা পাব লালমাটি, লখৰা, গড়চুক, গোটা নগৰ আদি বিভিন্ন অঞ্চলত বানপানীৰ সৃষ্টি হৈছে। আজি বিশেষ ভাৱে National Highway ৰ লগতো আলোচনা কৰি National Highway ৰ দুয়ো কাষে যদি Drain নিৰ্মাণ কৰি দিব পৰা যায়, তেতিয়াহলে হয়তো এই অৱস্থাৰ পৰা যথেষ্ট পৰিমাণে পৰিত্ৰাণ পাব। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইতিমধ্যে আমাৰ গুৱাহাটী উন্নয়ন বিভাগৰ পৰা যোৱা বছৰ আমাৰ প্ৰতিজন বিধায়কক Drain আৰু ৰাস্তাৰ উন্নয়ণৰ বাবে 20.00 কোটি টকা দিয়া হৈছিল। কাম প্ৰায় 50% সম্পূৰ্ণ হৈছে আৰু 50% বাকী আছে। কিন্তু প্ৰশ্নটো হৈছে, গুৱাহাটী উন্নয়ন বিভাগে গড়কাপ্তানী বিভাগৰ জড়িয়তে কৰা কামৰ 50% কাম  হোৱাৰ পিচতো ঠিকাদৰক আজিলৈকে এক পইচাও মুকলি কৰি দিয়া হোৱা নাই, যাৰ ফলত সেই Drain সমুহ অৰ্ধনিৰ্মিত অৱস্থাত থাকিব লগীয়া হৈছে। মই বিশেষ ভাৱে অনুৰোধ জনাইছো যে গুৱাহাটী উন্নয়ন বিভাগৰ জড়িয়তে যিখিনি টকা ধাৰ্য্য কৰা হৈছে সেইখিনি টকা গড়কাপ্তানী বিভাগক দিব লাগে। যিমানখিনি কাম হৈছে, কামখিনি Survey কৰি এই টকাখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইবাৰ গুবাহাটী পৌৰ নিগমে অৱশ্যে ভালদৰে কাম কৰিছে। সময়মতে Drain বিলাক চাফা কৰাৰ কাৰণে ৰাইজে কিছু সকাহ পাইছে। তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছো। আগতে পানী 2/3 দিনলৈ জমা হৈ থাকিছিল, কিন্তু এতিয়া 2/3 ঘণ্টাৰ পিচতে পানীখিনি নিষ্কাষিত হয়। চৰকাৰখনে এই আঢ়ৈটা বছৰত কিছু কাম কৰিছে। গতিকে মই আশা ৰাখিছো যদি চৰকাৰখনে এই দুটা বছৰত বিশেষ ভাৱে যদি সেই পৰিকল্পনা অনুযায়ী কামখিনি সম্পূৰ্ণ কৰে তেতিয়াহলে নিশ্চয় কৃত্ৰিম বানপানীৰ যিটো সমস্যা তাৰ পৰা সম্পূৰ্ণ ভাৱে নহলেও কিছু পাৰিমাণে  পৰিত্ৰান পাব পৰা যাব। দিল্লী মুম্বাইটো পানী হয়, কিন্তু কম সময়ৰ ভিতৰতে নিষ্কাষিত হয়। আমাৰ গুৱাহাটীতো যদি দিল্লী মুম্বাইৰ দৰে পৰিকল্পনা লৈ কামখিনি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয় তেতিয়াহলে নিশ্চয় আমাৰ গুৱাহাটীৰ ৰাইজে যি দুৰ্ভোগ ভোগী আছে তাৰ পৰা নিশ্চয় পৰিত্ৰাণ পাব।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক, গুৱাহাটীৰ এই কৃত্ৰিম বানপানীৰ পৰা পৰিত্ৰান পাবৰ কাৰণে যাতে তেওঁলোকে যথেষ্ট ভাৱে গুৰুত্ব আৰোপ কৰি এই বছৰত আধৰুৱা কাম বিলাক সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় আধ্যক্ষ্য ঃ** ধন্যবাদ। এতিয়া মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইংৰাজী ২৯-০৮-২০১৮ চনৰ

"অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে।

গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানপানী ৰোধ কৰিবৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে বিভিন্ন কৰ্তৃপক্ষৰ অধীনত বিভিন্ন হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি হাতত লৈছে। এই আঁচনি হাতত লৈছে। এই আঁচনিসমূহৰ ফলস্বৰূপে চলিত বৰ্ষত অধিক ক্ষতিগ্ৰস্ত অঞ্চল যেনে অনিল নগৰ,তৰুণ নগৰ, নবীন নগৰ, জু-ৰোড আদি ঠাইসমূহত যোৱা বছৰ কেইটাৰ তুলনাত কৃত্ৰিম বানপানী বহু পৰিমানে হ্ৰাস পাইছে।

এই বছৰ মেঘালয়ৰ পাহাৰ অঞ্চলৰ পৰা নামি অহা পানীয়ে কিছুমান নতুন অঞ্চল যেনে, খানাপাৰা, ছয়মাইল, দিশপুৰ, পাঞ্জাবাৰী, ৰুক্মিণীগাঁৱ আদি ঠাই প্লাৱিত কৰা পৰিলক্ষিত হৈছে। ইয়াৰ কাৰণ হৈছে মেঘালয়ত হোৱা প্ৰৱল বৰষুণ আৰু উক্ত অঞ্চলসমূহত বৰ্তমানে থকা নলাসমূহৰ বহন ক্ষমতা কমি যোৱা। সম্প্ৰতি উক্ত অঞ্চলসমূহ কৃত্ৰিম বানপানী মুক্ত কৰিবৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে বিভিন্ন ধৰণৰ দীৰ্ঘম্যাদী আঁচনি হাতত লৈছে। এই আঁচনিসমূহৰ ভিতৰত আছে গড়কাপ্তানী বিভাগৰ তত্বাৱধানত চৌৰাশী কোটি টকা ব্যয় সাপেক্ষে ৫৭ টা পকী নলাৰ নিৰ্মাণ, যাৰ ফলত উক্ত অঞ্চল সমূহত জমা হোৱা পানী শিলসাঁকো বিলেদি বোন্দাজানলৈ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ বাই পাছেদি দীপৰ বিলত পৰাকৈ বোৱাই নিব পৰা যাব। এই কামৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে ভূমি সংৰক্ষণ বিভাগ আৰু অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন কৰ্তৃপক্ষৰ লগত যৌথ প্ৰচেষ্টাৰে আগবাঢ়িছে। ইয়াৰোপৰি, পিবকো পইন্টৰ পৰা বাহিনী নদীয়েদি শিলসাঁকো বিললৈ গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা যিটো Diversion Drain নিৰ্মাণ কৰা হৈছে তাৰ ফলত ছয়মাইল ৰুক্মিণী নগৰত জমা হোৱা পানী বোন্দাজানলৈ বোৱাই নিবপৰা যাব।

তদুপৰি গড়কাপ্তানী নেচনেল হাইৱেৰ নিজৰ পূঁজিৰ পৰা খানাপাৰাৰ আই,এছ, বি, টি, হৈ পামহীলৈকে আৰু বিমানবন্দৰৰ পৰা জালুকবাৰীহৈ পামহীলৈকে নলা নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে।

অন্যান্য দীৰ্ঘম্যাদী আচঁনি সমূহৰ ভিতৰত আছে, মেঘালয়ৰ পৰা নামি অহা পানীৰ সংক্ৰান্তত তৃতীয় পক্ষৰ দ্বাৰা এটা বৈজ্ঞানিক গবেষণা আৰু নিৰাময়ৰ উপায় উদ্ভাৱন যাৰ বাবে গুৱাহাটী উন্নয়ন বিভাগে পৰিকল্পনা হাতত লৈছে। ইয়াৰোপৰি গড়ভাঙা পাহাৰত ৩.৮৪ কোটি টকাৰ ব্যয় সাপেক্ষে Integrated land use Planning and Water resource Management ৰ আঁচনি গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই গ্ৰহণ কৰিছে।

উক্ত আঁচনি সমুহত জিলা প্ৰশাসনৰ সংশ্লিষ্ট বিভাগ সমূহৰ লগত ওতঃপ্ৰোত ভাবে জড়িত হৈ আছে।

মহানগৰীৰ কৃত্ৰিম বানপানী ৰোধৰ বাবে লোৱা আঁচনি বিশেষকৈ ৩৩০ টা নলা-নৰ্দমা সমূহ পৰিষ্কাৰকৰণ আৰু গোটা জাৰৰ নিস্কাষণ ইত্যাদিৰ কাম সঠিক ভাৱে ৰূপায়ণ ক ৰাটো নিশ্চিত কৰিবলৈ গুৱাহাটী পৌৰ নিগমৰ নেতৃত্বত ক্ষেত্ৰ ভিত্তিক পৰিদৰ্শন কৰি থকা হৈছে। তাৰ বাবে "Mission Flood Free Guwahati (MFFG)"ৰ অধীনত ৭৫.৭৮ কোটি টকাৰ "Go- ahead" দিয়া হৈছে। লগতে জলসম্পদ বিভাগৰ যান্ত্ৰিক সংমণ্ডলে কৃত্ৰিম বানপানী ৰোধৰ বাবে গুৱাহাটীৰ বিভিন্ন স্থানত পানী নিস্কাষণৰ বাবে পাম্প চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰি আহিছে আৰু ইয়াৰ বাবদ ২০১৮-১৯ চনত ৩৭৪.৪২ লাখ টকা "Go- ahead" দিয়া হৈছে। ইতিমধ্যে পামহী

চেনেল পৰিষ্কাৰকৰণ বহুখিনি আগবাঢ়িছে। আহি থকা বছৰবোৰত এই আঁচনিসমূহ অধিক ফলপ্ৰসু

কৰি তোলা হ'ব। গোটা জাৱৰ নিষ্কাষণৰ বাবে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষইও ২০১৮-১৯ চনত সৰ্বমুঠ ১৯.৪২ কোটি টকাৰ "Go- ahead"লাভ কৰিছে।উপৰোক্ত কামসমূহৰ বাদেও মহানগৰীৰ বৃহত্তৰ চান্দমাৰী, জু-ৰোড, জ্যোতিনগৰ, নুনমাটি আদি অঞ্চলসমূহত জমা হোৱা পানী নুনমাটিৰ পৰা বোন্দাজানলৈ বোৱাই নিয়াৰ বাবে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা নুনমাটিত ৬.৪১ কোটি টকা সাপেক্ষে চাৰিটাকৈ পাম্প বহুওৱা হৈছে দ্ৰুত গতিত পানী নিষ্কাষণৰ বাবে। ইয়াৰ দ্বাৰা জ্যোতিনগৰ পাহাৰ অঞ্চলৰ পানী বোন্দাজানলৈ বোৱাই নিব পৰা যাব।

আশা কৰা যায় যে আহি থকা বছৰসমূহত গুৱাহাটীবাসীক কৃত্ৰিম বানপানীৰ কবলৰ পৰা সকাহ দিবপৰা যাব।

অধ্যক্ষ ডাঙৰীয়া, ইয়াত মই আৰু মই দুটা কথা সংযোজন কৰি দিছো। আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে যে আমাৰ অৰূপ শৰ্মা আৰু ইঞ্জিনিয়াৰ খাটনিয়াৰে এটা Expart ৰিপোৰ্ট দিছে। গুৱাহাটী উন্নয়ন বিভাগে এই গোটেই যিমান কাম কৰিছে এই ৰিপোৰ্টৰ ওপৰত বেছ কৰিয়েই এই আঁচনিসমূহ লোৱা হৈছে। গতিকে আঁচনিসমূহ সম্পূৰ্ণ বিজ্ঞানসন্মত। সেইকাৰণেই বোধহয় কলিতা ডাঙৰীয়াই কৈছে যে এইবাৰ পানীটো তিনি- চাৰি দিন ৰৈ থকা নাই, গুচি গৈছে। এইটো তেওঁলোকৰ ৰিপোৰ্টৰ ওপৰতে হৈছে। তেওঁলোকৰ ষ্টাডিটো হৈছিল M/s Taher Consultency of Israil. ইয়াৰ ওপৰত বেচ কৰিয়েই এইখিনি ব্যৱস্থা কৰা হৈছে।

তাৰ উপৰিও আমাৰ মাননীয় সদস্য কলিতা ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ মেঘালয়ৰ যিটো পানী ইয়াত নামি আহে এইটো এটা ডাঙৰ সমস্যা হৈছে। খানাপাৰা অঞ্চলত হোৱা পানীটোৰ বাবে আমি Assam State Disaster Management Authority, IIT, Guwahti আৰু Water Resource Expert এই তিনিটা বিভাগৰ বিষয়াকলগতলৈ upward stream বিলাকৰ ওপৰত এটা study কৰাৰ কাৰণে ব্যৱস্থা কৰিছো আৰু লগতে মেঘালয়ৰ পানীটো কেনেকৈ বাহিৰ কৰি দিব পৰা যায় সেই সংক্ৰান্তত ইতিমধ্যে Guwahati Development Department এ আঁচনি প্ৰস্তুত কৰি উলিয়াইছে। আপুনি শেষত এটা কথা কৈছে যে - কিছু কাম হৈছে, কিন্তু ঠিকাদাৰ বিলাকে পইচা পোৱা নাই, পইচাটো কিয় দিয়া নাই মই নাজানো। এই কথাটো মই আজি বিভাগক জনাই দিম আৰু ঠিকাদাৰ সকলে পাবলগীয়া বিলখিনিও পোৱাৰ ব্যৱস্থা কৰি দিম। মই জনাত আমাৰ Guwahati Development Department ৰ Sufficient Fund আছে। গুৱাহাটীবাসী সৌভাগ্যবান কিয়নো ভাৰতবৰ্ষৰ ভিতৰত গুৱাহাটীখনেই একমাত্ৰ চহৰ যত কেৱল গুৱাহাটীৰ উন্নয়ণক লৈ এটা Department খুলিছে। এইটো কিন্তু এটা ডাঙৰ কথা। এইটো ক্ষেত্ৰত আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

(Hon'ble Chairman in the Chair)

শেষত আপুনি আৰু এটা কথা কৈছে যে কিছু কাম হৈছে কিন্তু ঠিকাদাৰ বিলাকে পইচা পোৱা নাই। সেই কথাখিনি বিভাগক মই আজি কম। কাৰণ মই জনাত আমাৰ জি ডি ডি বিভাগৰ চাফিচিয়েণ্ট ফাণ্ড আছে। গতিকে কি কাৰণে পইচাটো মোকলাই দিয়া নাই মই জি ডি ডি বিভাগক কম আৰু গুৱাহাটীবাসী নিশ্চয় সৌভাগ্যবান ভাৰতবৰ্ষৰ ভিতৰত অকল গুৱাহাটীক লৈ এটা চৰকাৰী বিভাগ হৈছে। গতিকে এই ক্ষেত্ৰত আপোনালোক বৰ সৌভাগ্যবান বিধায়ক। এইক্ষেত্ৰত চৰকাৰে নিশ্চয় ব্যৱস্থা গ্ৰহণ কৰিব আৰু যিসকল ঠিকাদাৰে বিল সমূহ পাবলৈ আছে সেইখিনি আদায় দিবৰ কাৰণে আজিয়েই মই বিভাগক জনাম। ধন্যবাদ।

**শ্ৰী বীৰভদ্ৰ হাগ্‌জেৰ, সভাপতি ঃ** ধন্যবাদ, এতিয়া মই মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী

ডাঙৰীয়াক তেখেতৰ নটিচটো ক'বলৈ অনুৰোধ জনালো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় সভাপতি মহোদয়, মই আপোনাৰ যোগেদি মাননীয় অধ্যক্ষ মহোদয়ক বিশেষ ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে বিধান সভাৰ শূন্যকালীন ঘণ্টাৰ অধীনত এটা অতি গুৰুত্বপূৰ্ণ বিষয় যোৱা ২৪ জুলাইত দৈনিক অসম বাতৰি কাকতত প্ৰকাশিত এটি বাতৰি আজি পবিত্ৰ বিধান সভাত উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে। " নাৰী সৱলীকৰণৰ কথা কোৱা চৰকাৰে মুখ্য সেৱিকা সকলক বঞ্চিত কৰিছে, সমাজ কল্যাণ সঞ্চালকালয় ঘেৰাও"। আজিৰ ভৌগোলিক এলেকাৰ ২০ শতাংশ ৰাইজ চহৰ অঞ্চলত বসবাস কৰে আৰু প্ৰায় ৮০ শতাংশতকৈ অলপ বেছি গ্ৰামাঞ্চলত বসবাস কৰে। এই গ্ৰামাঞ্চলত চাহ বাগিচা অঞ্চল আছে, চৰ অঞ্চল, পাহাৰীয়া অঞ্চল, দুৰ্গম অঞ্চল, নদী কাষৰীয়া অঞ্চল সমূহ আছে আৰু এই অঞ্চল সমূহত অংগনবাড়ী কেন্দ্ৰ সমূহ আছে। এই অংগনবাড়ী কেন্দ্ৰ সমূহৰ লগত পোনপটীয়া ভাৱে জড়িত হৈ আছে অংগনবাড়ীৰ সেৱিকা আৰু চুপাৰভাইজাৰ সকল। আজি এই চুপাৰভাইজাৰ সকলে কেনেধৰণে তেওঁলোকৰ দায়িত্ব পালন কৰিব লগীয়া হৈছে, আমি যদি চাওঁ দেখিবলৈ পাওঁ যে তেওঁলোকৰ অংগনবাড়ী কেন্দ্ৰৰ ৬ টা যি বিশেষ সেৱা আই চি ডি এচ প্ৰজেক্টৰ অধীনত চৰকাৰে নিৰ্ণয় কৰি দিছিল। ইয়াৰ উপৰিও এন আৰ চি ৰ কামত , নিৰ্ব্বাচনৰ কামত তেওঁলোকে চৰকাৰক সহায় কৰিব লগীয়া হৈছে। প্ৰত্যেক বুধবাৰে বুধবাৰে হোৱা ভি এচ এন ডি কেম্প, ডেলিভাৰী কেচৰ পৰা আদি কৰি ৰেফাৰেঞ্চ চাৰ্ভিচ, প্ৰি-প্ৰাইমেৰী শিক্ষা দিয়াৰ পৰা আৰম্ভ কৰি, হেল্থ চেকআপ, ভেকচিনেশ্যন, নিউট্ৰেশ্যনেল ফুড প্ৰদান কৰাৰ পৰা আৰম্ভ কৰি, সজাগতা অনাৰ পৰা আৰম্ভ কৰি সকলোতে জড়িত হৈ আছে। এই ৮০ শতাংশ গ্ৰামাঞ্চলত থকা অংগনবাড়ী কেন্দ্ৰ সমূহৰ লগত পোনপটীয়া ভাৱে জড়িত মুখ্য সেৱিকা সকলে কিমান ঘণ্টা অতিবাহিত কৰিব লগীয়া হয় চৰকাৰী নিৰ্দ্দেশনা সমূহত আমি যদি চাওঁ তেতিয়া আমি দেখা পাওঁ যে পুৱা ৮ বজাৰ পৰা ৰাতি ১০ বজালৈকে তেওঁলোকে কামত ব্যস্ত থাকিব লাগে। আজি বেছি সংখ্যক মুখ্য সেৱিকা সকলৰ গাড়ী, মটৰ চাইকেল বুলিবলৈ একো নাই। তেওঁলোকে খোজকাঢ়ি, অটোৰে, বাছেৰে কাৰ্য্যালয়লৈ যাব লগীয়া হয়। তেওঁলোকে অহা যোৱা কৰিব লাগে, ৰিপোৰ্ট বনাব লাগে, ৰিপোৰ্ট বনাই চৰকাৰক চাবমিট কৰিব লাগে। এই গোটেই কথা বিলাক জড়িত হৈ আছে। যি সময়ত ভাৰতবৰ্ষত এজন ব্যক্তিয়ে কৈ আছে যে "বেটী বচাওঁ, বেটী পঢ়াওঁ" আকৌ মহিলা সৱলীকৰণৰ বিষয়ে কৈ থকা হৈছে এফালে দেখা গৈছে যে প্ৰায় ৯৮৬ মুখ্য সেৱিকা সকলে আজি এবছৰ এমাহ ধৰি দৰমহা পোৱা নাই। মানৱতাৰ খাতিৰত হওঁক বা মানৱ অধিকাৰৰ স্বাৰ্থতেই হওঁক তেওঁলোকৰ যিটো নিম্নতম মজুৰী পাই আছিল, দৰমহা বৃদ্ধিৰ কৰাৰ কাৰণে তেওঁলোকে যি দাবী কৰি আছিল সেইটোতো পোৱাই নাই, সেই বিষয়ে আমি বাদেই দিছো। অচ্ছেদিনৰ কথা কোনোৱা এজনে কৈ আছিল। গতিকে তেওঁলোকে সপোন দেখিছিল বহুতে এই চৰকাৰ খনে সহায় কৰা বুলি আমাক জনাইছিলেও। এতিয়া বৃদ্ধি হোৱাতো বাদেই দিয়ক এবছৰ এমাহে তেওঁলোকে দৰমহাই পোৱা নাই। এই এবছৰৰ দৰমহাতো পাব বুলি তেওঁলোকে আশা কৰি আছে। কিন্তু আজি এনেকুৱা এটা পৰিস্থিতি আহিছে যে তেওঁলোকে ঘেৰাও কৰিব লগীয়া হৈছে, লাঠীৰ মাৰ খাব লগীয়া হৈছে, গালি শুনিব লগীয়া হৈছে। বহু সংখ্যকে বি এ, এম এ কৰি মুখ্য সেৱিকা হিচাবে নিযুক্তি লাভ কৰিছিল। তেওঁলোকে আজি নিজৰ ল'ৰা-ছোৱালী সাবটি চকুপানী টুকিব লগীয়া হৈছে। সেই, দৃশ্য দেখি আমাৰ দুখ লাগিছে। আজি মহিলা সৱলীকৰণৰ কথা কোৱা এই চৰকাৰখনৰ পৰা আমি আশা কৰিছো গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে আবেদন কৰিলে, স্মাৰক দিলে তেওঁলোকৰ সমস্যা সমাধান

হ'ব। এই সময়তে শুনিবলৈ পাইছো ১০৮, ১০২ য়ে আন্দোলন কৰি আছে আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰীয়ে দৰমহা নোপোৱাৰ বাবে আন্দোলন কৰি আছে। তাৰ মাজতে মহিলা সকলৰ বিষয়টো যদি আমি গুৰুত্ব সহকাৰে নাচাওঁ, ভগৱানে নকৰক কোনোবাই যদি বেলেগ পন্থা লয় তেতিয়া আমি কেতিয়াও নিজকে মাফ কৰিব নোৱাৰিম। মই আশা ৰাখিছো আ্জি এই মুখ্য সেৱিকা সকলৰ বিষয়টো উপস্থাপন কৰি মাননীয় অধ্যক্ষৰ আসনত থকা চেয়াৰমেন মহোদয়ৰ যোগেদি মাননীয় চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে অসমৰ মূখ্য সেৱিকা সকলৰ সমস্যা সমাধানৰ বাবে এটা বাৰ্তা দিব বিচাৰিছো যে দৰমহাটো কেতিয়া পাব, বৃদ্ধি হ'লেটো ভালেই কথা। এৰিয়াৰ টকাতো যেতিয়া দিয়ে দি থাকিব কিন্তু দৰমহাতো কেতিয়া পাব এই বিষয়টো আমি জানিব বিচাৰিছো। এইখিনিতে আমি যদি আৰু কিছুমান বিষয় চাবলৈ যাওঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে প্ৰাথমিক বিদ্যালয়ৰ পৰাই আমাৰ শিক্ষা আৰম্ভ হয়। প্ৰাথমিক, মধ্য ইংৰাজী বিদ্যালয়, হাইস্কুল, হাইয়াৰ চেকেণ্ডাৰী আৰু পিছত কলেজ। প্ৰথম যিটো প্ৰাথমিক শিক্ষা সেই প্ৰাথমিক শিক্ষাটো যদি আমি ভালদৰে প্ৰদান কৰিব নোৱাৰো তেনেহ'লে আমি সেই ল'ৰা বা ছোৱালী জনীৰ ভৱিষ্যত কি ধৰণে নিৰ্ধাৰণ কৰিম। এনেই আমাৰ শিক্ষকৰ নাটনি। আমি অলপ আগতে এই পবিত্ৰ বিধান সভাত আলোচনা কৰিলো মোৰ সমষ্টি কলীয়াপানী চাহবাগিচাত ২২০ জন ছাত্ৰ-ছাত্ৰীৰ মাজত এজন শিক্ষক। ছমহীয়া, নমহীয়া পৰীক্ষা গ'ল আৰু ডেৰমাহ মান পিছত বছৰেকীয়া পৰীক্ষা আৰম্ভ হ'ব। এজন শিক্ষকে এতিয়া ২২০ জন ছাত্ৰ-ছাত্ৰী চাবলগীয়া হৈছে। তেনে অৱস্থাত অংগনবাড়ী কেন্দ্ৰত এ বি চি ডি, অ আ, ক খ, ওৱান, টু, থ্ৰি, ফ'ৰ, এক,দুই, তিনি, চাৰি এই অংগনবাড়ী কৰ্মী সকলে শিকাইছে। চুপাৰভাইজাৰ সকলে ট্ৰেইনিং দিয়াৰ পৰা আদি কৰি অন্যান্য দিশ সমূহ পৰিদৰ্শন কৰি পেলাই অসমৰ সন্তান তথা অসমৰ ভৱিষ্যত প্ৰজন্মক গঢ়িছে। আজি যদি এই সেৱিকা সকলে ভালদৰে সেৱা প্ৰদান নকৰে, তেওঁলোকে যদি চুপাৰভাইজ নকৰে, তেওঁলোকে যদি প্ৰশিক্ষণ ভালদৰে নিদিয়ে, মনিটৰ যদি নকৰে আৰু তেওঁলোকেই যদি মানসিক ভাৱে ভাৰক্লান্ত হৈ থাকে তেনেহ'লে আমি আমাৰ ভৱিষ্যতৰ কি আশা কৰিম। এই বিধান সভাত মই আৰু বেছি সময় নলওঁ মাননীয় অধ্যক্ষৰ আসনত থকা চেয়াৰমেন মহোদয়ৰ যোগেদি শূন্যকালীন ঘণ্টাত মুখ্য সেৱিকা সকলৰ হৈ অসমৰ ভৱিষ্যত প্ৰজন্মৰ বাবে আমি চৰকাৰৰ পৰা এটা সু-উত্তৰ বিচাৰি তেওঁলোকক দৰমহা দিয়াৰ দাবীত, নাৰী সৱলীকৰণৰ কথা আখৰে আখৰে পালন কৰা চৰকাৰে যদি সচাঁ প্ৰতিশ্ৰুতি দিছিল তেনেহ'লে আখৰে আখৰে পালন কৰক তাৰ কাৰণে অনুৰোধ জনাই এই বিষয়টো উত্থাপন কৰি মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**শ্ৰীবীৰভদ্ৰ হাগ্জেৰ, সভাপতি ঃ** মাননীয় মন্ত্ৰী শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম।

**শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম, মন্ত্ৰী, সমাজকল্যাণ ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যোৱা ২৩ তাৰিখৰ বাতৰিৰ জৰিয়তে ২৪ তাৰিখে বাতৰিত প্ৰকাশ পোৱা আৰু সেই বাতৰিৰ যোগেদি যি কথা কৈছে বা আমাৰ চৰকাৰক দৃষ্টি গোচৰ কৰিবৰ কাৰণে যিখিনি তেখেতে ব্যাখ্যা দাঙি ধৰিছে, তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই সঁচা কথাই কৈছে যে আমাৰ অঙ্গনবাড়ী কেন্দ্ৰৰ যিসকল মুখ্য সেৱিকা আৰু সহায়িকা তথা Supervisor আছে তেওঁলোকে বহু কষ্ট কৰে। বহুত ক্ষেত্ৰত চৰকাৰৰ কাৰ্য্যপালিকা তথা চৰকাৰৰ বিভিন্ন বিভাগৰ কামতো যথেষ্ট কষ্ট কৰিব লগীয়া হয়। নিৰ্বাচনৰ পৰা আৰম্ভ কৰি NRC ৰ কামতো তেওঁলোকে যথেষ্ট কষ্ট কৰিছে। এইবোৰ কাম কৰাৰ পিছতো যদি তেওঁলোকে দৰমহা নাপায়, তেতিয়াহ'লে আমি এই বিষয়টো অতি স্পৰ্শকাতৰ বিষয় বুলি গণ্য কৰিব পাৰো।

চৰকাৰে এই বিষয়টো অতি আন্তৰিকতাৰে চিন্তা কৰিছে। সেইকাৰণে আমাৰ বিভাগে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যোৱা প্ৰায় ১ বছৰে দৰমহা নোপোৱা কৰ্মচাৰী সকলৰ বাবে বিত্ত বিভাগক Demand দিছিলো। সেই মতে আমি বিত্ত বিভাগৰ পৰা ১৭ কোটি টকা পাইছো। আমি আশা কৰিছো যে এই টকাৰে আমি কৰ্মচাৰী সকলক দিবলগীয়া বকেয়া দৰমহাবোৰ দিব পাৰিম আৰু যিখিনি বাকী থাকিব তাৰ বাবে আমি Supplementary Demand দিছো। ইয়াৰ যোগেদি আমি তেওঁলোকক নিয়মিতভাৱে দৰমহাবোৰ দি যাব পাৰিম। কিন্তু তেওঁলোকক দিবলগীয়া যিখিনি Honorarium সেইখিনি আগতেভাৰত চৰকাৰৰ পৰা দিয়া হৈছিল। যোৱা ২০১৭ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ভাৰত চৰকাৰে ৰাজ্য চৰকাৰক Supervisor ক দিবলগীয়া ধনখিনি নিদিলে। কাৰণ তেওঁলোকে Annual Programme implementation Plan ৰ এখন সভাত সিদ্ধান্ত লৈছে যে যিহেতু এই পদসমূহ দ্বাদশ পৰিকল্পনাৰ অধীনত কৰা হৈছিল আৰু বৰ্তমান দ্বাদশ পৰিকল্পনা ইতিমধ্যে শেষ হৈছে। সেয়েহে এই দৰমহা সমূহ দিব নোৱাৰো। যদি ৰাজ্য চৰকাৰে দিব বিচাৰে তেতিয়াহ'লে ৰাজ্য চৰকাৰে বহন কৰিব লাগিব। এই সিদ্ধান্ত গ্ৰহণ কৰাৰ পিছৰ পৰা ৰাজ্য চৰাকাৰে তেওঁলোকক দৰমহা দিবৰ বাবে চেষ্টা কৰি আছে। এই কামটো ইমান দিনে হোৱা নাছিল। এতিয়া আমি এই ১৭ কোটি টকা পালো আৰু তেওঁলোকক দিবলগীয়া যিখিনি দৰমহা আৰু Honorarium সেইখিনি দিব পাৰিম। তাৰোপৰিও অধ্যক্ষ মহোদয়, তেওঁলোকৰ পদসমূহ নিয়মীয়াকৰণ কৰিবৰ বাবে আমি যথেষ্ট চেষ্টা কৰিছো। কিন্তু Legal Department য়ে কিছুমান ক্ষেত্ৰত বাধা আৰোপ কৰিছে। সেইকাৰণে আমাৰ কেবিনেটে যদিও এইটো এপ্ৰোভ কৰিবৰ বাবে চেষ্টা কৰিছিল, আমি কৰিব নোৱাৰো। তথাপিও তেওঁলোকক যাতে নিয়মীয়াকৰণ কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰি আছো। ৯৮৬ গৰাকী Supervisor আছে, তেওঁলোকৰ চাকৰিটো নিমীয়াকৰণ কৰিবৰ বাবে আমি যথেষ্ট চেষ্টা কৰি আছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে দৰমহা কেতিয়া হ'ব?

**মাননীয় অধ্যক্ষ ঃ** বিত্ত বিভাগৰ পৰা ১৭ কোটি টকা পাইছে আৰু তেওঁলোকক দিবলগীয়া যিখিনি দৰমহা আৰু Honorarium সেইখিনি অতি সোনকালে দিব। এতিয়া কাৰ্য্যসূচী নং ২। যোৱাকালি আমাৰ বিধান সভা শেষ হোৱাৰ লগে লগে আমাৰ সভা কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক বহিছিল। অহা ৪ -১০-২০১৮ তাৰিখে আমাৰ পৰিপূৰক দাবী মঞ্জুৰীৰ যি আলোচনা হ'ব, সেই আলোচনাৰ পাৰিত কৰণ কৰা হ'ব। সেইক্ষেত্ৰত আমাৰ ১৪ নম্বৰ দাবী মঞ্জুৰী-আৰক্ষী বিভাগৰ ওপৰত অহা মঞ্জুৰীৰ ওপৰত আমাৰ বিশদ ভাৱে আলোচনা হ'ব। তাৰ ওপৰত Cut Motion থাকিব। আমাৰ আলোচনাৰ বাবে মুঠ ৩.ঘণ্টা ৩০ মিনিট থাকিব । এই আলোচনাৰ বাবে প্ৰতিটো বিধায়নী আৰু নিৰ্দ্দলীয় দলক এইধৰণে সময় দিছো-ভাৰতীয় জনতা দলে বিত্ত মন্ত্ৰীৰ উত্তৰসহ ৯০ মিনিট পাব। জাতীয় কংগ্ৰেছ দলে পাব প্ৰায় ৩৮-৪০ মিনিট, অসম গণ পৰিষদ দলে পাব প্ৰায় ২১ মিনিট, সৰ্ব ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চ্চা দলে পাব প্ৰায় ২০ মিনিট, বি পি এফ দলে পাব প্ৰায় ২০ মিনিট। আমাৰ নিৰ্দ্দলীয় প্ৰাৰ্থী কম আছে। তথাপিও তেওঁলোকক ৫ বা ১০ মিনিট সময় দিম। যোৱাকালি আমাৰ এইটো আলোচনা হৈছিল যে প্ৰত্যেকটো বিধায়ণী দলে তেওঁলোকৰ মাজৰ পৰা আমাৰ যিসলকৰ ২০ মিনিট পাইছে তেওঁলোকে ১জন বা ২ জনকৈ, ভাৰতীয় জনতা দলৰ ২ জন বা ৩ জনকৈ ক'লে ভাল হ'ব। যদি ২ জনে কয় বেছি ভাল হ'ব কাৰণ এজনে প্ৰায় ৪০ মিনিটকৈ পাব আৰু মন্ত্ৰীৰ উত্তৰৰ কাৰণে প্ৰায় ৪০ বা ৫০ মিনিট সময় থাকিব। মই সেইকাৰণে

সকলো বিধায়িনী দলৰ দলপতি সকলক আৰক্ষী বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰীৰ ১৪ ৰ ওপৰত হোৱা Cut Motion আৰু Supplementary Demand ৰ ওপৰত কোনে কথাখিনি ক'ব, তাৰোপৰিও য'ত পইচা ধৰিছে তাৰ ওপৰত কেনেকুৱা আলোচনা হ'ব। এই গোটেই কথাখিনিৰ বাবে আমাক যদি নামখিনি আগতে দিয়ে তেতিয়াহ'লে আমাৰ আলোচনাও ভাল হ'ব আৰু উত্তৰ দিয়াতো সুবিধা হ'ব। নিশ্চয় এই প্ৰতিবেদনত সদনৰ অনুমোদন আছে।

(প্ৰস্তাৱটোত সদনে অনুমোদন জনায়)।

**কাৰ্য্যসূচী নং-২**

Hon'ble Minister, Parliamentary Affairs has sought my permission to make a short statement to clearfying the Government stand on an issue which was raised during Yester day's discussion on Private Member Ressolution. I am permitting him to give his short statement. And there after we will take up Rule 54, Business under Rule-54.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি অসম চুক্তিৰ ওপৰত যিটো আলোচনা হৈছিল, সেই আলোচনাত Clause-6 ৰ ওপৰত আলোচনা কৰোতে NRC ৰ কথাও আহিছিল। সেইটো আহিবও কাৰণ Clause-6 ৰ লগত NRC জড়িত হৈ আছে। মই এটা কথা জনাব বিচাৰিছো যে NRC ভাৰতবৰ্ষত পোন প্ৰথম বাৰৰ বাবে অসমত আৰম্ভ হৈছে। NRC খন ভাৰতীয় নাগৰিকক লৈ শুদ্ধ NRC কৰাটো আমাৰ প্ৰত্যেকজন ভাৰতীয় নাগৰিকৰ পৱিত্ৰ কৰ্তব্য বুলি গণ্য কৰা উচিত। কৰাণ এইটোৱে অসমৰ ভৱিষ্যৎ সুৰক্ষিত কৰিব। এই ক্ষেত্ৰত চৰকাৰ তথা বিৰোধী পক্ষৰ পৰা বিভ্ৰান্তিমূলক বক্তব্য যাব নালাগে। যোৱাকালি মাননীয়া সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে এখন এফিড এফিডৰ কথা কৈছিল যে চৰকাৰে হেনো দুটা Document বিচাৰিছে। গতিকে প্ৰশ্নটো হ'ল যে যোৱাকালি এইখন এফিড এফিডৰ ওপৰত কথা কৈছে। ইয়াত কৈছে যে চৰকাৰে দুমুখীয়া নীতি লৈছে, দুটা Document's ৰ কাথা কৈছে। আচলতে কথাটো হ'ল যে যিকেইটা Document's আছিল তাৰে এটা Document's আছিল পঞ্চায়তৰ চেক্ৰেটাৰীয়ে দিয়া Certificate বিবাহিত ছোৱালী সকলে দিয়া চাৰ্টিফিকেট সমূহ উচ্চ ন্যায়ালয়ে নাকচ কৰিলে। উচ্চ ন্যায়ালয়ে নাকচ কৰাৰ পিছত এই যিখন affidavit ৰ কথা আমাৰ কোৱা হৈছে, এই affidavit খনত Citizenship Act ৰ Rule 203 ৰ কিছুমান কথা কোৱা আছে। গতিকে, ১৮-০৪-২০১৭ তাৰিখৰ যিখন affidavit ৰ কথা কোৱা হৈছে তাত V K Pipersenia, Chief Secretary ৰ চহী আছে। এই খিনিতে কথা হ'ল যে, উচ্চ ন্যায়ালয়ে যেতিয়া পঞ্চায়তৰ চাৰ্টিফিকেটখন নাকচ কৰিলে তেতিয়া আমাৰ যি ১৫ টা documents আছে, এই documents ৰ ক্ষেত্ৰত Citizenship Act ৰ Rule 203 ৰ আমি এই খিনি কথা কৈছো যে, In this backdrop, the NRC accesses under Rule 203 as amendment in 2009. Only two documents, 1951 NRC and Voter List upto 1971 as provided for the basic documents called 'Legacy Data'.

**মাননীয় অধ্যক্ষঃ** পাটোৱাৰী ডাঙৰীয়া, মই বেছি আলোচনাৰ বাবে দিব নোৱাৰো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, NRC

update কৰাৰ ক্ষেত্ৰত বাকী ১৫ টা যি document থাকিলে আৰু তাৰ ভিতৰত পঞ্চায়তৰ Secretary য়ে দিয়া document খন যেতিয়া উচ্চ ন্যায়ালয়ে খাৰিচ কৰি দিলে তেতিয়া আমি কৈছিলো যে Citizenship Actৰ Rule 203মতে Legacy Data হিচাপত এই দুটা কোৱা আছে। গতিকে অধ্যক্ষ মহোদয়, চৰকাৰে উচ্চ ন্যায়ালয়ক এই affidavitৰ জৰিয়তে অনুৰোধ কৰিছো যে সেই যিকেইটা Data আছে সেই কেইটাৰ Legally verify হ'ব নে নাই সেইটো যাতে decide কৰি দিয়ে। কিন্তু তেতিয়া মহামান্য উচ্চতম ন্যায়ালয়ে সেই বিষয়ত নিমাত থাকিলে আৰু নিমাত থাকি তেওঁলোকে ১৫ টা document ৰ ওপৰতে NRC খন প্ৰস্তুত কৰিবলৈ দিয়ে। NRC খন প্ৰস্তুত হোৱাৰ পিছত আমি দেখিবলৈ পাইছিলো যে প্ৰায় ৪০,৭০,৭০৭ জন লোকৰ নাম অন্তৰ্ভুক্ত নহ'ল। তাৰ পিছত বিভিন্ন mediaত যেতিয়া error হোৱা বুলি কৈছিল তেতিয়া ২৭-০৮-২০১৮ তাৰিখে অসম চৰকাৰৰ তৰফৰ পৰা উচ্চতম ন্যায়ালয়ত পুনৰ বাৰ affidavit দিয়া হৈছিল। সেই affidavit খন কৰোতে কিছুমান anomalies দেখা গৈছে। গতিকে before final publication of the NRC এই error বোৰ যাতে থাকিব নোৱাৰে তাৰ বাবে এখন affidavit দিয়া হৈছে আৰু তাৰ এটা scrutiny হ'ব লাগিব। যি ৪০,৭০,৭০৭ জন লোকৰ নাম NRC ৰ পৰা বাদ পৰিল, তাৰো details সমূহ আমি বিচাৰিছো। সেই affidavit খনত আমি আকৌ উল্লেখ কৰিছিলো যে, Suo Motu Rectification of Errors & Anomalies টো মহামান্য উচ্চতম ন্যায়ালয়ে চাব লাগে আৰু উচ্চতম ন্যায়ালয়ৰ এইটো অধিকাৰ আছে কাৰণ Clause 43246 of the Schedule appended to Rule 4 (a) of the Citizenship Act, 2003. তাৰোপৰি আমি কৈছিলো যে Nodal Officer বোৰে এইটো ভালকৈ deal কৰিব লাগে আৰু মহামান্য উচ্চতম ন্যায়ালয়ে এইটো চাব লাগে। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা যিবিলাক inhabitant ইয়াত আছে, তেওঁলোকৰ documents খিনি নথকাৰ বাবে তেওঁলোকৰ নাম বাদ পৰিছে লগতে কিছুমান indigenous মানুহৰ নামো বাদ পৰিছে গতিকে সেই মানুহখিনিৰ নাম ইয়াত সোমাব লাগে। ইয়াৰ পিছত ১৫-০৯-২০১৮ তাৰিখে ৫ টা documents মহামান্য উচ্চতম ন্যায়ালয়ে বাদ দিয়াৰ পিছত কৈছিলো যে এই ৫ টা documents বাদ দিব নালাগে যিহেতুকে ১৫ টা documents ৰ ওপৰত NRCখন হৈছে আৰু সেই NRCখন এতিয়াও সেই ১৫ টা documents ৰ Claims and Objection ৰ ভিত্তিত verification হ'ব লাগে যাতে ভাৰতীয় নাগৰিকৰ নাম সহ এখন error free অৰ্থাৎ এখন শুদ্ধ NRC হ'ব লাগে। তাত বিদেশীৰ নাম থাকিব নালাগে। এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট। সদনক mislead কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** সাধাৰণতে, আমি সদনত statement পঢ়ি দিব লাগে কিন্তু আপোনাৰ লৰালৰি হোৱাৰ বাবে statement টো নানিলে গতিকে ইয়াৰ এটা লিখিত statement অহাকালি সদনত circulate কৰি দিলে ভাল হ'ব কাৰণ অহা শুক্ৰবাৰেও আমাৰ এই বিষয়টো আছে, you can take part .

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** কওঁক।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** মন্ত্ৰী ডাঙৰীয়াই আমাক mislead কৰা বুলি কৈছে। আমাৰ অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে তিনিখন কাগজ দাখিল কৰিছিল, মন্ত্ৰী ডাঙৰীয়াই তাৰ আধাহে পঢ়ি দিছে। মই আপোনাক কাগজ কেইখন দাখিল কৰিম। ১৯ মে', ২০১৭ চনৰ affidavit খনত কোৱা হৈছিল যে, further stated that any order/guideline issued in

contradiction or in excess of or beyond the rules. Rulesত 1951 NRC আৰু 1971 voter listৰ কথা আছে। Rules ৰ বাহিৰে বাকীখিনি মানিব নালাগে বুলি ১৯ মে’ ২০১৭ তাৰিখে কাগজ দাখিল কৰিছে আৰু ইয়াত তাৰ চহী আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে মই এইখিনি চাম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই আপুনি কোৱাৰ দৰে অহাকালি এটা statement দি দিম। অধ্যক্ষ মহোদয়, মই এটা কথা দুখেৰে কৈছো যে, victory has got many father and defeat is an orphan। গতিকে আজি NRC খন যে সকলোৰে সহযোগত হ’ল, এতিয়া ইয়াৰ পিতৃ বহুত ওলাইছে, সকলোৰে নিজক পিতৃ বুলি ভাৱে।

**মাননীয় শ্ৰী ৰকিবুল হুছেইন,( চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত পিতৃ কোন, মাতৃ কোন সেইবোৰ তেওঁলোকে confuse কৰিছে, আমি কৰা নাই। আমি কৈছো যে, আপোনালোকে ৩ ধৰণৰ কাগজ দিছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next, Rule 54 , পবিন্দ্ৰ ডেকাই এটা Notice দিছিল, তেখেত উপস্থিত নাই গতিকে তেওঁ গুণিন্দ্ৰ নাথ দাসক অনুমতি দি থৈ গৈছে সেয়েহে গুণিন্দ্ৰ নাথ দাস ডাঙৰীয়া আপুনি কওঁক।

**মাননীয় শ্ৰী গুণিন্দ্ৰ নাথ দাস, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য পবিন্দ্ৰ ডেকাৰ Rule 54 ত “ গুৱাহাটীৰ দৈনিক ২৫,০০০ যাত্ৰী কঢ়িয়াবলৈ আছে মাত্ৰ ৪ খন ফেৰী। ” **‘আমাৰ অসম’** কাকতৰ ৭ ছেপ্তেম্বৰৰ বাতৰিটোত এইটো দাঙি ধৰা হৈছে। আমি সকলোৰে মৰ্মাহত যে কিছুদিন আগতে উত্তৰ গুৱাহাটীত ফেৰী দুৰ্ঘটনা হৈ যাত্ৰীৰ মৃত্যু হৈছিল। আচৰিত কথা যে উত্তৰ গুৱাহাটীৰ পৰা প্ৰতিদিনে ২৫,০০০ যাত্ৰী গুৱাহাটীলৈ আহে আৰু তাৰ বাবদ আমাৰ ফেৰী আছে মাত্ৰ ৪ খন। গুৱাহাটী ৰজা দুৱাৰ ঘাটত দুখন, গুৱাহাটী মধ্যম খণ্ডত এখন আৰু গুৱাহাটী -উত্তৰ গুৱাহাটীৰ মাজত এখনফেৰী আছে। ইয়াৰ উপৰিও ঘাটত অচল হৈ আছে ৬ খনফেৰী । অধ্যক্ষ মহোদয়, ইমান ব্যস্ততাপূৰ্ণ এইটো জাহাজঘাটত MVA Kaziranga বুলি এখন অত্যাধুনিক ফেৰী আছে যিখন ফেৰীত ডিজেলৰ খৰচ বেছি হয় কাৰণে সেইখনো বন্ধ হৈ আছে। এই ৪ খন ফেৰীৰ বিপৰীতে ২০০ খন ভুটভুটী নাওঁৰ অনুমতি দিয়া হৈছে। আমি জানো যে, ভুটভুটী বিলাকে অত্যাধিক যাত্ৰী কঢ়িওয়াৰ বাবে কেতিয়াবা দুৰ্ঘটনা হৈ যায়। গোটেই অসমত ১০৭ টা জাহাজ ঘাট আছে। তাত ২২০০ ভুটভুটীক আজি অনুজ্ঞাপত্ৰ দিয়া হৈছে। গতিকে আজি ফেৰী নোহোৱা কাৰণে মানুহৰ জীৱন কিমান বিপদ সংকুল হৈ পৰিছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে আমাৰ যি এই ১০৭ টা ঘাট আছে । তাত পৰ্য্যাপ্ত পৰিমানে ফেৰী দিব লাগে আৰু ভুটভুটীবিলাকৰো বছৰে বছৰে fitness certificate দিয়াৰ ব্যৱস্থা কৰিব লাগে। ভুটভুটীৰ চালক সকলক uniform দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ উপৰিও IWT ৰ যিসকল কৰ্মচাৰী আছে , তেওঁলোকেও নিজৰ দায়িত্ব ভালদৰে পালন কৰা দেখা নাপাওঁ। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ মোৰ অনুৰোধ যে জনসাধাৰণৰ জীৱনৰ নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এটা related বিষয় উত্থাপন কৰিব বিচাৰিছো। আমাৰ ফেৰী লাগেই। কিন্তু আজি নাওঁ বিলাক বন্ধ কৰাৰ ফলত চতিয়াত কণ কণ ছাত্ৰ-ছাত্ৰী

সকলৰ কি অৱস্থা হৈছে আমি দেখিছো।

**মাননীয় অধ্যক্ষ ঃ** হয়তো তাত দলং নাই কাৰণে এই অৱস্থা হৈছে।

**শ্ৰী আব্দুল খালেক ঃ** অধ্যক্ষ মহোদয়, কিন্তু নাওঁ বন্ধ কৰা সময়টো দীঘলীয়া হ'ব নালাগে আৰু তাৰ কাৰণে চৰকাৰে এটা policy ল'ব লাগে। এটা alternative mechanism লাগে আৰু যাত্ৰীৰ সংখ্যা Limited কৰিব লাগে।

**শ্ৰী নাৰায়ন ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰো এটা আবেদন আছে। মোৰ সমষ্টিত প্ৰায় ১ লাখ লোক চৰ অঞ্চলত বাস কৰে। তাত ২০০ খনতকৈ বেছি স্কুল আছে। প্ৰায় ১০০ জন টেট শিক্ষকে বাহিৰৰ পৰা গৈ তাত শিক্ষা দান কৰে। গতিকে তাত ভুটভুটী বন্ধ হৈ থকাৰ বাবে যথেষ্ট অসুবিধা হৈছে। সেয়েহে safety measure ব্যৱহাৰ কৰি নাওঁ সমূহ চলাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** Life Jacket বা safety measure দি এই নাওঁ সমূহক allow কৰিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানননীয় সদস্য কবীন্দ্ৰ ডেকাৰ হৈ গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে তাৰ ওপৰত মই কব বিচাৰিছো যে Inland Water Departmentটো যেতিয়া গঠন হৈছিল, কল্যাণ গগৈ নামৰ এজন Director আছিল, তেওঁ এজন marine engineer আছিল। তেওঁ Retired হৈ যোৱাৰ পাছত এতিয়া এই Department ত এজনো marine engineer নাই। আমাৰ দুজনমান Joint Director আছে, যিসকলৰ trade civil. Civil ৰ মানুহে marine engineer ৰৰ কি কাম কৰিব? গতিকে গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই ঠিকেই কৈছে যে, Inland Water Department ত বহুত কৰ্মচাৰী আছে। কিন্তু তেওঁলোকে ঠিকমতে কাম কৰা নাই। মই যোৱাকালি কৈছো যে যিবিলাক Civil বা Mechanical ৰ Director বা Joint Director আছে আপোনালোকে অসমৰ ৰাইজৰ স্বাৰ্থত volunteer retirement লওঁক যাতে আমি নতুন নতুন marine engineer recruit কৰি ভালদৰে জাহাজ সমূহ চলাব পাৰো। অধ্যক্ষ মহোদয়, গুৱাহাটী নাওঁ দূৰ্ঘটনাৰ আগতেও মেদাৰটাৰীত এখন জাহাজ দূৰ্ঘটনা হৈছিল য'ত বহু লোকে প্ৰাণ হেৰুৱাইছিল। তেতিয়া এখন Khosla Commission হৈছিল আৰু তেওঁলোকে ২০১৩ চনত এটা report দাখিল কৰিছিল। কিন্তু সেই report টোৰ মতে কোনো কাম হাতত লোৱা নহ'ল।

সেইদিনা উত্তৰ গুৱাহাটীত যিটো নাওঁ দূৰ্ঘটনা হ'ল, সেই নাওঁত যদি double engine থাকিলেহেঁতেন তেতিয়া এই দূৰ্ঘটনা নহ'লেহেঁতেন। আমাৰ IWT ৰ staff এ কেইজনমান লোকক উদ্ধাৰ কৰিলে যদিও ৪ গৰাকী লোকৰ এই দূৰ্ঘটনাত মৃত্যু হ'ল। এই IWT Department ৰ এটা পৰিবৰ্তন আনিব বিচাৰিছো আৰু সেই কাৰণে IWT ৰ এখন Bill আমি বিধান সভাত আনিম।

আন এটা ডাঙৰ কথা যিটো আমাৰ গুণীন্দ্ৰ নাথ দাস ডাঙৰীয়াই কৈছে যে MVA Kaziranga খন Diesel বেছি খৰচ হোৱাৰ কাৰণে বন্ধ হৈ আছে। এই কথাটো সত্য নহয়। MVA Kaziranga খনৰ Gear box ৰ কাম চলি থকাৰ কাৰণে এইখন বন্ধ হৈ আছে। Diesel ক লৈ Govt. concern নহয়। যিমান Diesel লাগে আমি দিব পাৰো। ইয়াৰ উপৰিও অধ্যক্ষ ডাঙৰীয়া, আপুনি শুনি আচৰিত হ'ব যে MVA Chandardinga বুলি এখন জাহাজ আছে যিখন ১৯৭৪ চনতে তৈয়াৰ কৰা। এইখন এতিয়াও কেনেকে চলি আছে নাজানো।

এইখনৰ ওপৰতো কোনো ব্যৱস্থা লোৱা নাই। MVA Kaziranga ৰ এখন জাহাজ ১৯৭৪ চনৰ আৰু আনখন ১৯৭৬ চনৰ। MVANumber বুলিও এখন জাহাজ আছে। তাৰে এখন ১৯৭৬ ৰ এখন ১৯৮৫ ৰ আৰু এখন ২০০৯ ৰ । গতিকে এনেধৰণৰ বহু পুৰণি জাহাজে মানুহৰ জীৱনলৈ সংশয় কঢ়িয়াই আনিছে। যিবিলাক private operator এ private operation কৰি আছে তেওঁলোকেও কোনো নীতি নিয়ম নামানে। সেইকাৰণে আমি IWT ৰ এখন নতুন আইন অনাৰ ব্যৱস্থা কৰিছো। Airport Regulatory Authority. আমাক কথা হ'ল যে ৪৬ বছৰীয়া জাহাজ বা নাওঁ ব্যক্তিগত বা চৰকাৰীয়ে হওঁক য'ত double engine নাই, লগাব লাগিব। লাগে আমাৰ মানুহক alternative ব্যৱস্থা কৰি দিম কিন্তু without double engine, without life jacket নহব। যদি তাত ২৫ জন মানুহ আছে, তাত ২৫ টা life jacket দিব লাগিব। private ততো থাকিব লাগিব, চৰকাৰীততো থাকিব লাগিব। আৰু flight ত যেনেকৈ ঘোষণা কৰি দিয়ে যে fasten your seat belt. এয়টো আমি আমাৰ regulation ত আনিছো। ২৫ জন যাত্ৰীৰ যদি capacity আছে ২৫ জনে life jacket পিন্ধিব লাগিব। life jacket পিন্ধাৰ পিছত তাত সৰু briefing দিব IWT ৰ মানুহে বা যিবিলাকে ব্যক্তিগত ভাৱে চলাইছে তেওঁলোকেও এই life jacket লৈ বাছিব পাৰিব। সকলো নাওঁ বা জাহাজত এইটো একবাৰে compulsory হবই লাগিব। মানুহৰ জীৱনক লৈ negligence মই সমৰ্থন নকৰো। double engine য়ো হবই লাগিব। সেই কাৰণে মই ভাৰত চৰকাৰৰ CT Ministry ৰ লগত কথা পাতিছো, তেওঁলোকে কৈছে যে আমাৰ ইয়াত কোনো enforcement নাই, registration নাই, নিজৰ খুছিমতে নাওঁ বনাইছে ৩০,৪০ বছৰ আগত আৰু সেইখনে চলাইয়ে আছে । আৰু IWT বিভাগত কোনতো ঘাট কোনতো লেছিক দিব, কাৰ লগত কোন লেছিৰ সম্পৰ্ক, এই বিলাক হৈছে IWT বিভাগৰ কাম। গতিকে এই ক্ষেত্ৰত মই কঠোৰ ব্যৱস্থা লম।

অধ্যক্ষ ডাঙৰীয়া আপুনি আৰু এটা কথা শুনি সুখ পাব যে এতিয়া আমি চাৰিখন জাহাজ মাজুলিত দিছো, তিনিখন জাহাজ গুৱাহাটীত দিম। এখন জাহাজ বনাবলৈ কমেও দহ মাহ সময় লাগে আৰু জাহাজ কোম্পানি এটা বা দুটা private য়ে আছে আৰু জাহাজ কোম্পানি নাই। গতিকে আমি তিনিখন জাহাজ অতি সোনকালে গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগত দিম। আমি এই বিষয়টোক লৈ World Bank ৰ লগতো যোগাযোগ কৰিছো। World Bank কে আমাক ১০০০ কোটি টকা দিছে। এই ১০০০ কোটি টকাৰে আমি JT যিবিলাক ঘাট থাকিব। ঘাট বিলাক আমি অত্যাধুনিক ভাৱে প্ৰথমতে বনাম।

দ্বিতীয়তে The most modern ferry ভাৰতবৰ্ষত যাতে বনাই, best ferry আমি এই পইচা দি কিনিম যাতে অসমৰ ৰাইজে ভৱিষ্যতত নিৰাপত্তা পাব পাৰে। কিন্তু আজিৰ দিনটোত double engine নহলে ভুটভুটি চলিব নোৱাৰিব, এইটো কথা খাটাং। আৰু এটা কথা আপোনালোকক জনাওঁ যে ব্ৰহ্মপুত্ৰত উত্তৰ গুৱাহাটী আৰু গুৱাহাটীৰ মাজত দৈনিক ৩,০৮৮ মানুহ জাহাজেৰে পাৰ হৈ আছে। তাৰ ওপৰিও ASTC ৰ পৰা আমি ইতিমধ্যে তাত দহ খন অতিৰিক্ত বাছ দিছো। যাতে সেইখিনি যাত্ৰীৰ কোনো অসুবিধা নহয়। তাৰ ওপৰত RO-RO দিছো, ধুবুৰীৰ মানকাচাৰত প্ৰথমখন RO-RO দিছো। এখন RO-RO ৰ দাম হৈছে দহ কোটি টকা। আমাৰ MORT&H মন্ত্ৰী মাননীয় গাডকাৰী ডাঙৰীয়াক অনুৰোধ কৰাত ভাৰত চৰকাৰে এইটো free কৰি দিব বুলি কলে। এতিয়া আমাৰ পাচঁখন RO-RO দিব। তাৰে প্ৰথম RO-

RO খন মানকাচাৰত দিয়া হৈছে আৰু এখন RO-RO এই সপ্তাহৰ ভিতৰত আহি পাব সেই খন মাজুলিত দিয়া হব, তাৰে পিছত এখন গুৱাহাটীত দিয়া হব। তাৰে পিছত আৰু চাৰিখন RO-RO আহিব। এখন RO-RO ৰ দাম দহ কোটি টকা, তাত দুশ যাত্ৰী আৰু আঠখন ট্ৰাক যাব পৰা ক্ষমতা থাকে। গতিকে World Bank কে দিয়া ১০০০ কোটি টকাৰে বিভিন্ন ঠাইত ধুবুৰীতে হওঁক, বৰপেটাতে হওঁক অত্যাধুনিক ferry ৰ ব্যৱস্থা কৰিম।

**শ্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ লগত সম্পৰ্কিত মই এটা কথা কব বিচাৰিছো যে আমাৰ বহুত কেইখন জাহাজ কলকতাত ভাড়াত দিয়া আছিলে। অনাৰ ব্যৱস্থা কৰিছেনে? সেইখিনি আনিলে নে নাই? মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল পালো হয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ **১৬** খন barge আছে আৰু সেই barge বিলাক বহুত বস্তু কঢ়িয়াই, যেতিয়া বৃটিছ শাসন চলি আছিলে, তেতিয়া আমাৰ অসমত per capita income বেছি হৈছিল। কাৰণ তেতিয়া Chittagong Port লৈ access আছিলে। Road transport, rail transport and air transport ত কৈ water transport টো আটাইতকৈ cheapest route in the world। 1957 চনলৈকে আমি ধনি আছিলো তাৰ পিছত দুখীয়া হ'লো কিয়? 1957 চনত যিকোনে কাৰণে মনোমালিন্য হোৱাৰ কাৰণে Chittagong Port লৈ access টো বন্ধ কৰিলে। মাননীয় অধ্যক্ষ ডাঙৰীয়া অপুনি শুনি সুখ পাব আমাৰ কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে protocol sign কৰিছে তাতে Chittagong Port লৈ আমাক access দিছে আৰু সেই কাৰণে এই যিবিলাক barge কলিকতাত ভাড়া দি থৈ দিছিলে, সেই বিলাক আমি আনিবলৈ নিৰ্দেশ দিছো, সেই বিলাক আহি আছে। মাননীয় সদস্য সকলকো মই কওঁ যে এই কেৰি barge বিলাক যদি লব বিচাৰে আপোনালোকৰ লোৱাৰ কাৰণে ব্যৱস্থা কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম। your notice under 301.

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো আৰু আপুনি অনুমতি দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। বিষয়টো হ'ল অসমত ৰাজ্য ভাষা প্ৰয়োগত ব্যাপক বিফলতা। এই বিফলতাটো যোৱা দুইবছৰ মান আগতে **২০১৬** চনত অসম সাহিত্য সভা, কামৰূপ মেট্ৰ জিলা প্ৰশাসন আৰু বিভিন্ন দল সংগঠনে এটা অভিযান আৰম্ভ কৰিছিল যে মাতৃভাষা আৰু ৰাজ্যভাষা ব্যাপক প্ৰচলন হব লাগে আৰু যিবিলাক চৰকাৰী, অৰ্ধ-চৰকাৰী প্ৰতিষ্ঠান আৰু ব্যৱসায়ী প্ৰতিষ্ঠান বিলাকত ৰাজ্যভাষাৰ নাম ফলক আৰু বিভাগৰ ফলক বিলাক অসমীয়া ভাষাত হব লাগে। অতি পৰিতাপৰ কথা অধ্যক্ষ মহোদয় যে আমাৰ অসমখন ভাষাৰ ভিত্তিত গঠন হোৱা এখন ৰাজ্য আছিল। অসমীয়া ভাষাৰ ভিত্তিত অসম ৰাজ্যখন গঠন হৈছিল। এইখন অসমীয়া প্ৰধান ৰাজ্য, অসমীয়া ভাষা ইয়াৰ ৰাজ্য ভাষা আৰু ইয়াৰ মাতৃভাষা । অসমতে যদি আমি অসমীয়া ভাষা সংৰক্ষণ কৰিব নোৱাৰো আৰু অসমীয়া ভাষা ইয়াতে লাহে লাহে বিলুপ্ত হব ধৰে। এই ভাষাৰ প্ৰয়োগটো যদি কমি যায়, তেতিয়া ইয়াতকৈ দূৰ্ভাগ্যজনক কথা আৰু হব নোৱাৰে। ভাৰতৰ অন্য কোনো ৰাজ্যত বা পৃথিৱীত অন্য কোনো ৰাষ্ট্ৰত অসমীয়া ভাষাটো জীয়াই ৰখাৰ কোনো scope নাই। যদি আমি অসমত জীয়াই ৰাখিব নোৱাৰো। এই ক্ষেত্ৰত আমি উদ্বেগজনক তথ্য এটা পাইছো **১৯৯১** চনত যি census হৈছিলে অসমত অসমীয়া ভাষী লোকৰ সংখ্যা আছিলে almost 57% । এই সংখ্যাটো ২০০১ আৰু ২০১১ তকৈ আৰু এইটো almost 48% হল। এই কথা বিলাক আমি চাব লাগিব। ১৯৯১ ত ৫৭% আছিল, ২০০১ ত

গৈ ৪৮% কিয় হ'ল? ২০১১ ত almost 48% । আমি এই বিলাক কিছু অধ্যয়ন কৰি পালো আমাৰ অসমতো এনেকুৱা হ'ল যে আগতে যিবিলাক আমাৰ বিভিন্ন খিলঞ্জীয়া ভূমিপুত্ৰ জনগোষ্ঠীয়ে ১৯৯১ লৈকে মাতৃভাষা অসমীয়া বুলি লিখিছিল। পিছত এটা প্ৰৱনতা আৰম্ভ হ'ল যে তেওঁলোকে মাতৃভাষা বড়ো, কাৰ্বি, কোচৰাজবংশী এনেকৈ লিখিবলৈ আৰম্ভ কৰিলে। এটা বিচিন্নতা বাদী এটা মনোবৃত্তি গঢ় লৈ উঠিল যে যোৱা census ত কৈছে যে We are not Assamese we are koch- Rajbongshi. যি সকলে আগতে সকলোৰে অসমীয়া বুলি লিখে, এতিয়া তেওঁলোকে অসমীয়া বুলি লিখিবলৈ কিয় অস্বীকাৰ কৰি আছে। census ত লিখে মাতৃভাষা বড়ো, কাৰ্বি। গতিকে ৫০% ত কৈ তলত নামি যোৱাটো আমাৰ কাৰণে এটা উদ্বেগ জনক বিষয়। তাৰ লগতে আমাৰ যিবিলাক এই শিক্ষাৰ মাধ্যমত।

**মাননীয় অধ্যক্ষ ঃ-** আপোনাৰ প্ৰশ্নটো ৰাজ্যভাষা প্ৰয়োগত ব্যাপক বিফলতা। বাকীবিলাক ন'কব। ইয়াত বিভিন্নধৰণৰ কথা আহিব।

**শ্ৰী আমিনুল ইছলাম ঃ-** মাতৃভাষাৰ বিদ্যালয় বিলাকতো, এতিয়া দেখা গ'ল আমাৰ English Medium School ৰ যি প্ৰৱনতা, সেই বিলাকেও

**মাননীয় অধ্যক্ষঃ-** নাই নাই । এইটো নহয়, মই আপোনাক পুনৰ কৈছো, ৰাজ্যভাষা প্ৰয়োগ, চৰকাৰে য'ত ৰাজ্যভাষা প্ৰয়োগ কৰিব লাগে তাত বিফল হৈছে, ক'ত হৈছে দেখুৱাওক, চৰকাৰে যাতে কাম লয়।

**শ্ৰী আমিনুল ইছলাম ঃ-**এটা হ'ল ব্যৱহাৰিক প্ৰয়োগ আৰু এটা হ'ল আমাৰ মাজত মাতৃভাষাৰ চৰ্চা।

**মাননীয় অধ্যক্ষ ঃ-** সেইটো এটা বেলেগ ধৰণৰ বিষয়। সেইটো নকৰিব। আকৌ এটা Debate হ'ব পাৰে। মই আপোনাক কৈছো যে You confine your speech to the notice.

**শ্ৰী আমিনুল ইছলাম ঃ-** এই নটিচতেই মই ছাৰ গৈ আছো। মাতৃভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত, ২০১৬ চনত যিখন বৈঠক হৈছিল, আমাৰ কামৰূপ জিলা প্ৰশাসন, অসম সাহিত্য সভাৰ মাতৃভাষা আৰু ৰাজ্য ভাষা প্ৰয়োগ সমিতি আৰু Food and Civil Suply Department জোখমাখ নিৰ্ধাৰণ বিভাগ, বিভিন্ন বিভাগৰ কৰ্মকৰ্তা সকলৰ লগত যি বৈঠক হৈছিল, সেই বৈঠকত এটা সিদ্ধান্ত লোৱা হৈছিল, যে আমাৰ যিবিলাক চাইনবোৰ্ড লিখা হয়, ব্যৱসায়িক প্ৰতিষ্ঠানেই হওঁক, সেই প্ৰতিষ্ঠান বিলাকৰ চাইনবোৰ্ড বিলাকত অসমীয়া থাকিব লাগে। বেছিভাগ ইংৰাজীতে লিখে অসমীয়াত নিলিখে। আনকি যি বিলাক আমাৰ চৰকাৰী বিভাগৰ কাম-কাজ যি আমাৰ পঞ্চায়ত হওঁক, Rural Development হওঁক P W D হওঁক বা আমাৰ অন্যান্য Department ৰ যিবিলাক চাইনবোৰ্ড লিখে Implementation of works. কামৰ যিবিলাক বিবৰণ থকা নামফলক বিলাক লিখে তাত only English লিখে, এই কথাটোৰেই আচলতে সাহিত্য সভাৰ মাতৃভাষা আৰু ৰাজ্যভাষা প্ৰয়োগ সমিতিয়ে এই কথাটো বিছাৰিছিল যে আমাৰ চৰকাৰী বিভাগ সমূহত যদি বাধ্যতামুলক কৰি দিওঁ, যে আজি এনেৰেগাৰ এটা কাম হ'ল, পঞ্চায়ত বিভাগৰ, তাত সকলো work implementation, date সকলো ইংৰাজীতে লিখে অসমীয়াত লিখা নহয়। গতিকে আমাৰ প্ৰথম কথা হ'ল আমি চৰকাৰী বিভিন্ন বিভাগে এটা সময়ত এইটো ঘোষণা কৰিছিল। আমি চৰকাৰী কামকাজ বিলাকত ইংৰাজীতো লিখিলেও অসমীয়াতো লগত লিখা হ'ব। দেখা গ'ল কোনো নামফলকত , ক'তো, এই বিলাকত লিখা ন'হল। আৰু ব্যৱসায়িক প্ৰতিষ্ঠান বিলাকতো ইংৰাজীতে অধিকাংশ লিখা আছে আৰু এই অভিযানটো আৰম্ভ কৰিছিল তেতিয়াৰ কামৰূপ

মেট্ৰ'পলিটান ডি চিয়ে এম অংগমঠুয়ে সাহিত্য সভাৰ যিটো মাতৃভাষা আৰু ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ লগত বৈঠক ক্ৰমে তেখেতে নিজে এটা অভিযান আৰম্ভ কৰিছিল। group লৈ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী, অৰ্ধ চৰকাৰী প্ৰতিষ্ঠানৰ নামফলক বিলাকৰ অধিকাংশই ইংৰাজীত লিখা আছিল, এই বিলাক কলা ৰং সানি দি এটা অভিযান আৰম্ভ কৰিছিল, যে ইয়াত অসমীয়াটো দিব লাগিব। দেখা গ'ল, আধাতে এইটো সামৰি দিব লগা হ'ল। পিছত বাকী কামখিনি আৰু আগুৱাই লৈ যোৱা ন'হল। তাৰ পিছত হঠাৎ বন্ধ হৈ যোৱাৰ কাৰণে যোৱা দুবছৰত দেখা গ'ল, গুৱাহাটী মেট্ৰ' চিটিতেই দেখা গ'ল এতিয়াওঁ যিমান নাম ফলক আছে, চৰকাৰী অৰ্দ্ধচৰকাৰী ব্যৱসায়িক প্ৰতিষ্ঠান তাৰে more than 80% এতিয়া ইংৰাজী হৈ আছে। ইংৰাজীটো লিখক কিন্তু কথাটো আছিল লগত অসমীয়াও দিব লাগে। এইটো মাতৃভাষা প্ৰয়োগৰ এটা ব্যৱহাৰিক প্ৰয়োগ ইয়াত আৰম্ভ কৰাৰ এটা কথা আছিল। কিন্তু ইংৰাজীত লিখাৰ লগত এতিয়াও ৮০ শতাংশই অসমীয়া লগত দিয়া নাই। যিবিলাক কলা চিয়াহীৰে মচি দিছিল। সেই নামফলক বিলাক সলনি কৰি আকৌ ইংৰাজীতে ৰাখিছিল। অসমীয়াটো লগত ব্যৱহাৰ নকৰিলে। এটা কথাটোত প্ৰশাসনো কিয় স্থবিৰ হৈ গ'ল। বা তাৰ লগত সাহিত্য সভাৰ মাতৃভাষা বা ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ লগত যিটো সহযোগী হিচাবে কাম কৰিছিল, হঠাৎ স্থবিৰ হৈ গ'ল। আৰু তাৰ লগে লগে দেখা গ'ল যে আমি ইমান সচেতন নহয় বা আমি ৰাইজে বা আমি যি সকল দায়িত্বশীল আছো। আমিও যেন কথাটো ignore কৰি আছো। এই কাৰণেই হয়তো এইটো স্থবিৰ হৈ আছে। অধ্যক্ষ মহোদয়, আজি যদি এই কথাটো কোৱা হয় মোৰ ল'ৰাক যে তুমি মোৰ এই দুচকীয়া বাহনখন লৈ গৈ উপ-পতি সমাহৰ্তা কাৰ্য্যালয়ৰ ওচৰত থকা গেছ বিতৰণ কেন্দ্ৰৰ পৰা বায়ু চিলিণ্ডাৰটো ভৰাই লৈ অনা। তেতিয়া ল'ৰাটোৱে কিন্তু বুজি নাপায় , তাক যদি মই কৈ দিও যে মোৰ বাইচাইকেলখন লৈ SDC Office ৰ ওচৰত থকা গেছ এজেঞ্চিৰ পৰা গেছ ছিলিণ্ডাৰটো ভৰাই লৈ অনা। তেতিয়াহে বুজি পাব। কথাটো অতি দুখেৰে কৈ আছো। তাক যদি মই কওঁ যে দুচকীয়া বাহনখন লৈ উপপতি সমাহৰ্তা কাৰ্য্যালয়ৰ ওচৰত থকা ৰন্ধনগেছ বিতৰণ কেন্দ্ৰৰ পৰা ভৰাই লৈ আনা তেতিয়া সি কব যে পাপা কি কৈছে আপুনি ?

**মাননীয় অধ্যক্ষ ঃ-** পাপা টোও ইংৰাজী শব্দ।

**শ্ৰী আমিনুল ইছলাম ঃ-** আমি বিচাৰিছো ঘৰতো কওঁক। লগতে অৰ্ধ চৰকাৰী, চৰকাৰী সকলোতে ব্যাপক implement হব লাগে , আৰু প্ৰশাসনে যিটো উদ্যোগ আৰম্ভ কৰিছিল ২০১৬ চনত। সেই উদ্যোগটো বন্ধ হৈ যোৱাটো এটা দুভাগ্যজনক কথা হৈছে। চৰকাৰে অন্ততঃ চৰকাৰী কাম বিলাকত এইটো বাধ্যতামুলক কৰিব পাৰে এইটোৰ ওপৰত গুৰুত্ব দিয়ে যেন।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই ২৬-০৯-২০১৮ তাৰিখে অসম বিধান সভাৰ চলিত অধিবেশনত ৩০১ ৰ (under Rule 301) 05-09-2018 তাৰিখে 'দৈনিক জনমভূমি" কাকতত প্ৰকাশিত "ৰাজ্যভাষাৰ প্ৰয়োগত ব্যাপক বিফলতা" শীৰ্ষক বাতৰি সন্দৰ্ভত উত্থাপন কৰা বিষয়টো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অসম চৰকাৰী ভাষা আইন ১৯৬০ আৰু ইয়াৰ ১৯৭০ চনৰ নিয়মাৱলীৰ প্ৰতি আনুগাত্য প্ৰকাশ কৰি চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়ে বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ চৰকাৰী আৰু অৰ্ধচৰকাৰী কাৰ্য্যালয় সমুহত চৰকাৰী ভাষা, অসমীয়া ভাষা চৰকাৰী কাম কাজত প্ৰয়োগ কৰাৰ বাবে সময়ে সময়ে অসমৰ বিভিন্ন জিলা সদৰ মহকুমা সমুহত চৰকাৰী ভাষা বিষয়ক

আলোচনাচক্ৰ, কৰ্মশালা ইত্যাদি অনুষ্ঠিত কৰি আহিছে। চৰকাৰী ভাষা প্ৰয়োগৰ প্ৰতি আগ্ৰহ উৎসাহ বঢ়াবলৈ, ভাষা বিষয়ক চাইনবোৰ্ড ইত্যাদি অসমৰ বিভিন্ন জিলাৰ সদৰ মহকুমা আৰু খণ্ডউন্নয়ন বিষয়াৰ কাৰ্য্যালয়, চৌহদত স্থাপন কৰা হৈছে। কাৰ্য্যালয়ৰ কাম কাজত চৰকাৰী ভাষা অসমীয়া প্ৰয়োগ কৰাৰ বাবে সহায়ক হোৱাকৈ এই সঞ্চালয়ৰ পৰা প্ৰশাসনীয় পৰিভাষা কাৰ্য্যালয়ৰ হাতপুথি, চুটিৰ নিয়মাৱলী, বিভাগীয় অভিযোগনামাৰ নিয়মাৱলী, অসম সামৰিক সেৱা আচৰণবিধি, ১৯৬৮ অসম ভুমি ৰাজহ নিয়মাৱলী সচিবালয়ৰ ব্যৱস্থা পুস্তক, পঞ্চভাষিক পৰিভাষা ইত্যাদি মুদ্ৰণ কৰা হৈছে আৰু বিষয়া কৰ্মচাৰী সকলক বিনামুলীয়াকৈ যোগান ধৰা হৈছে। চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়ৰ উল্লেখনীয় সফলতা হ'ল অসমীয়া চলন্ত অভিধান ২০০১ চনত মুদ্ৰন কৰি প্ৰকাশ কৰা হৈছে। আৰু এই বৃহত্তৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে উপায়ুক্তৰ মহকুমাধিপতি সকলৰ মাজত বিনামুলীয়াকৈ বিতৰণ কৰা হৈছে। কামৰূপ জিলা মহানগৰৰ জিলা প্ৰশাসনিক গুৱাহাটী মহানগৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ চাইনবোৰ্ড, হৰ্ডিং ইত্যাদিত চৰকাৰী ভাষা প্ৰয়োগ কৰাৰ বাবে সময়ে সময়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। যোৱা ২০১৭ চনত কামৰূপ মহানগৰ জিলা প্ৰশাসনে গুৱাহাটী পৌৰনিগম এলেকাৰ অধীনস্থ ব্যৱসায়িক প্ৰতিষ্ঠানক তেওঁলোকৰ নাম, ফলক আৰু ব্যৱহাৰিক ফলকত অসমীয়া ভাষা প্ৰয়োগ কৰাৰ বাবে আহ্বান জনাইছিল। এই ক্ষেত্ৰত কাৰ্য্যবাহী দণ্ডধীশ গুৱাহাটীৰ পৌৰনিগমৰ, আৰক্ষী আদি বিভাগত বিষয়াৰ লগত চৰকাৰী ভাষা প্ৰয়োগ যথোপযুক্ত ভাৱে সংশ্লিষ্ট ব্যৱসায়িক প্ৰতিষ্ঠানে কৰিছে নে নাই তদাৰক কৰিবলৈ দায়িত্ব দিছিল।

এইবছৰ আৰক্ষী উপ-আয়ুক্ত সকলক দুৰ্গাপূজা সমিতিৰ বেনাৰ, হৰ্ডিং,পোষ্টাৰ ইত্যাদিত ৰাজ্যভাষা ব্যৱহাৰ কৰাৰ কাৰণে পুজা সমিতি সমূহক আহ্বান জনোৱাৰ বাবে ১০-০৯-২০১৮ তাৰিখে অনুষ্ঠিত সভাত অনুৰোধ জনোৱা হৈছে। তাৰোপৰি অহা ০৮-১০-২০১৮ তাৰিখে সকলো দুৰ্গাপূজা সমিতিলৈ জিলা পুথিভঁড়ালত অনুষ্ঠিত হ'বলগীয়া সভাত দুৰ্গাপূজাৰ সকলো পেণ্ডেলৰ বেনাৰ, হৰ্ডিং,পোষ্টাৰ ইত্যাদিত ৰাজ্যভাষা প্ৰয়োগ কৰাৰ বাবে জিলা প্ৰশাসনৰ পৰা অনুৰোধ জনোৱা হ'ব। ৫ চেপ্তেম্বৰ, ২০১৮ তাৰিখে দৈনিক জন্মভূমি বাতৰি কাকতত প্ৰকাশিত বাতৰি সন্দৰ্ভত কব পাৰি যে, অসমত চৰকাৰী আইন, ১৯৬০ অনুসৰি বে-চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ নাম ফলকত বাধ্যতামূলকভাৱে চৰকাৰী ভাষা লিখা সন্দৰ্ভত কোনো নিৰ্দিষ্ট দফা বা বিধান নাই। চৰকাৰী ভাষা প্ৰয়োগৰ ক্ষেত্ৰত অসমৰ সকলো নাগৰিক আৰু দল সংগঠনৰ গঠনমূলক সহযোগিতাহে এইক্ষেত্ৰত অপৰিহাৰ্য্য হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই মোলৈ চাজেশ্যনটো দিয়ক।

**শ্ৰী কমলেক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ভাষা চাৰকুলাৰ আইন মতে বৰাকৰ চৰকাৰী ভাষাটো বেংগলী। ইয়াত NRC ৰ ফৰ্মখিনি বেংগলীত চপোৱা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ উত্তৰতো মই জানো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ফৰ্মখিনি বা হৰ্ডিং যিখিনি আছে কৰবাত হিন্দী, ইংৰাজী লিখা থাকে, সেইখিনি যাতে বেংগলীত হয়,অসমীয়াত হয়।

**শ্ৰী পদ্ম হাজৰিকা, চতিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ দিছে অসম বিধান সভাত শ্ৰী টংক বাহাদুৰ ৰাই ডাঙৰীয়াই যেতিয়া অধ্যক্ষ আছিলে বিধান সভাৰ কাৰ্য্য পৰিচালনা অসমীয়া কৰিবৰ কাৰণে এটা সিদ্ধান্ত লৈছিলে। এতিয়া কি হৈ আছে?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই যিটো জানো Subject টো correction, কাৰণ মই সেইটোত প্ৰস্তুত হৈ অহা নাই। বোধকৰো ব্ৰহ্মপুত্ৰ উপত্যকাত, বৰাক উপত্যকাত আৰু বি টি এ ডি অঞ্চলত আমি চৰকাৰী ভাষা এটা এটা দিছো। বাকী বিলাকো লগত আছে। কিন্তু এটা এটা কৰিব পাৰে গতিকে এই কথাবিলাক বৰ স্পৰ্শকাতৰ। মই এই কথাও কৈছো। মাতৃভাষাৰ প্ৰতি স্নেহ সকলোৰে আছে। কাৰণ জাতিৰ পৰিচয় হৈছে ভাষা আৰু সংস্কৃতি। সেই কাৰণে মাতৃভাষাত স্নেহ থাকে। অসমৰ বিভিন্ন জনগোষ্ঠী, বিভিন্ন ভাষা-ভাষী লোক হৈ অসম হ'ল। গতিকে আমি যদিও ভাষাৰ নামত অসম হৈছিল, তাৰপিছত সহ অৱস্থাত সকলো আছো আৰু এইবিলাক কথা মই সেই কাৰণে ইয়াত আলোচনা নকৰো । সেই কাৰণে আমি কিছুমান কথা আলোচনা কৰাত অসুবিধা আছে। আমি সকলোৰে ভাষণ দিব পাৰো সকলোৰেই ৰাজনীতিক। কিন্তু অনুভৱৰ আৰশ্যকতা বেছি। গতিকে আমাক অনুভৱ লাগে। আমাৰ পৰস্পৰে পৰস্পৰক সন্মান জনোৱাটো দৰকাৰ। আমাৰ ইয়াত সৰু-সুৰা ভাষা বহুত আছে। আমাৰ মাতৃভাষা অসমীয়া। মই বেংগলীতো ভালকৈ ক'ব পৰা নাই, বড়োতো ভালকৈ ক'ব পৰা নাই বা বেলেগধৰণৰ তাই ভাষা বা তেনেকুৱা ধৰণৰ বহুত ভাষা আছে সেইবিলাকত আমাৰ অলপ দিগদাৰ হয়। গতিকে আমাৰ অনুভৱটো লাগে। যদি আমি একেলগে থাকিব লাগে, তেতিয়া ইজনে সিজনক সন্মান কৰিব লাগিব। কিন্তু এইটো সত্য যে য'ত যিটো মুল, সেই ভাষাটোৰ আমাৰ যিবিলাক চৰকাৰী কাৰ্য্যলয় আছে বা অন্য কাৰ্য্যালয় তাত চলিলে ভাল.।

মই শ্ৰী পদ্ম হাজৰিকাৰ ক্ষেত্ৰত নাজানো। সেইটো মই চেক কৰিম। মই চেকটো কওঁতেই ইংৰাজীতে কলো। কথা এটা হ'ল যে, ইয়াত যিহেতু দুভাষীৰ মানুহ আমি ৰাখো, বেংগলী ভাষাৰ আছে, বড়ো ভাষাৰ আছে, তেখেত সকলে কব পাৰে। আমি তাৰ কাৰণে মানুহ ৰাখো। কিন্তু interpreter মই নতুন বিল্ডিংটোত সেইটো বিচাৰিছো। কোনোবাই যদি নিজৰ কিবা এই কথা কোৱাৰ কাৰণে নিজৰ ভাষাত কব খোজে কওঁক। আমাৰ আপত্তি নাই। কাৰণ আমি সকলোৰে অসমীয়া। অসমীয়া মানে অসমীয়া ভাষাটো মই কোৱা নাই। অসমৰ ভিতৰ চৌহদটো থাকিব পাৰে। অসমীয়া বুলি কলে বাহিৰত বুজিবলৈ সহজ হয়। কিন্তু সেই কথাটো অনুভৱ কৰিব লাগিব। যিসকলৰ অসমীয়া মাতৃভাষা নহয়। এইটো বিষয়ত অলপ অসুবিধা আছে। মই আপোনাৰ পইণ্টটো চাই জনাম। ইয়াৰ পাছত শ্ৰী শ্বেৰমান আলি আহমেদ । ৩০১ ৰ এটা আছিল।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়,অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি অসমৰ প্ৰতিখন জিলাত শ্ৰম কাৰ্য্যালয়ত প্ৰয়োজনীয় বিষয়া কৰ্মচাৰী নিয়োগ আৰু অত্যাৰশ্যকীয় মুল্যগাথনি উন্নয়নেৰে কাৰ্য্যলয়সমূহ সক্ৰিয়া কৰা হওঁক। এই বিষয়টো উত্থাপন কৰিবলৈ সুযোগ দিয়াৰ বাবে মই পোন প্ৰথমে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আজি মোৰ এই বিষয়ৰ প্ৰেক্ষাপতটো হ'ল যোৱা ৭ চেপ্তেম্বৰ, ২০১৮ তাৰিখে মাননীয় মন্ত্ৰী শ্ৰীপল্লৱলোচন দাস ডাঙৰীয়াই এখন চিঠি পঠিয়াইছে যে অসমৰ যি শ্ৰমিক কল্যাণ নিধি তাত প্ৰায় ৮০০ কোটি টকা অব্যৱহিত হিচাপে ৰৈ আছে। এই চিঠিখন মোকেই দিয়া নাই। অসমৰ প্ৰতিজন মাননীয় বিধায়ককে এই চিঠি তেখেতে প্ৰদান কৰিছে। তেখেতে এই চিঠিৰ যোগেদি আমাক অনুৰোধ জনাইছে যাতে ৮০০ কোটি টকা শ্ৰমিক কল্যাণ নিধিত ব্যৱহাৰ কৰাৰ কাৰণে আমি উদ্যোগ লওঁ। যিহেতু এইটো অত্যন্ত গুৰুত্বপূৰ্ণ। আচলতে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে ৮০০ কোটি টকা ব্যৱহাৰ কৰাৰ কাৰণে মুকলি কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মই সকলো কথা ৰেকৰ্ড কৰি ৰাখো গতিকে ৰেকৰ্ডটো আকৌ শুনো।

আপোনালোকে correction নিদিয়ে কাৰণে কথাখিনি শুনি শুনি ঠিক কৰিব লাগে।

**শ্ৰী শ্বেৰমান আলি আহমেদ,বাঘবৰ ঃ** ধন্যবাদ, মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা অনুৰোধ কৰিম এইকাৰণেই মই কৈ আছো। মাননীয় মন্ত্ৰী মহোদয়ে অনুৰোধ কৰিছে যে, প্ৰতি ১২৬ জন বিধায়কে যদি উদ্যোগ লয়, এই ৮০০ কোটি টকাৰ ব্যৱহাৰৰ কাৰণে উদ্যোগ লওক। সেই কাৰণে মই যিখিনি কথা কম, এইখিনি আচলতে মাননীয় মন্ত্ৰী মহোদয়ৰ extention service হে। মাননীয় মন্ত্ৰী মহোদয়ে এটা workshop কৰিব লাগিছিল । আমাৰ প্ৰতিজন বিধায়ককে এই বিষয়ে সবিশেষ এটা explanation দিলে ভাল আছিল, তেতিয়া হয়তো এই দফাটো ব্যৱহাৰ হৈ নাথাকে। যিহেতু বিষয়টো গুৰুত্বপূৰ্ণ I am voluntarily doing the extention service on behalf of Hon'ble Minister. গতিকে মই অনুৰোধ জনাম যে যদি আপুনি পাৰে অলপমান সময় বেছিকৈ দিব।

**মাননীয় অধ্যক্ষ ঃ** কোনো সময়ৰ কথা নাই। Because time is limited, within the time you have to speak. সময় বেছি দিয়াৰ প্ৰশ্ন নাহে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যে, ৮০০ কোটি টকা আমাৰ অসমত শ্ৰমিকৰ কল্যাণৰ বাবে ব্যৱহাৰ এতিয়ালৈকে হোৱা নাই। এই ৮০০ কোটি টকা বা শ্ৰমিক কল্যাণ নিধিত যিখিনি টকা থাকে, কি কি কামৰ কাৰণে আমি খৰচ কৰিব পাৰো, শ্ৰমিকৰ কি কি কল্যাণ কৰিব পাৰি আৰু কি অসুবিধাৰ বাবে হোৱা নাই, যদি আমি সকলোৱে নাজানো অনাগত দিনটো এইখিনি অব্যৱহিত হৈ থাকিব। অকল অব্যৱহাৰ হৈ থকায়েই নহয়, এইবছৰ বোধহয়, আমাৰ বাজেটত ৩০ হাজাৰ কোটি টকা আছে মুঠ খৰছ। ৩০ হাজাৰ কোটি টকা যদি সচাঁকৈ capital expenditure হয়। এইবছৰ আকৌ ৩০০ কোটি টকা শ্ৰমিক কল্যাণ নিধি জমা হ'ব। অহা দুবছৰ যদি এনেই ৩০ হাজাৰ কোটি টকাকে খৰচ কৰে, তেতিয়াহ'লে আৰু ৬০০ কোটি টকা শ্ৰমিক কল্যাণ নিধিত জমা হ'ব। অৰ্থাৎ ২০২১ ৰ মাৰ্চলৈ আমাৰ প্ৰায় ১৭ শ কোটি টকাৰ শ্ৰমিক কল্যাণ নিধিত জমা হ'ব। এটা ডাঙৰ এমাউণ্ট ৰৈ আছে। আমি খৰচ কৰিব লাগিছিল, কৰিব পৰা নাই ইয়াৰ কাৰণ কি ? বা কেনেকুৱা সুবিধা শ্ৰমিকসকলে পায়। মই সেই বিষয়ে অলপমান কব খুজিছো যে, কি কি শ্ৰমিক হ'ব লাগে। Almost all types of workers.এই সুবিধা পোৱাৰ কাৰণে যিসকল শ্ৰমিকে গৃহ, অট্টালিকা, ৰাস্তা, পথ, ৰেলপথ, ট্ৰাপপথ, বিমান বন্দৰ, জলসিঞ্চন, নলা-নৰ্দমা, মথাউৰি, নৌ পৰিবহণ, বান নিয়ন্ত্ৰণ কাৰ্য্য আদি প্ৰতিটো উন্নয়নমূলক কামক সাঙুৰি লৈছে আৰু  ইয়াৰ সুবিধা পোৱাৰ কাৰণে শ্ৰমিক সকলৰ ৩ টা মান নুন্যতম চৰ্ত দিয়া আছে। এটা হ'ল স্থায়ী বাসিন্দাৰ প্ৰমাণ পত্ৰ হ'ব লাগিব, ভাৰতীয় নাগৰিক হ'ব লাগিব, তেওঁৰ ১৮-৬০ বছৰৰ ভিতৰত হ'ব লাগিব আৰু তেওঁ শ্ৰমিক হিচাপে পঞ্জীয়ণ কৰিব লাগিব। পঞ্জীয়ণ কৰাৰ কাৰণে তেওঁ শ্ৰমিক হিচাপে পঞ্জীয়ণ কৰাৰ আবেদন কৰাৰ আগত ৯০ দিন কাম কৰাৰ চাৰ্টিফিকেট লাগিব। So the system the conditions are very easy.It is very much within the capacity of our labours. আমাৰ শ্ৰমিক সকলে এইখিনি কৰিব পাৰে। আৰু শ্ৰমিক এজনে পঞ্জীয়ন কৰাৰ পাছত পঞ্জীয়ন কৰোতে ২৫ টকা পঞ্জীয়ন মাচুল তিনিমাহৰ পঞ্জীয়ন মাচুল ২০ টকাকৈ আগতীয়াকৈ দিব লাগিব আৰু প্ৰতিমাহত ২০ টকা খুব সহজ নিয়ম। আৰু পঞ্জীয়ন কৰাৰ লগে লগে কেনেকুৱা ধৰণৰ বেনিফিট এজন শ্ৰমিকে  পাব মই অতি চমুকৈ কৈ দিছো। Medical Assistance to beneficiary যদি কোনোবা এজন শ্ৰমিক মেডিকেলত ভৰ্ত্তি হব লগা হয় , প্ৰথম ৫ দিনৰ কাৰণে এহেজাৰ টকাকৈ পাব। তাৰ পাছৰ দিন বোৰৰ কাৰণে ২০০ টকাকৈ পাব

আৰু upto ২০ হাজাৰলৈ পাব। ২৫ শতাংশ partial disability হয়। ২৫ হাজাৰ টকা পাব। ৫০ শতাংশ disability যদি শ্ৰমিক জন হয় তেন্তে তেওঁ পাব ৫০ হাজাৰ টকা। ৮০ শতাংশ disability তেওঁ পাব তেও পাব ৭৫ হাজাৰ টকা । ৮০ শতাংশৰ বেছি disability থাকিলে ১,৫০০০০ টকালৈ এজন শ্ৰমিকে লাভ কৰিব। disability pension - প্ৰতি মাহত প্ৰতি জন disabled person য়ে ২০০০ টকাকৈ তেওলোকে পাব। কাম কৰাৰ প্ৰতিটো বছৰ পূৰ্ণ হোৱাৰ লগে লগে ১০০ টকাকৈ increment পাব। এজন শ্ৰমিকে পঞ্জীয়ন কৰাৰ পিছত যদি ২০০০ টকাকৈ অনুদান পায় এইটো তেখেতৰ বাবে এটা ডাঙৰ অনুদান। আমাৰ অসমত বহু disabled person আছে। disabled person শ্ৰমিক আছে ইয়াৰ ওপৰিও অধ্যক্ষ মহোদয় শ্ৰমিক এজনৰ সন্তানক ক্লাচ ওৱানৰ পৰা ক্লাচ ফোৰলৈ পঢ়িবৰ কাৰনে বছৰি ১৫০০ টকা দিয়াৰ নিয়ম শ্ৰমিক কল্যান নিধিৰ পৰাকৰা হৈছে। ক্লাছ ফাইফৰ পৰা চেভেনলৈ প্ৰতি বছৰে ২৭৫০ টকা । ক্লাচ এইটৰ পৰা ক্লাচ টেনলৈ প্ৰতি বছৰে ৪ হাজাৰ টকা । এলেভেনৰ পৰা টুৱেলভ প্ৰতি বছৰে ৭হাজাৰ টকা । ডিগ্ৰি পঢ়ি থাকিলে ১০ হাজাৰ টকা । Post Graduate পঢ়ি থাকোতে ২০ হাজাৰ টকা । এজন দুখীয়া শ্ৰমিকৰ কাৰনে huge finance assistance । cash award for meritorious students । যিসকল ছাত্ৰ-ছাত্ৰী meritorious তেওলোকক বছৰি ৩ জন শ্ৰমিকৰ সন্তান ৫০০০ টকা ৪০০০ টকা আৰু ৩৫০০ টকা এৱাৰ্ড দিয়াৰ নিয়ম আছে যাতে বাকী শ্ৰমিকৰ লৰা ছোৱালীখিনি পঢ়াত মনোযোগী হয়। marriage assistance for unmarried workers and two children of registered workers কোনোবা ৰৰ্কাৰ বিয়া হোৱা নাই বা registered workers দুজনৰ বিয়া নোহোৱা লৰা চোৱালীক বিয়াৰ বাবে গাইপতি ২৫ হাজাৰকৈ টকা দিব। এইটো big financial ground । maternity benefit - শ্ৰমিক যদি সন্তান সম্ভৱা হয় ২০ হাজাৰ টকা পাব। general pension benefit ২০০০ প্লাছ ১০০ টকা per month for every completed years service date of registration. ৬০ বছৰলৈ কাম কৰাৰ পিছত তেও পেনশ্যন পাব। অন্যান্য চাকৰিয়ালৰ দৰে প্ৰতি মাহত তেওঁ ২০০০ হাজাৰ টকা আৰু ৪০ বছৰলৈ তেওঁ কাম কৰিলে ২০০০ প্লাছ ২০ বছৰ কামৰ কাৰনে ১০০ টকা per month for every completed years। ৫ বছৰ যদি কাম কৰে প্ৰতিটো বছৰৰ বাবে ১০০ টকাকৈ ৫০০ টকা অৰ্থাৎ ২৫০০ টকাকৈ পেনশ্যন পাব। কোনোবাই যদি ২০ বছৰ কাম কৰে বেলেগে ২০০০কৈ টকা অৰ্থ্যৎ মুঠ ৪০০০ কৈ এজন শ্ৰমিকে পেনশ্যন পাব । ডেথ বেনিফিট - শ্ৰমিকজন মৰাৰ পিচত ৫০ পাৰ্চেন্ট পাব। famiy pension পাব। নৰ্মেল ডেথ হ'লে শ্ৰমিকে ৫০ হাজাৰ টকা পাব আৰু accidental death হ'লে ৩ লাখ টকালৈ এজন পঞ্জীয়নভূক্ত শ্ৰমিকে পাব। মৰাৰ পিছত funeral assistance ৫০০০ টকা পাব। টুলছ- ২০০০০ টকা পাব। ঘৰ construction ৰ বাবে শ্ৰমিকে advance ল'ব পাৰিব। লেণ্ডৰ বাবে ২ লাখ টকা পাব। হাউচ কনষ্ট্ৰাকশ্যনৰ বাবে ৩ লাখ টকা পাব। যিসকল পঞ্জীয়নভুক্ত শ্ৰমিক আছে । assistance for critical disease হ'লে ১০ লাখকৈ টকা পাব। এক বছৰত health check up ৰ কাৰণে ৫০০০ টকা পাব। কনভাৰ্জ আম আদমী যোজনা -normal death হ'লে ২লাখ টকা পাব। ২ লাখ accidental death ৰ। ২লাখকৈ মুঠ ৪ লাখ টকা পাব। গতিকে মাননীয় অধ্যক্ষ মহোদয় এই সা সুবিধাখিনি আমাৰ শ্ৰমিকসকলৰ বাবে মই ভাবো বহু ডাঙৰ অবদান। যিখিনি চৰকাৰী অন্য আচনিত দিব নোৱাৰো আমি যদি এই টকাখিনি ভালদৰে utilised কৰো আমাৰ ৰাজ্যৰ শ্ৰমিকখিনিৰ বাবে কল্যান হ'ব। ইয়াৰ আগৰবাৰ মই বিধায়ক

হওতে শুনিছিলো ২০১১ চনত ২৫০ কোটি টকা জমা আছে। ২০১৬ চনত ৫৫০ কোটি টকা জমা হৈ গ'ল। অহা ৩ বছৰত ৯০০ কোটি টকা জমা হোৱাৰ সম্ভাৱনা আছে। এই যে টকাখিনি ব্যৱহাৰ হোৱা নাই where there are millions of needy people but fund is remain unutilised . what is the cause এই কথাটো আমি যদি বিধান সভাত আলোচনা নকৰো ,ইয়াৰ চোলিউশ্যন নুলিয়াও তেতিয়াহ'লে এই টকাটো অব্যৱহাৰ হৈ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ভালকৈ কৈছে। কিন্তু অলপ সংক্ষেপ কৰক। ইতিমধ্যে ১৫ মিনিট সময় লৈছে। এই অব্যৱহাৰ হোৱা টকা খিনি কেনেকৈ ব্যৱহাৰ কৰিব চৰকাৰে সেইটো সদনক জনোৱাটো বেছি জৰুৰী।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** ঠিক আছে ছাৰ। ৩ টা কাৰন আছে ছাৰ তাৰে এটা হ'ল- খৰতকীয়াকৈ শ্ৰমিক পঞ্জীয়নৰ বাবে বিষয়া কৰ্মচাৰীৰ আৰু আন্তগাঁথনিৰ অভাব। শ্ৰম কাৰ্য্যালয়সমূহৰ কৰ্মৰত বিষয়া কৰ্মচাৰীৰ চৰম অৱহেলা আৰু ছাৰ ৩ নং কাৰনটো হল শ্ৰমিকসকলৰ সচেতনতাৰ অভাৱ। মই ভাবো অধ্যক্ষ মহোদয় এনেকুৱা কথা মন্ত্ৰী মহোদয়ে বাকচাতুৰ্যৰে মুল সমস্যাৰ পৰা আতৰি অহা দেখা যায়। যিহেতু এইটো অত্যন্ত গুৰুত্বপূৰ্ণ ইছু। মই ভাবো মাননীয় মন্ত্ৰী মহোদয়ে , এটা holistic approach লৈ ইয়াৰ উত্তৰ দিব। কেনেকুৱা ধৰনৰ অসুবিধা আমি ফিল্ডত পাইছো তাৰ just এটা উদাহৰন দিছো। মাননীয় অধ্যক্ষ মহোদয়। ২০১৪ চনত যেতিয়া আমি অফিচাৰ লৈ গৈ অলপ awareness কৰিছিলো তেতিয়া দেখিলো আমাৰ শ্ৰমিকসকলে এই কামখিনি তেওলোকে নিজাববীয়াকৈ কৰিব নোৱাৰিব। তেতিয়া মিটিঙত কিছু volunteer ৰ লৈ আছিল - যে, কোনে কোনে free of cost তেওঁক হেল্প কৰিবা- **২০-২২** জন volunteerৰ নাম ২০১৪ চনত মই ৰিক'মেণ্ড কৰিছিলো তেতিয়া এজন খুব ভাল অফিচাৰ আছিলে ।তেখেতে দুখনমান এৰাৰনেচ মিটিঙ কৰিলে। awareness meeting কৰাৰ পিছত যেতিয়া ভলিন্টিয়াৰ কেইগৰাকী অফিছত গ'ল - তেওলোকে পোৱা অসুবিধা হ'ল- হাৰ্ড কপিত application কৰিব লাগিছিল ।জিলা কাৰ্য্যালয়বোৰত ফৰ্মৰ অভাৱ। তেওলোকে ফৰ্ম দিব নোৱাৰে।প্ৰতিজন ভলিন্টিয়াৰে যদি ১০ জনকৈ লোক লৈ যায় । তেওলোকে ফৰ্ম নাই বুলি কয়। মই নিজে লেৱাৰ কমিশ্যনাৰ এজন উচ্চ পদস্ত বিষয়াৰ লগত যোগাযোগ কৰাত মোক form print copy ৰ অভাৱ বুলি ক'লে। দিম লাহে লাহে। গতিকে ফৰ্মৰ অভাৱৰ কাৰনে তেওলোকে ৰেজিষ্ট্ৰেশ্যনৈ কৰিব নোৱাৰিলে। দ্বিতীয়তে সেই বিষয়া যোৱাৰ পিছত আৰু এজন বিষয়া নিয়োগ হ'ল। তেখেতে ক'লে যে সদায়ো তোমালোকে নাহিবা , মোৰ ষ্টাফ নাই। সপ্তাহত এদিনকৈ ১০জনকৈ মানুহ লৈ আহিব। কিন্তু পিছৰ প্ৰায় এক মাহ সেই অফিছাৰো নাই , ষ্টাফো নাই।পৰৱৰ্ত্তী সময়ত তেওঁৰো ট্ৰেন্সফাৰ হ'ল। এতিয়া নতুন বিষয়া গৈছে , তেখেতে কেনেধৰনে কাম কৰিব নাজানো। শ্ৰম কাৰ্য্যালয়ত দেখা হৈছে , আমাৰ যিখিনি ভলিন্টিয়ৰ তেওলোকে information দিয়ামতে শ্ৰমিকসকলে interview attend হ'ব লাগে। কিছু formalities আছে। কিন্তু তাৰ কাৰনে বেছিভাগ শ্ৰম কাৰ্য্যালয়ত ষ্টাফৰ অভাৱ। এজন বা দুজন আছে। তেওলোকো বেচিভাগ কাৰ্য্যালয়ত উপস্থিত নাথাকে গতিকে মই বিচাৰিছো, আমাৰ টকাখিনি সদব্যৱহাৰ হোৱাৰ বাবে শ্ৰম কাৰ্য্যালয় সমূহ পৰ্য্যাপ্ত সা সুবিধা- ষ্টাফ দি কাৰ্য্যক্ষম কৰা হওক। লাগিলে আমাৰ অফিচাৰখিনিক additional staff দি বা তেওলোকেক কিছু orientation ৰ যোগেদি তেওলোকক motivate কৰা হওক , তেওলোক যাতে অফিচত ৰেগুলাৰ থাকে যাতে শ্ৰমিকখিনিক হেল্প কৰাৰ লগতে যাতে আন্তগাৰ্থনিখিনি উন্নত কৰি দিয়ে শ্ৰমিকৰ স্বাৰ্থত মই তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ....মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীপল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্বেৰমান আলি আহমেদ ডাঙৰীয়াই আমাৰ কনষ্ট্ৰাকচন ৱৰ্কাৰচ ৱেলফেয়াৰ স্কীমৰ সন্দৰ্ভত লগতে কেনেকৈ পুঁজিখিনি সদব্যৱহাৰ কৰা যাব সেই সম্পৰ্কে তেখেতে আমাক অৱগত কৰিছে । আমি কেইটামান বিষয় আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এই যিখন আমাৰ যিসকল কনষ্ট্ৰকশ্যন শ্ৰমিক বা নিৰ্মান শ্ৰমিক বুলি আমি কওঁ তাত এখন আইন অনা হৈছিলে ১৯৯৬ চনত।

সেইখন আছিলে Building and other Construction welfare for regulation and Emloyment and Condition of services. ১৯৯৬ চনতে এইখন আইন অনা গ'ল আৰু সেইখন আইনৰ আমাৰ ২০০৭ চনত Rules বনোৱা গ'ল অসমত। যদিও ২০০৭ চনত অসমত Rules বনোৱা গ'ল ইয়াক ২০১০ চনত implement কৰা হ'ল। ২০১০ চনৰ পৰা implemention ৰ যিটো machanisim, যিটো ইয়াৰ পৰা আমি Chese Collection কৰি, আমি এটা Fund create কৰো আৰু এই Fundৰ পৰা আমি গোটেই উন্নয়ন মূলক কাম কৰো। এইটো যদি শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই কৈছে যে ২০১৪ চনৰ পৰা তেওঁ গোটেই প্ৰক্ৰিয়াটো, তেওঁ যেতিয়া বিধায়ক আছিলে সেই বিধায়ক থাকোতে তেওঁ এই প্ৰক্ৰিয়াটোৰ লগত জড়িত হৈছিল আৰু তেওঁ চেষ্টা কৰিছিল। কিন্তু খুব সম্ভৱ ২০১৪ চনত হয়তো আমাৰ বহু বিধায়ক আছে, যি সকলে Construction worker ৰ সম্পৰ্কে তেওঁলোকৰ তাত একো তথ্য নাই, তেওঁলোকে নাজানিছিল যে আমাৰ এটা Construction Welfare Board আছে বুলি বহু বিধায়কে জনা নাছিল। Infact আমিও আছিলো সেই সময়ত তেতিয়া আমিও পোনপতীয়াকৈ এই বিষয়ে একো জনা নাছিলো, আমাৰ তাত কোনো তথ্য নাছিল। সেই কাৰণে এই বিভাগটোৱে তেতিয়া যেতিয়া কাম কৰিছিল, তাৰ যিটো ব্যৱস্থা আছিল ইয়াত সেই সময়ত এনেকুৱা আছিল যে ইয়াত সভাপতিৰ দায়িত্ব এগৰাকী অকৃতজ্ঞ বাহিৰৰ এজন ব্যক্তি আৰু member secretary জন Labour Commissioner ৰ দ্বাৰাই চলোৱা হৈছিল আৰু আমি দেখা পাইছিলো যিটো পিছলৈ ইয়াক উচ্চতম ন্যায়ালয়ে গোটেই তদাৰকত গোটেই ব্যৱস্থাটো ললে। এইটো implement নোহোৱাৰ কাৰণে কোনোবাই কোৰ্টত গৈছিলে, চুপ্ৰিম কোৰ্টে এইটো গোটেই ব্যৱস্থাটো নিজৰ তত্ত্বাবধানলৈ আনি ইয়াৰ গোটেই monitorটো, গোটেই বস্তুটো চোৱাৰ ব্যৱস্থা কৰা গ'ল। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কব লাগিব যে আজি এই বোৰ্ডটোৰ এনেকুৱা এটা অৱস্থালৈ কেনেকৈ আহিলে। চাৰ, মই যেতিয়া দায়িত্ব পালো প্ৰথম দিনাই মন্ত্ৰী হিচাপে দায়িত্ব পাই যেতিয়া এই বিভাগটোৰ যেতিয়া এই বিষয়টো চালো তেতিয়া এই বিভাগটোৰ যিটো Advisory কমিটি আছিল এই Advisory কমিটিৰ তেতিয়া মই দায়িত্বত আছিলো। তাৰ পিছত যিখন Executive কমিটি, যিখনে গোটেই পৰিচালনা কৰে, গোটেই কামখিনি পৰিচালনা কৰে তাত তেতিয়া অন্য এগৰাকী, আগতে নিযুক্তি দিয়া এগৰাকী অধ্যক্ষ আছিল আৰু Member Secretary ক তেওঁলোকে চলাই আছিল। তেওঁলোকৰ কাম কৰা যিটো ধৰণ, এই কাম কৰা ধৰণত আপুনি যদি চাই ইয়াত তেওঁলোকৰ যিটো নিয়ম আছিল যে আমি যিমান benefit দিওঁ, benefit ৰ ৫ শতাংশ টকা আমি Administrative costত খৰচ কৰো, এইটো নিয়ম। কিন্তু যোৱাবাৰ কি হ'ল, যে ২০১০ চনৰ পৰা যদি আমি চাওঁ, ২০১০ চনৰ পৰা আমি কোনখিনি benefit দিলো, আপুনি যদি benefit চাই ২০০৮ চনৰ পৰা যদি এইটো চাই নিয়ম হোৱাৰ পৰা, benefit দিয়া

হ'ল ২০১৬ চনলৈকে ৯.২৭ কোটি। ৯.২৭ কোটি টকা মাত্ৰ benefit ইয়াত দিয়া গ'ল। কিন্তু ইয়াত মুঠ খৰচ কিমান হ'ল চাৰ? এই ৯.২৭ কোটি টকা কেৱল মাত্ৰ benefit আৰু awareness and form, তেওঁ কৈছে যে form নাই বুলি, এই form printing ৰ কাৰণে আৰু বাকীখিনি ১২১ কোটি টকা ইয়াত খৰচ কৰা গ'ল। আপুনি কৈছে যে form পোৱা নাই ২০১৪ চনত, form printing ৰ কাৰণে ১২১ কোটি টকা খৰচ কৰা গ'ল আৰু awareness ৰ কাৰণে। আপুনি কৈছে awareness নাই, awareness ৰ নামত ১২১ কোটি টকা খৰচ কৰা গ'ল।

**মাননীয় অধ্যক্ষ ঃ** মুঠতে ১২১ কোটি টকা।

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** ১২১ কোটি টকা খৰচ কৰা গৈছে আৰু মই মন্ত্ৰী হৈও গম পোৱা নাই। যেতিয়া আমাৰ নতুনকৈ শ্ৰম আয়ুক্ত আহিলে তেওঁ দায়িত্ব পালে, আমি তেতিয়া বোৰ্ডত নাছিলো গম নাপাও, গোটেই বস্তুটো চালো, চাই যেতিয়া আমি CM Vigilanceত এইটো enquiry কৰিব দিলো। CM Vigilance য়ে enquiry কৰি সেইসময়ত দায়িত্বত থকা শ্ৰম আয়ুক্ত জনক arrest কৰিলে। Arrest কৰি এতিয়া এইটো গোটেই enquiry ৰ পৰ্য্যায়ত আছে, যিযো পৰ্য্যায়ত ইমান। চাওঁক চাৰ, ৯.২৭ কোটি টকা খৰচ কৰি ১২১ কোটি টকা এইবিলাক কামত খৰচ কৰিছে। এতিয়াও আমাৰ অফিচ বিলাকত গোটেই দম দম হৈ Form ৰ গোটেই বস্তুটো জমা হৈ আছে। য'ত ৰেন্ট দিব লাগে আমি। সেইযে পুৰণা দৰ্কাৰ নথকা সেই পুৰণা, কবলৈ এতিয়া মানে, শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়াই হয়তো খুব hollystrick approchedত কথাটো কৈছে, মই কবলৈ গলে বহুত, মই সেইকাৰণে এইটো কবলৈ যোৱা নাই। মই কোনো ৰাজনৈতিক দৃষ্টিভঙ্গীৰে কবলৈ যোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এইটো বেয়া কথা হৈছে। সেইটো আমি accept কৰাওঁক this is a very gross mistaked. মই কাৰো againstত কোৱা নাই।

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** মই কাৰো againstত কোৱা নাই, মই সেইকাৰণে কৈছো যে সেই সময়ত এইটো কিয় তদন্ত কৰা নগ'ল? আৰু খুব আচৰিত কথা, এইটো আচৰিত কথা যি সময়ত এইটো gross violation হৈছে, যি সময়ত gross violation কৰা হৈছে ২০১৪ চনৰ পিছত, য'ত যিখিনিৰ এইখিনি খৰচ কৰা হৈছিলে সেই সময়ৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সেই সময়ত শ্ৰম মন্ত্ৰীৰ দায়িত্বত আছিল। তেওঁ শ্ৰম মন্ত্ৰী হিচাপে দায়িত্বত সেই সময়ত থকাৰ পিছত, পৃথিৱী মাঝি ডাঙৰীয়াই সেই সময়ত মন্ত্ৰী আছিলে, তেওঁ তেতিয়া নাছিল। ২০১৪ চনৰ পৰা ২০১৬ চনলৈকে মাননীয় মুখ্যমন্ত্ৰীয়ে এই শ্ৰম মন্ত্ৰীৰ দায়িত্বত আছিল, সেই সময়ত। তেখেতৰ যেতিয়া দায়িত্বত আছিলে সেই সময়তে ১২১ কোটি টকা gross violation এইটো হ'ল। কিয় চোৱা নগ'ল, কিয় নেচালে? কিয় ১২১ কোটি টকা এনেকৈ খৰচ কৰা গ'ল আৰু গোটেই শ্ৰম বিষয়াৰ কাৰ্য্যালয় সমূহত আপুনি চাব, তাৰ বাবে আমি এটা ৰেন্ট দিব লাগে। কাৰণ আমি disposed কৰিব নোৱাৰো কাৰণ enquiry চলি আছে। আমি যদি disposed ক ৰো তেতিয়াও আমি সেইটোত enquiry ত পৰি যাম। তাৰ এতিয়া ৰেন্ট আমি ভৰিব লগা হৈছে। আজি এই অৱস্থা এইটো। মাননীয় অধ্যক্ষ মহোদয়, আপুনিও জানে শ্ৰমিকৰ সংখ্যা যদি অসমত চোৱা যায় প্ৰায় ২ কোটি শ্ৰমিক আছে। যদি সকলো পৰ্য্যায়ৰ শ্ৰমিক চোৱা যায়। কিন্তু শ্ৰম বিভাগৰ বাজেট কিমান? আজি গোটেই বিগত কাৰ্য্যকাল সমূহত চাওঁক শ্ৰম বিভাগৰ বাজেট কিমান? শ্ৰমবিভাগৰ বিষয়া কিমান? শ্ৰম বিভাগৰ বিষয়াৰ তেওঁলোকৰ কাৰ্য্যালয় চলোৱাৰ বাবে কি অৱস্থা আছে? তেওঁলোকৰ

কাৰ্য্যালয় বিলাকৰ অৱস্থা কি ? তেওঁলোকৰ এখন গাড়ী আছে নেকি ? আজিলৈকে এখন গাড়ী নাই, এটা কাৰ্য্যলয় চলাবৰ কাৰণে একো office maintanenceৰ একো ব্যৱস্থা নাই। কাৰ্য্যালয় বিলাকৰ জৰাজীৰ্ণ অৱস্থা আৰু যদি আপুনি বাজেট চাই কেৱল মাত্ৰ ২-৩ কোটি টকা বাজেট দিয়ে, শ্ৰম বিভাগটো আজি অত বছৰ চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কি ব্যৱস্থা ?

**শ্ৰীপল্লৱ লোচন দাস, মন্ত্ৰী ঃ** সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি সেই কাৰণে আজি কব বিচাৰো যে যেতিয়া আমি দায়িত্ব পালো আমি কেবাটাও নতুন নতুন চিন্তাৰে গোটেই কামখিনি কৰিব পৰা যায়নেকি আমি চেষ্টা কৰিলো। প্ৰথমে আমি BACW যিটো আছিলে, তাৰ আইনখনৰ সংশোধন কৰি আমি মন্ত্ৰীয়ে তাত সভাপতি হ'বৰ কাৰণে সেইটো সংশোধনী কৰি যাতে মন্ত্ৰীয়ে গোটেই বস্তুটো চাব পাৰে, আগত মন্ত্ৰীৰো দৃষ্টিগোচৰ নাছিল। তেওঁলোকে নিজাববীয়াকৈ নিজৰ ফাণ্ড বুলি ভাৱে, ভাৰি বহুতে সিদ্ধান্ত লৈ সকলো কাম কৰিছিল। সেইখিনি আমি সলনি কৰি সেইখিনি আওঁতাত আনিলো। তাৰ পিছত এতিয়া আমি গোটেই ব্যৱস্থাত সিদ্ধান্ত লৈছো যে আমি Administrative cost 5% তকৈ বেছি হ'ব নোৱাৰে, আমি adjustment কৰি এতিয়া আমি ৫ শতাংশ কৰিবৰ কাৰণে ব্যৱস্থা কৰিছো আৰু আমি এতিয়া ৩৬ কোটি ইয়াত benefit টো দিছো আৰু যিটো তেওঁ benefit গাই গ'ল, যিখিনি benefitৰ কথা কলে, যে এইখিনি benefit ইমান দিছিলে, চাৰ আগত যদি আপুনি চায় ইয়াৰ benefit খিনি তেনেকুৱা নাছিল। আগৰ যিটো benefit যদি চাই old rate যিটো, old rate টো কোনো ধৰণৰ নাছিলে, old rate বহুত কম আছিল, যিটো আগত মেডিকেল assistance আছিল সেইটো ২০০.০০ টকা আছিল আৰু ১০০০.০০ টকা আছিল, পুৰণা rate. আমি লাষ্ট কেবিনেটত সেই গোটেই ব্যৱস্থা কৰি আমি গোটেই ৰেটখিনি revise কৰিলো। যাতে শ্ৰমিক সকলে অলপমান তেওঁলোকে আগ্ৰহ প্ৰকাশ কৰে, যাতে তাত যাব পাৰে। সেই কাৰণে আমি গোটেই revise check কৰিলো। লগতে তেওঁলোকৰ যাতে social security ৰ ওপৰত বেছি গুৰুত্ব দিয়া যায়, তেতিয়া আমি প্ৰধান মন্ত্ৰী জীৱন জ্যোতি যোজনাৰ জৰিয়তে আৰু প্ৰধান মন্ত্ৰীৰ স্বাস্থ্য বীমা যোজনাৰ জৰিয়তে আমি তেওঁলোকক security ৰ ব্যৱস্থা কৰিলো। এতিয়া আপুনি যদি চায় এজন শ্ৰমিক যদি আজি ঢুকাই যায়, তেতিয়া তেওঁ যদি accident হয় তেতিয়াহলে তেওঁ আগৰ ২ লাখ টকা পাব আৰু আমাৰ যিটো general benefit accept death ৰ benefit যদি পাই সেই ফালৰ পৰাও তেওঁ ৩ লাখ টকা পাব। আজি যদি এজন শ্ৰমিকৰ accident হয়, তেওঁ আজি তেতিয়া ৩ লাখ টকা পাব, তাৰোপৰি insurance ৰ ফালৰ পৰাও তেওঁ ২ লাখ, ২ লাখকৈ accident আৰু বেমাৰ দুয়োটাৰ কাৰণে পাব। মুঠতে ৭ লাখ টকা এজন আজিৰ শ্ৰমিকে পাব পৰাকৈ আমি six social security ব্যৱস্থাটো কৰিছো। এতিয়া অধ্যক্ষ মহোদয়, আমি কেইটামান কথা কব বিচাৰো যে আজি ইমানখিনি আঁচনি থকাৰ ভিতৰতো কিয় আমি আঁচনিবিলাক implement কৰিব পৰা নাই। মই যোৱাবাৰ যেতিয়া প্ৰথম মন্ত্ৰীৰ দায়িত্বত থাকো তেতিয়াও মই গাইড লাইন খন সকলো বিধায়কক চাৰ্কোলেট কৰি দিছিলো আৰু এতিয়াও যোৱাবাৰ এই বিধান সভা আৰম্ভ হোৱাৰ আগতে সকলো বিধায়কলৈ চিঠি দিছো। আঁচনিৰ লগত টকাখিনিও কিমান আছে আমি দিছো আৰু আমি বিভাগক দায়িত্ব দিছো যে বিভাগে প্ৰতিগৰাকী বিধায়কৰ লগত যোগাযোগ কৰি যাতে benefit খিনি দিয়ে, যাতে সকলো বিধায়কে জানিব পাৰে। সেইখিনি আমি প্ৰথম পৰ্য্যায়ত কৰিছো। অধ্যক্ষ মহোদয়, আমি তিনিটামান সৰু সৰু কাম ইয়াত দিয়াৰ অসুবিধা আছে, প্ৰথম

কথা পঞ্জীয়ন। পঞ্জীয়ন নহলে আমি benefit দিব নোৱাৰো। পঞ্জীয়নটো বঢ়াবৰ কাৰণে একেবাৰে সহজ সৰল নিয়ম, ৯০ দিন কাম কৰিলে এজন মানুহক আমি নিৰ্মাণ শ্ৰমিক হিচাপে কব পাৰো। ৯০ দিন কোনে কব ? চাৰ, যদি মোৰ ঘৰতো কোনোবা শ্ৰমিকে কাম কৰিছে মই যদি ৯০ দিন তেওঁ কাম কৰিছে বুলি employeer জনে লিখি দিয়ে তেতিয়াহলে আমি তেওঁক নিৰ্মাণ শ্ৰমিক হিচাপে পঞ্জীয়ন কৰিব পাৰো। এতিয়া পঞ্জীয়ন কৰিবলৈ যাওঁতে শ্ৰমবিষয়াৰ কাৰ্য্যালয় সমূহত পঞ্জীয়ন কৰিব লাগে। কিন্তু শ্ৰমবিষয়াৰ কাৰ্য্যালয় সমূহ শক্তিশালী কৰিবৰ কাৰণে আমি নতুন ধৰণে ব্যৱস্থা কৰিব বিচাৰিছো। আমি এইবাৰ যিমান Construction Deptt. আছে সকলো বিভাগৰ লগত আলোচনা কৰিছো, যাতে গোটেই ব্যৱস্থাটো Computerization হয়। Computerization হলে চাৰ আমি Executive Engineer, PWD , Irrigation বাকী যি বিলাক Others Construction Deptt. তেওঁলোকক কম যে আপোনালোকৰ যিমান কাম কৰা শ্ৰমিক আছে, তেওঁলোকক আপোনালোকৰ কাৰ্য্যালয়ত Register কৰি দিয়ে। Register কৰি দিলে তেওঁলোকে Benefit খিনি পাই যাব। কিন্তু Manually হলে কোন মানুহ ক'ত Register হৈছে, আমি গম নাপাওঁ। সেই কাৰণে আমি Online Registration ৰ কাৰণে ইতিমধ্যে আমি এমট্ৰনক দায়িত্ব দিছো। এমট্ৰনে আমাক খুব কম দিনৰ ভিতৰতে এই গোটেই Registration mechanism টো কৰি দিব বিচাৰি আছে। আমি বিচাৰিছো যে এই বছৰৰ ভিতৰত Online Registration আমি কৰি দিম আৰু আমি Registering authority টো যিটো অফিচাৰ সেইটো আমি Construction Deptt ৰ Engineer সকলক আমি কৰি দিব পাৰো নেকি সেইখিনি ব্যৱস্থা আমি কৰিবলৈ চেষ্টা কৰিছো। দ্বিতীয় কথা আমি শ্ৰম বিভাগক আগবঢ়াই লৈ যাবৰ কাৰণে আমি এখন Welfare Society নিৰ্মাণ কৰিছো। সেই Welfare Society নিৰ্মাণ কৰি পেলাই আমি যাতে শ্ৰম বিভাগটো শক্তিশালী কৰিব পৰা যায়, তাৰ এটা পদক্ষেপ গ্ৰহণ কৰিছো আৰু সেই আমি Welfare Society ৰ জৰিয়তে শ্ৰমিক মিত্ৰ বুলি এগৰাকী বক্তিক নিযুক্তি দিব পাৰো নেকি এইটো আমি চেষ্টা কৰি আছো। যাতে আমাৰ শ্ৰমিক মিত্ৰ গৰাকীয়ে যাতে বিভিন্ন শ্ৰম বিভাগৰ কাৰ্য্যালয় বা বিভিন্ন Municipality বা Block Development Officer ৰ কাৰ্য্যালয় তাত যদি আমি তেখেতক ৰাখো, তেখেতে যাতে তাত থকা শ্ৰমিক সকলক যিখিনি শ্ৰমিক Related issue সেইখিনি লৈ আহি পেলাই যদি বিভাগৰ লগত মিলাই কামখিনি কৰা যায় তেতিয়া আমাৰ অন্তত শ্ৰম বিষয়া সকল নাথাকিলেও তেখেত সকলৰ লগত আমি কামখিনি কৰিব পাৰো সেই প্ৰয়াস এটা আমি কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰি আছো । তাৰোপৰি আমি ব্যৱস্থা কৰিছো শ্ৰম বিভাগটো আজি ইমান দিনৰ পৰা অৱস্থা নাই। শ্ৰম বিভাগটো আমি Cadre review কৰিব বিচাৰিছো। ইয়াৰ Strength যিটো আছিলে, একেবাৰে নিম্ন। ইয়াত যিটো Strength আছে, এইটো Strength ত ইমান শ্ৰমিকক আমি কৰিব নোৱাৰো। Domestic workers ৰ কাৰণে আমি Benifit Scheme লৈছো। আমি Organize sector ৰ কাম কৰিব লাগিব। আমাৰ তেনেকৈ Plantation workers ৰ কাৰণে মানুহ আছে তাৰোপৰি যি সকল Small tea growers আছে তেওঁলোকৰ কাৰণে কাম কৰিব লাগিব। তাৰোপৰি নিৰ্মাণ শ্ৰমিকৰ কাৰণে কাম কৰিব লাগিব। সেই Strength বঢ়াবৰ কাৰণে আমি Cadre review proposal এতিয়ালৈকে আমি ব্যৱস্থা কৰি আছো। আমাৰ যিখন কমিটি আছে, যিখন কমিটিয়ে গোটেই Cadre ৰ Strength চায় পেলাই তেওঁলোকে ব্যৱস্থা গ্ৰহণ কৰে আমি তাত Place

কৰিবৰ কাৰণে চেষ্টা কৰিছো। যাতে আমি Strength টো বঢ়াব পাৰো। প্ৰথমবাৰৰ বাবে এইবাৰ বিত্ত বিভাগৰ পৰা এইবাৰ অনুমোদন পাইছো। প্ৰথমবাৰ চাগে শ্ৰম বিভাগক আমি ১৩খন গাড়ী দিয়াৰ ব্যৱস্থা কৰিম এইবাৰ আমাৰ অনুমোদন হৈছে, এইবাৰ প্ৰথম শ্ৰম বিভাগৰ বিষয়াই হয়টো গাড়ী পাব। শ্ৰম বিভাগে প্ৰথমবাৰ চৰকাৰ অহাৰ পৰা চাৰ কাৰ্য্যালয় বিলাক নিৰ্মাণ কৰিছো, অন্ততো ১৫ টা কাৰ্য্যালয় মেৰামতি কৰিছো। প্ৰথমবাৰ চাৰ শ্ৰম বিভাগে ৫০ কোটি টকা আৰু ইয়াত যিমানখিনি টকা আছে টকা পাবৰ কাৰণে শ্ৰম বিভাগে ৩ কোটি পৰা ৪ কোটি পৰা প্ৰথম বাৰ ২২ কোটি টকা পাইছে। আমাৰ যিহেতু Centrally শ্ৰম ভৱন নাই, সেই কাৰণে আমি এইবাৰ শ্ৰম ভৱন এটা নিৰ্মাণ কৰাৰ চিন্তা কৰিছো। আমাৰ ৯ কোটি টকা ইতিমধ্যে আমাৰ Sanction দিছে, আমি শ্ৰম ভৱনৰ কাম কৰি আছো।

এতিয়া আমি যাতে সুন্দৰ ভাৱে যাতে শ্ৰমভৱন বনাব পৰো, যত শ্ৰমিক সকলৰ কাৰণে সকলো ধৰণৰ যি নতুন ধৰণৰ সুবিধা সেইখিনি যাতে আমি কৰিব পাৰো। তাৰোপৰি আমি চাৰ নিৰ্মাণ শ্ৰমিক সকলে বিভিন্ন ঠাইত কাম কৰিবলৈ যায়। তেওঁলোকৰ Night shelter ৰ কাৰণে কোনো ব্যৱস্থা নাই। তেওঁলোকে হয়টো ভাড়া ঘৰত থাকিব, তেওঁলোকে এনেকুৱা ধৰণে কাম কৰিবলৈ আহে তেওঁলোকৰ বহুত অসুবিধা হয়। প্ৰথমবাৰ আমি Night shelter বনাবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছো। এইবাৰ আমি গুৱাহাটীত Night shelter বনাম। যাতে তাত শ্ৰমিক সকল থাকিব পাৰে আৰু যি সমূহ ঠাইত উদ্যোগ স্থাপন হব সেইবোৰ ঠাইত নিৰ্মাণ শ্ৰমিক থাকিব পাৰিব। যাতে আমি Night shelter hall নিৰ্মাণ কৰিব পাৰো সেইটো আমি পদক্ষেপ গ্ৰহণ কৰিছো। আমি সকলো সন্মানীয় বিধায়ক সকলক অনুৰোধ জনাব বিচাৰিছো যে আমি নিৰ্মাণ শ্ৰমিক সকলৰ কাৰণে যিখিনি পুঁজি ধাৰ্য্য কৰিছো সেইখিনি সদ্ ব্যৱহাৰ কৰিবৰ কাৰণে আপোনালোকে যদি শ্ৰম বিভাগৰ কাৰ্য্যলয় সমূহ সকলো শ্ৰম বিভাগৰ বিষয়া সকলক কৈছো যে বিধায়ক সকলৰ লগত পোনপটীয়া যোগাযোগ কৰক। হয়টো অধিকাংশৰ লগত যোগাযোগ কৰিছে, যদি কৰবাত কৰা নাই আমি সেই সকলকো আপোনালোকক যোগাযোগ কৰিব দিম। আপোনালোকে তেখেত সকলক লগত লৈ নিৰ্মাণ শ্ৰমিকৰ পঞ্জীয়ন কৰি দিয়ক আৰু যিমান Benifit আছে, সেই Benifit ৰ সুবিধাখিনি লৈ যাওঁক আৰু সেইখিনি ব্যৱস্থা আগন্তক দিনত সুন্দৰভাৱে আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী বৃন্দাৱন গোস্বামী।

**শ্ৰী বৃন্দাৱন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং অনুসৰি এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰি বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইতিমধ্যে এই বিষয়টো মই জনাইছো, তেজপুৰ সমষ্টিৰ ভোমোৰাগুৰিৰ পৰা চকী ঘাটৰ দলং এই দীঘলীয়া অংশটো four lane কাৰণে বহু মাটি অধিগ্ৰহণ কৰিছে। অধিগ্ৰহণ কৰোতে ভালেবোৰ চৰকাৰী অনুষ্ঠান, শিক্ষা অনুষ্ঠান, স্বাস্থ্য বিভাগৰ প্ৰকল্প তাত ভাঙি পেলোৱা হৈছে। পঞ্চায়ত আদি ভূমিগৃহ আদিও লোৱা হৈছে। কিন্তু এই অনুষ্ঠান বিলাকত ক্ষতি পুৰণ হিচাপে কিমান টকা দিয়া হৈছে। এই বিষয়টো মই জনপ্ৰতিনিধি হৈ জানিব পৰা নাই। জানিব পৰা মতে এখন L.P School ৪৫ লাখ টকা পাইছে, আৰু তেওঁলোকে পোৱা সম্ভাৱনা আছে। এটা জনস্বাস্থ্য বিভাগৰ আমাৰ পানী যোগান আঁচনি four lane ত অধিগ্ৰহণৰ কাৰণে সেই অঞ্চলটোত মানুহে পানীৰ অভাৱত আছে। তাত গাওঁ পঞ্চায়ত আৰু ভূমি গৈছে ঘৰ-বাৰী গৈছে, তাতো তেওঁলোকে ধন পাইছে বুলি কৈছে, এতিয়া দুটা কথা এটা কথা হল Revenue Deptt. এই ব্যৱস্থাটোত ধনখিনি দিয়া লৈকে আৰু ধনখিনি যেতিয়া পাইছে সেই পোৱা ধনখিনি সঠিক ভাৱে ব্যৱহাৰ হৈছে নে নাই? এইকথা বিলাক জনা

কোনো উপায় নাই কাৰণে আজি মই বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি জানিবলৈ বিচাৰিছো, যে চৰকাৰী কোন কোন অনুষ্ঠানৰ ভূমি অধিগ্ৰহণ কৰাৰ ফলত তেওঁলোকে কিমান ধন পালে। এই ধন বিলাক ক'ত জমা হল। যদি গাওঁ পঞ্চায়তে ধনখিনি পাইছে বা জমা হৈছে, এই ধনখিনি সঠিক ভাৱে ব্যৱহাৰ কৰিছে নে নাই ব্যৱহাৰ কৰোতে ক'ত অনুমোদন ললে আঁচনি কেনেকৈ ললে। তৃতীয়তে এখন বিদ্যালয়ত যেতিয়া ধনখিনি পাইছে এই ধনখিনি ক'ত জমা হল। এই সংশ্লিষ্ট বিভাগৰ অনুমোদন প্ৰয়োজন আছে নে নাই, নে তেওঁলোকে Executive Committee খন বহি সিদ্ধান্ত লব পাৰে নেকি? আমি যদি জানিব পাৰো এই অনুষ্ঠান বিলাকে কিমানখিনি ধন পাইছে, পাৰিলে আমি খবৰ লব পাৰিম। যে ৪৫ লাখ টকা L.P School খনে সৎ ব্যৱহাৰ কৰিছে নাই মই নিজে গৈ দেখিছো যে ঘৰ এটা সাঁজিছে, কিন্তু কিমান ধন পাইছে, কাৰোপৰা আমি সৎ উত্তৰ আমি জিলাৰ পৰাও পোৱা নাই বিভাগৰ পৰাও পোৱা নাই। সেই কাৰণে এতিয়ালৈকে Water Supply Scheme অধিগ্ৰহণ হল এই টকাখিনি কলৈ গল আৰু কোনো সেইটো নিৰ্মাণ কৰিব। কোনোৱাই কোনোৱাই কয় Four lane কোম্পানীটোৱে কৰি দিব। কোনোৱাই কৈছে টকাখিনি জমা হৈছে ক'ত জমা হৈছে এই তথ্যটো মই জিলাত পোৱা নাই। গতিকে মোৰ কথা হল, যি বিলাক চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানে ভূমি, বা প্ৰকল্প বিলাক অধিগ্ৰহণ কৰাৰ কাৰণে কিমান ধন তেওঁলোকে পালে। যদি আমি কথাখিনি জানিব পাৰো পৰৱৰ্তী সময়ত সেই টকাৰ সৎ ব্যৱহাৰ হয় কাম হল নে নাই জানিব পাৰিম। দ্বিতীয়তে ব্যক্তিগত লোকৰ ভূমি অধিগ্ৰহণ কৰিছে, মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়খন হোৱাৰ পিছত, Indian Statistical Institute খন অহাৰ পিছত আৰু ভালেবোৰ উদ্যোগ অহাৰ পিছত উদ্যোগ সম্প্ৰসাৰণ হোৱাৰ বাবে আৰু বিশেষকৈ Four lane হোৱাৰ লগে লগে তেজপুৰৰ গুৰুত্ব বাঢ়িছে আৰু বঢ়াৰ লগে লগে তাত ভূমিৰ দাবী বহুতৰ পৰাই আহিছে। বিভিন্ন ঠাইৰ মানুহে তাত ভূমি ক্ৰয় কৰিছে, এই ভূমি ক্ৰয় কৰিবলৈ যাওঁতে বহুত চৰকাৰী ভূমি আৱণ্টন দিয়া চৰকাৰী কৰণ কৰা ইমানবোৰ অভিযোগ আহিছে আন ঠাইৰ দৰে ভূ-মাফিয়া শব্দটো এতিয়া তেজপুৰত পৰিচিত শব্দ হৈছে, দুই , এজন আটক কৰিব লগীয়া অৱস্থা হৈছে। ইয়াৰ ফলত Four lane যেতিয়া গৈছে, যিবিলাক ব্যক্তিগত পট্টাদাৰ যিবিলাকে চৰকাৰী একচনীয়া মাটি ম্যাদী কৰি ইয়াৰ পৰা ধন পাইছে নেকি আমি জনা দৰকাৰ। আৰু বহু সময়ত ককাকৰ মাটি আছিল , ককাক ঢুকাল, দেউতকো ঢুকাল এতিয়া সেই মাটি বিলাক যিকোনো মানুহে দখল কৰিছে। যেতিয়া ধন আহিছে গাওঁবুঢ়াই এটা কথা কয় মণ্ডলে এটা কথা কয় তেনেকুৱা পৰিচিত মানুহৰ সম্পৰ্কত বহুত অভিযোগ আৰু প্ৰতি অভিযোগ আহিছে। এতিয়া সেই ধনখিনি কোনে পাব, এই লৈ স্থানীয় লোকৰ মাজত বেমেজালিৰ সৃষ্টি হৈছে। গতিকে এই কথা কেইটা মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো, এই কাৰণে আমি জনপ্ৰতিনিধি হিচাবে দৈনন্দিন ৰাইজৰ মাজত এই অভিযোগ বিলাক পাইছো। ইয়াৰোপৰি চৰকাৰী ভূমি ব্যাপকভাবে বেদখল হৈছে তেজপুৰত । Central University, Indian Statistical Institute কে আদি কৰি বহুত প্ৰতিষ্ঠান তেজপুৰলৈ গৈছে, বিভিন্ন উদ্যোগ স্থাপন হৈছে। ফ'ৰলেন হোৱাৰ লগে লগে তেজপুৰ পৰ্যটনৰ মূল কেন্দ্ৰ হোৱা হেতুকে অৰুণাচলৰ লগত ব্যৱসায়িক সম্পৰ্ক বাঢ়িছে আৰু তাৰ লগে লগে তেজপুৰ অসমৰ মূল এখন চহৰলৈ পৰিণত হৈছে । স্বাভাৱিক ভাৱে আগতে যি মাটিৰ দাম পঞ্চাশ হাজাৰ আছিল আজি সেই মাটিৰ মূল্য ৬০-৭০ লাখলৈ গৈছে । ৪০০-৫০০ বিঘাৰ খেতিৰ পথাৰ হস্তান্তৰ হৈছে অবৈধ ভাৱে । একো একোজন ব্যক্তিয়ে এনে ধৰণে সাধাৰণ মানুহৰ পৰা এই মাটি বিলাক ক্ৰয় কৰিছে আৰু তেজপুৰত ভূমি সম্পৰ্কত ব্যাপক কেলেংকাৰী হৈছে । এনে কেলেংকাৰীৰ

বহুত অভিযোগ আহিছে । সেইকাৰণে ভালেমান মধ্যভোগী দালাল মানুহ সোমাই সৰ্বসাধাৰণ মানুহক প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ আহিছে । অধ্যক্ষ ডাঙৰীয়া, এইবাৰ মই মাত্ৰ নিদিষ্টকৈ কৈছো - ফ'ৰলেনত কিমান চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাটি লৈ স্থানীয় ভাৱে সেই কমিটি বিলাকক দিছে আৰু সেইবিলাকৰ সঠিক ভাৱে ব্যৱহাৰ হৈছেনে নাই আমি জনা দৰকাৰ। দ্বিতীয়তে , যিবিলাক ব্যক্তিগত ভূমি ফ'ৰলেনত গৈছে তেওঁলোকে ক্ষতিপূৰণ হিচাপে কোনে কিমান পালে ? , একবিঘা মাটিত কিমান মূল্য নিৰ্দ্ধাৰণ কৰিছে আৰু মূল্য কোনে নিৰ্দ্ধাৰণ কৰিলে, কিহৰ ভিত্তিত কৰিলে ? মই বিষয়টো সম্পৰ্কত সোধাত মোক ক'লে কমিছ্নাৰ লেভেলত হৈছে, ওপৰৰ লেভেলত হৈছে । এতিয়া যিখিনি ক্ষতিপূৰণ পাইছে তাতকৈ আৰু বেছি পাব লাগে। এই টকা পোৱাৰ আশাতে কেতবোৰ মধ্যভোগী মানুহ ইয়াত সোমাই পৰিছে । গতিকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই এই বিষয় কেইটা পোনপটীয়া ভাৱে জানিবলৈ বিচাৰিছো আৰু জিলা প্ৰশাসনক এটা অনুৰোধ কৰিছো অন্ততঃ এই ক্ষেত্ৰত যাতে তেখেতসকলে সঠিকভাৱে কঠোৰ ব্যৱস্থা লয়। চৰকাৰে ইয়াত হস্তক্ষেপ কৰিব লাগে আৰু বিভাগীয় ভাৱে নিৰ্দেশ দিব লাগে ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, মাননীয় মন্ত্ৰী।

**শ্ৰীভবেশ কলিতা (মন্ত্ৰী, ৰাজ্যিক স্বতন্ত্ৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জ্যেষ্ঠ বিধায়ক সন্মানীয় শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই নিয়ম ৩০১ ৰ অধীনত ফ'ৰ লেনৰ বাবে যি মাটি অধিগ্ৰহণ হৈছে সেই সৰ্ম্পকত আৰু যিসকল ব্যক্তিৰ মাটি অধিগ্ৰহণ কৰা হ'ল তাৰ ক্ষতিপূৰণ সম্পৰ্কত কেইটামান গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিছে। সঁচাকৈ অধ্যক্ষ মহোদয়, অসমত ফ'ৰ লেন হ'ব লাগিব। ২০০০ চনত স্বনামধন্য প্ৰয়াত অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই সমগ্ৰ ভাৰতবৰ্ষক যোগ কৰিবলৈ যি ইষ্ট-ৱেষ্ট কৰিডৰ বনাইছিল তাৰ পৰবৰ্ত্তী অংশ হিচাপে তেজপুৰ পৰা জীয়াভৰালী তথা চকীঘাটলৈ যিটো প্ৰস্তাৱিত অংশ আছে ইয়াৰ কাম আৰম্ভ হ'ব। অধ্যক্ষ মহোদয়, শোণিতপুৰ জিলাৰ উপায়ুক্তই জনোৱা মতে তেজপুৰ সমষ্টিৰ ভোমোৰাগুৰি দলঙৰ পৰা চকীঘাটৰ প্ৰস্তাৱিত জীয়াভৰলীৰ ওপৰৰ নতুন দলঙলৈ মুঠ পাঁচ বিঘা চাৰি কঠা দুই লেচা মাটি অধিগৃহীত কৰা হৈছে আৰু অধিগৃহীত ভূমিৰ ক্ষতিপূৰণ আদায়ৰ পৰিমান হৈছে ১,০২,৯২,১৬৫.০০ টকা আৰু অধিগৃহীত ভূমিৰ বাবে ইতিমধ্যে সকলো ক্ষতিপূৰণৰ আদায় দিয়া হৈছে। সবিশেষ আমি তালিকাত সংলগ্ন কৰিছো। লগতে উল্লেখিত অঞ্চলত মুঠ ৩৩২ জন ব্যক্তিৰ পৰা অধিগ্ৰহণ কৰা পট্টা ভূমিৰ পৰিমান হৈছে ১৪০ বিঘা ৩ কঠা ১৭ লেছা। অধ্যক্ষ মহোদয়, ক্ষতিপূৰণ ধন অনাদায় হোৱাৰ কাৰণ বিশেষকৈ ক্ষতিগ্ৰস্ত পৰিয়ালৰ মাজত থকা ব্যক্তিগত বিবাদ আৰু নিৰ্ধাৰিত ক্ষতিপূৰণৰ মূল্যত সন্তুষ্ট নোহোৱাৰ বাবে উক্ত ধন অনাদায় হৈ আছে। তাৰ মানে সন্তুষ্ট কৰিব পৰা নগ'ল। ইয়াৰ উপৰিও প্ৰতিবিঘা মাটিৰ মূল্য শোণিতপুৰ জিলাৰ উপায়ুক্ত মহোদয়ৰ দ্বাৰা ২০১৩ চনত অনুমোদিত জোনেল মূল্যৰ তালিকা অনুসৰি নিৰ্ধাৰণ কৰা হৈছিল। ইয়াৰ প্ৰতিলিপি ইতিমধ্যে সন্মানীয় বিধায়ক ডাঙৰীয়াক দিয়া হৈছে। আৰু উপৰোক্ত ক্ষতিপূৰণ সমূহ ১৯৫৬ চনৰ ৰাষ্ট্ৰীয় ঘাইপথ আইন আৰু ২০১৩ চনৰ মাটিৰ জোনেল মূল্যৰ ওপৰত ভিত্তি কৰি ক্ষতিপূৰণৰ মূল্য নিৰ্ধাৰণ কৰা হৈছিল। পৰৱৰ্ত্তী সময়ত ক্ষতিগ্ৰস্ত ৰাইজৰ অভিযোগৰ ওপৰত ভিত্তি কৰি আয়ুক্ত, উত্তৰ অসম সংমণ্ডল, তেজপুৰে এখন পত্ৰ দিছিল পত্ৰ নং চি.এন.এ/আৰ.আৰ/৮/২০১৭/৪৯ তাং ২৮/৫/২০১৮ হুকুম মৰ্মে ২০১৩ চনৰ ভূমি অধিগ্ৰহণ আইন, ২০১৬ চনৰ মাটিৰ জোনেল মূল্য আৰু নিৰ্দিষ্ট নিৰ্দেশ অনুসৰি সংশোধিত ক্ষতিপূৰণৰ তালিকা এন.এইছ.আই.ডি.চি.এল কতৃপক্ষক দাখিল কৰিবলৈ প্ৰস্তুত কৰি থকা হৈছে। অধ্যক্ষ মহোদয় অতিশীঘ্ৰে নতুন মূল্যায়নৰ

ভিত্তিত ক্ষতিগ্ৰস্ত সকলে পাব। সন্মানীয় জ্যেষ্ঠ বিধায়ক গোস্বামী ডাঙৰীয়াই যিটো কথা কৈছে সঁচাই ফ'ৰলেন হ'ল তাৰ মাটিৰ মূল্য বাঢ়িল আৰু ভূমাফিয়াৰ দপদপনিৰ যিটো কথা কৈছে সেইটো বন্ধ কৰাৰ বাবে মণ্ডল তথা কাননগুক বা আমাৰ অতিৰিক্ত উপায়ুক্ত, ৰাজহ আছে দায়িত্ব দিছো যাতে তাত কোনো ধৰণৰ ভূবিবাদ তথা ভূমাফিয়াই যাতে দপদপনি কৰিব নোৱাৰে। সন্মানীয় বিধায়ক ডাঙৰীয়া ঠিক কথা কৈছে পথ আদিৰ উন্নয়ন হ'লে সেই অঞ্চলৰ মাটিৰ মূল্য বৃদ্ধি হয়। এই বিষয়টোৰ ক্ষেত্ৰত চৰকাৰ সদায় সজাগ আৰু সচেতন আৰু আমি ৰাজহ বিভাগৰ তৰফৰ পৰা যিসকল ভূমাফিয়াই এই ধৰণৰ কামত লিপ্ত আছে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মই অসম বিধান সভাৰ উপাধ্যক্ষ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ আগবাঢ়িছো। উপাধ্যক্ষ পদৰ বাবে ছয়খন মনোনয়ন পত্ৰ পোৱা হৈছে। মই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ৮ (১) ৰ অধীনত প্ৰয়োজন হোৱা মনোনয়ন পত্ৰসমূহৰ তথ্য দাঙি ধৰিছো। আটাইকেইখন মনোনয়ন পত্ৰ একেগৰাকী মাননীয় সদস্য অৰ্থাৎ শ্ৰীকৃপানাথ মাল্লাহৰ সপক্ষে পোৱা হৈছে - মনোনয়ন পত্ৰ -১ প্ৰস্তাৱক শ্ৰীঋতুপৰ্ন বৰুৱা, সমৰ্থক সত্যব্ৰত কলিতা। মনোনয়ন পত্ৰ -২ প্ৰস্তাৱক শ্ৰীঋতুপৰ্ন বৰুৱা, সমৰ্থক থানেশ্বৰ বসুমতাৰী। মনোনয়ন পত্ৰ -৪ প্ৰস্তাৱক শ্ৰীঋতুপৰ্ন বৰুৱা, সমৰ্থক থানেশ্বৰ বসুমতাৰী। মনোনয়ন পত্ৰ -৫ প্ৰস্তাৱক শ্ৰীঋতুপৰ্ন বৰুৱা, সমৰ্থক সত্যব্ৰত কলিতা। মনোনয়ন পত্ৰ -৬ প্ৰস্তাৱক শ্ৰীঋতুপৰ্ন বৰুৱা, সমৰ্থক সত্যব্ৰত কলিতা। উপাধ্যক্ষ পদৰ বাবে মাত্ৰ এগৰাকী সদস্য বৈধভাবে মনোনীত হোৱা হেতুকে চতুৰ্দশ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাবে মই শ্ৰীকৃপানাথ মাল্লাহ বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিছো। নৱনিৰ্বাচিত উপাধ্যক্ষ শ্ৰীকৃপানাথ মাল্লাহ অসম বিধান সভাৰ ৰাতাবাৰী সমষ্টিৰ পৰা ২০১৬ চনত নিৰ্বাচিত হোৱাৰ আগতেও তেখেতে ২০০৩ চনত উপনিৰ্বাচনত আৰু ২০১১ ৰ সাধাৰণ নিৰ্বাচনত অসম বিধান সভালৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈছে, সেইফালৰ পৰা তেখেত এজন অভিজ্ঞ বিধায়ক আৰু তেখেত চাহজনগোষ্ঠীৰ উন্নয়ণৰ ক্ষেত্ৰত তেখেত বিশেষ ভাবে জড়িত ব্যক্তি। মই অধ্যক্ষ হিচাপে নৱনিৰ্বাচিত উপাধ্যক্ষক অভিন্দন জ্ঞাপন কৰিছো আৰু প্ৰথমে তেখেতৰ আসনলৈ আগবঢ়াই আনিবলৈ মই অনুৰোধ জনালো।

(সদনৰ দলপতি তথা মাননীয় মুখ্যমন্ত্ৰী প্ৰমূখ্যে প্ৰতিটো দলৰ নেতাসকলে নৱনিৰ্বাচিত উপাধ্যক্ষক তেখেতৰ আসনলৈ আগবঢ়াই আনে)।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া যিসকল মাননীয় সদস্যই নৱনিৰ্বাচিত উপাধ্যক্ষক সম্বৰ্দ্ধনা জ্ঞাপন কৰিব বিচাৰে তেখেতসকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰিবলৈ অনুৰোধ জনালো। প্ৰথমে সদনৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সম্বৰ্দ্ধনা জ্ঞাপন কৰিব।

**শ্ৰীসৰ্বানন্দ সোণোৱাল (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ সতীৰ্থ ৰাতাবাৰী সমষ্টিৰ মাননীয় বিধায়ক কৃপানাথ মাল্লাহ ডাঙৰীয়া আজি সৰ্বসন্মতিক্ৰমে এই পবিত্ৰ সদনৰ উপাধ্যক্ষ হিচাবে নিৰ্বাচিত হোৱাত মই অত্যন্ত আনন্দিত হৈছো আৰু তেখেতৰ প্ৰতি বিশেষ ভাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। সদনৰ প্ৰতিগৰাকী সদসকো এই ক্ষেত্ৰত সহায়-সহযোগিতা কৰাৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ দৃঢ় বিশ্বাস, কঠোৰ পৰিশ্ৰম আৰু সাধনাৰ যোগেদি নিজৰ সমষ্টিৰ ৰাইজক আস্থা আৰু বিশ্বাসত লৈ নিষ্ঠাৰে কাৰ্য্যনিৰ্বাহ কৰা কৃপানাথ মাল্লাহ ডাঙৰীয়া এগৰাকী অভিজ্ঞতা পুষ্ট ব্যক্তি, জনপ্ৰতিনিধি। অসমৰ বিভিন্ন পিছপৰা জাতি-জনগোষ্ঠী বসবাস কৰা ৰাতাবাৰী সমষ্টিৰ বিধায়ক হিচাপে তেখেতৰ কাৰ্য্যকালত নিষ্ঠাৰে

কাম কৰা কথাটো ইতিমধ্যে অসমৰ জনগণই ভালদৰে জানে আৰু সেই বাবে মোৰ দৃঢ় বিশ্বাস যিখিনি অভিজ্ঞতা তেখেতে কৰ্মপথাৰৰ পৰা এই পবিত্ৰ সদনলৈ বুটলি আনিছে, ইয়াৰ জৰিয়তে আগন্তুক দিনত উপাধ্যক্ষ হিচাপে নিশ্চিতভাৱে এই সদনৰ মৰ্য্যাদা বৃদ্ধি কৰাৰ ক্ষেত্ৰত তেখেতে এটা উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰিব। মই আগন্তুক দিনত তেখেতৰ বিশেষ সফলতা কামনা কৰি আৰু পুনৰবাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ লগতে পবিত্ৰ সদনক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কংগ্ৰেছ বিধায়িনী দল ।

**শ্ৰী ৰকিবুল হুছেইন, বিধায়ক ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পৰা উপাধ্যক্ষ কৃপানাথ মাল্লাহ ডাঙৰীয়াক অভিনন্দন জ্ঞাপন কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আপুনি মাল্লাহ ডাঙৰীয়াৰ বিষয়ে ক'বলৈ যাওঁতে ২০০৩ চনৰ কথা কোৱাৰ লগে লগে মোৰ মনত এতিয়া পুৰণি কথাবিলাক ভাহি আহিছে। ইলেকশ্যনৰ সময়ত তেখেতৰ লগত আমাৰ এক আত্মিক সম্বন্ধ গঢ়ি উঠিছিল । সেই সময়ত কংগ্ৰেছৰ মন্ত্ৰী ড° হিমন্ত শৰ্মাৰ লগত গৈ তেখেতক ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পৰা উপ-নিৰ্বাচনত জিকোৱাৰ দায়িত্ব পৰিছিল আৰু সেই সূত্ৰে মই মোৰ নিজা সমষ্টি চামুগুৰিক যিমান জানো তাতকৈ ৰাতাবাৰীক কম নাজানো। তেতিয়া আমি অনুমান কৰিছিলো যে এই চাহ জনজাতিৰ যুৱক জনৰ জীৱনত উন্নতি হ'ব আৰু সেই কথাকে আজি বাস্তৱত প্ৰতিফলিত হোৱা দেখিবলৈ পালো। তেখেত আজি উপাধ্যক্ষ পদত অধিষ্ঠিত হল। সংসদীয় ব্যৱস্থাত উপাধ্যক্ষ পদটো অতি গুৰুত্বপূণ। অসম বিধান সভাৰ এটা সুকীয়া ঐতিহ্য, মান আৰু মৰ্য্যাদা আছে। আমি যেতিয়া বেলেগ ৰাজ্যৰ বিধান সভাবোৰ চাওঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে আমি এখন বহু মান মৰ্য্যাদা থকা বিধান সভাৰ সদস্য। গতিকে আমি আশা কৰিম আমাৰ অসম বিধান সভাৰ মান - মৰ্য্যাদা যেন সদায় অক্ষুন্ন থাকে আৰু অধ্যক্ষৰ অনুপস্থিতিত উপাধ্যক্ষৰ দায়িত্ব পালন কৰোতে যেন তেখেতে নিৰপেক্ষ পদক্ষেপ গ্ৰহণ কৰে, আমি তাকে আশা কৰিলো। আমি ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পৰা অনুভৱ কৰিছো, ২০০৩ চনৰ সিদ্ধান্ত আমাৰ সঁচাকৈ সঠিক আছিল আৰু আজি কৃপানাথ মাল্লাহ ডাঙৰীয়াক উপাধ্যক্ষ পদত দেখি আমি সন্তোষিত হৈছো। অহা দিন বোৰত আমি তেখেতক গঠনমূলক সহযোগীতা আগবঢ়াম বুলি কথা দিছো আৰু লগতে পুনৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ পৰা তেখেতক অভিনন্দন জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম গণপৰিসদ দলৰ ফালৰ পৰা।

**শ্ৰী অতুল বৰা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাতাবাৰী সমষ্টিৰ বিধায়ক শ্ৰী কৃপানাথ মাল্লা ডাঙৰীয়াক আজি সৰ্বসন্মতিক্ৰমে উপাধ্যক্ষ হিচাপে সদনে নিৰ্বাচিত কৰাত আমি অতিশয় আনন্দিত হৈছো আৰু তেখেতলৈ অসম গণ পৰিষদ বিধায়িনী দলৰ পৰা আমি আন্তৰিক অভিনন্দন যাচিছো। কৃপানাথ মাল্লাহ ডাঙৰীয়াই ৰাজনীতি আৰম্ভ কৰিছিল পঞ্চায়তত। তিনিবাৰকৈ বিধায়ক হিচাপে অসম বিধান সভালৈ নিৰ্বাচিত হোৱা কৃপানাথ মাল্লাহ ডাঙৰীয়াক যোৱা দিনবিলাকত দেখিছো যে - তেখেত সমষ্টি আৰু ৰাজ্যখনৰ বিভিন্ন সমস্যাক লৈ উদ্বিগ্ন আৰু সক্ৰিয় । তেখেতে বিশেষকৈ নিজৰ সমষ্টিৰ সমস্যা সমূহ লৈ সমাধানৰ অৰ্থে আমাৰ লগত আলোচনাত মিলিত হৈছিল। আমি আশা কৰিম যে - মাল্লাহ ডাঙৰীয়াই অসমৰ মৰ্যাদা ৰক্ষা কৰিব আৰু নিৰপেক্ষ ভাবে তেখেতৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিব। আমাৰ দলৰ ফালৰ পৰা তেখেতলৈ শুভেচ্ছা জ্ঞাপন কৰিলো। ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** এতিয়া এ আই ইউ ডি এফ দলৰ ফালৰ পৰা।

**হাফিজ বছিৰ আহমেদ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাতাবাৰী সমষ্টিৰ বিধায়ক শ্ৰী কৃপানাথ মাল্লাহ ডাঙৰীয়াক অসম বিধান সভাৰ পৱিত্ৰ সদনত সৰ্বসন্মতিক্ৰমে উপাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰাত আমি অতিকৈ আনন্দিত হৈছো আৰু আমাৰ ভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ ফালৰ পৰা তেখেতক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। আমি আশা ৰাখিছো তেখেতৰ অভিজ্ঞতাপুষ্ট জ্ঞানেৰে এই সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হ'ব আৰু এই ক্ষেত্ৰত তেখেতে নিৰপেক্ষ ভূমিকা পালন কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস আছে। তেখেতৰ সকলো গঠনমূলক দিশত আমাৰ ফালৰ পৰা সম্পূৰ্ণ সমৰ্থন আৰু সহায় সহযোগ থাকিব। তেখেতৰ সফলতা আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বি পি এফ দলৰ ফালৰ পৰা।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, বিধায়িকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০০৩ চনৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈ অহা শ্ৰীযুত কৃপা নাথ মাল্লাহ ডাঙৰীয়া আজি অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হৈছে। প্ৰথমে আমাৰ দলৰ ফালৰ পৰা আপোনাক আন্তৰিকতাৰে অভিনন্দন আৰু শ্ৰদ্ধা জনাইছো। মাননীয় মাল্লাহ ডাঙৰীয়া, আপোনাক বহু বছৰৰ পৰা জানো। আপুনি এজন শান্ত-শিষ্ট আৰু সুন্দৰ মনৰ ব্যক্তি হয়। এইটো এটা দৃষ্টান্ত বুলি আমি ভাৱো। সেই কাৰণে আমি আশা ৰাখিছো বৰাকৰ লগতে পাহাৰীয়া অঞ্চল, বড়োলেণ্ড, ভৈয়াম অঞ্চলৰ সৰু সুৰা জাতি-জনজনগোষ্ঠী সকলৰ যিবিলাক সমস্যা সেই সমস্যা সমূহক আপুনি গুৰুত্ব সহকাৰে চাব এইটো আমাৰ বিশ্বাস আছে। ইয়াৰ লগতে শান্তি-সম্প্ৰীতি, ঐক্যতাৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিব বুলি আমাৰ আশা আছে। আমাৰ সদনৰ যিটো কনভেনশ্যন, সেই কনভেনশ্যন সুন্দৰ ভাৱে মেইনটেইন হ'ব বুলি আমি আপোনাৰ পৰা আশা ৰাখিছো। আপুনি এনেকুৱা ধৰণৰ ব্যক্তিত্বৰ ব্যক্তি যাৰ কাৰণে আজি আপোনাক সকলো দলে সৰ্ব্বসন্মতিক্ৰমে নিৰ্বাচিত কৰাত সহায় কৰিছে। সেইটোৱে এটা দৃষ্টান্তমূলক প্ৰতিচ্ছবি দাঙি ধৰিছে। আমি বহুত আশা কৰো। অধ্যক্ষ মহোদয়েও সুন্দৰ ভাৱে সদনখন চলাই গৈছে। ঠিক তেনেদৰে আপোনাৰ পৰাও আমি সকলোৱে আশা কৰিছো। সকলো মাননীয় সদস্য-সদস্যা সকলে তেওঁলোকৰ সমস্যাৰ কথা আপুনি সুন্দৰ ভাৱে পৰ্য্যালোচনা কৰিব বুলি আশা ৰাখি আমাৰ বি পি এফ দলৰ পৰা আপোনাক আকৌ পুনৰ বাৰ অভিনন্দন আৰু শ্ৰদ্ধা জনাই মোৰ চমু বক্তব্য ইয়াতেই সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰঞ্জিত কুমাৰ দাস।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস ঃ** পঞ্চায়তৰ সভাপতিৰ পৰা উপাধ্যক্ষ হোৱা বোধহয় প্ৰথম গৰাকী ব্যক্তি শ্ৰী কৃপানাথ মল্ল ডাঙৰীয়া। আমি মাল্লাহ ডাঙৰীয়াক ভাৰতীয় জনতা পাৰ্টীৰ তৰফৰ পৰা উষ্ণ আদৰণি জনাইছো আৰু লগতে আশা ৰাখিছো আগন্তুক দিনত তেওঁ যেন নিৰপেক্ষতা অৱলম্বন কৰি সকলো দল মতৰ সহমতত কামসমূহ চলাই নিয়ে তাৰ বাবে আমি তেখেতক আদৰণি জনাইছো। পঞ্চায়তৰ সভাপতি হোৱাৰ পিছত তিনিবাৰকৈ আপুনি বিধায়ক নিৰ্বাচিত হৈছে। ২০০৩, ২০১১ আৰু ২০১৬ চনত। গতিকে আপোনাৰ অভিজ্ঞতাও যথেষ্ট আছে। মই সেই কাৰণে ভাৱো যে উপাধ্যক্ষৰ যি পদ আপুনি সুন্দৰকৈ চলাব পাৰিব। মই এই সুযোগতে আমাৰ দলৰ নেতা মাননীয় মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জনাইছো যে তেখেতৰ বক্তব্যত তেখেতে যিটো কয় যে বৰাক, ব্ৰহ্মপুত্ৰ বিভিন্ন জাতি-জনগোষ্ঠী এই কথাযাৰ, আমি আমাৰ দলৰ পৰা তেখেতৰ নামটো প্ৰথম প্ৰস্তাৱ কৰিছো তাত যেন কিছু কথা আহি পৰিছে। কাৰণ কিয় বৰাক ভেলী বুলি ক'লে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আগতে যিটো কথা কয় যে বৰাকৰ পৰা আপুনি

আহিছে, কিন্তু বৰাকৰ হিন্দী ভাষী মানুহ সাধাৰণতে মই জনাত আগতে উপাধ্যক্ষ হোৱা নাই। গতিকে সমূহ জাতি-জনগোষ্ঠীৰ তেওঁ যি প্ৰতিনিধিত্ব কৰিছে তাৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাই আগন্তুক দিনত যাতে সুন্দৰ ৰূপত আপুনি কাৰ্য্যকাল চলায় তাৰ আশা ৰাখিছো। মই জনাত পঞ্চায়তৰ সভাপতি হিচাবেও আপুনি ভালদৰে চলাইছিল। বিগত তিনিটা কালতো আপুনি সুন্দৰকৈ চলাইছিল। আগন্তুক দিনত আপুনি সুন্দৰকৈ চলাব বুলি আমি আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই পবিত্ৰ মূহুৰ্ত্তত অসম বিধান সভাৰ মজিয়াত উপাধ্যক্ষ নিৰ্বাচনৰ এই ঐতিহাসিক ক্ষণটোৰ সাক্ষী হ'বলৈ পাই গৌৰান্বিত অনুভৱ কৰিছো। আমি কিছুমান সময়ত কিছুমান ইচ্ছ্যু লৈ কেতিয়াবা কৰিব নলগীয়া কামো কৰিব লগীয়া হয়। আমি বিৰোধী পক্ষত থকা কাৰণে সেইদিনা আমি অধ্যক্ষ মহোদয়ৰ বেঞ্চৰ ওচৰলৈ গৈ মূল্যবৃদ্ধিৰ কাৰণে চিএঞ্জৰ বাখৰ কৰিব লগা হৈছিল। তেনে কৰ্মত আত্মাটোৱে কষ্ট পায়। অধ্যক্ষ মহোদয়ক বহুত সন্মান কৰো। আমাৰ ৰঞ্জিত দাস ডাঙৰীয়াই যিদৰে কৈছে তেখেত পঞ্চায়ত প্ৰতিনিধি হিচাবে বহুত ভাল আছিল আৰু আমি ভাল নিৰ্বাচন কৰিছো। যেতিয়া আমাৰ লগত কাম কৰা মানুহ সকলে সেইফালে থিয় হৈ বক্তৃতা দিয়ে তেতিয়াও গৌৰৱ অনুভৱ ফিল কৰো। ভাল লাগি থাকে আৰু এখেত আজি যি বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈছে, মই ভাৱো তেখেতে কাম শিকাৰ সুযোগ পাব। কাৰণ তেখেতৰ বয়স বহুত কম। তেখেত তিনিটা টাৰ্ম বিধায়ক হৈছে। আমাৰ উপ-দলপতি ৰকিবুল হুছেইন চাহাবে অলপ আগতে কৈছে , ড. হিমন্ত বিশ্ব ডাঙৰীয়া তেখেত তেখেতৰ নিৰ্বাচনৰ সাক্ষী আছিল। কিন্তু মই সৰু হ'লেও ক'বলৈ দিদ্বাবোধ নকৰো মইও সাক্ষী আছিলো। কাৰণ সেইদিনাখন তেওঁৰ উপ-নিৰ্বাচনৰ গাড়ীখনত মইও আছিলো। আমাৰ বিধান সভাখন বহুত মহিমা মণ্ডিত। মই বহুত গৰ্ব অনুভৱ কৰো যে ইয়াত আমি শিকিব পাৰো। এইখন আমাৰ কাৰণে ট্ৰেইনিং চেণ্টাৰ আৰু ইয়াত আমি লক্ষ্য কৰো আমি ৰুলিং অপজিশ্যন যতেই নাথাকো প্ৰত্যেক জনৰ মাজতে এটা মৰম, আত্মীয়তাৰ ভাৱ গঢ়ি উঠে। এই বস্তুটো সকলোৱে ৰাখিব লাগে। উপাধ্যক্ষ মহোদয়ৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত সচাঁকৈ মই গৌৰৱ অনুভৱ কৰিছো আৰু তেখেতলৈ আমাৰ শ্ৰদ্ধা তথা শুভেচ্ছা সদায় থাকিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ভূবন পেগু।

**শ্ৰী ভূবন পেগু ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ জিলাৰ ৰাটাবাৰীৰ নিচিনা এটা সমষ্টিৰ পৰা আহি প্ৰতিনিধিত্ব কৰা শ্ৰী কৃপানাথ মল্ল ডাঙৰীয়াক আজি উপাধ্যক্ষ নিৰ্বাচন কৰাত সকলো দলে সন্মতি প্ৰকাশ কৰিছে। তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো লগতে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয় তথা সদনৰ প্ৰধান নেতাকো ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে এনেকুৱা এটা পিছপৰা অঞ্চল কৰিমগঞ্জৰ ব্যক্তি এজনক লগতে পিছপৰা সম্প্ৰদায়ৰ মানুহ এজনক অসমৰ বিধান সভাৰ মজিয়াৰ পৰা নেতৃত্ব দিয়াৰ বাবে সুযোগ দিয়াৰ কাৰণে মই লীডাৰ অব দা হাউচ তথা মুখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰত্যেকটো ভাষণতে যিটো কথা কয় বৰাক, ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম এই কথাটো যে অকল মুখৰ কথা নহয় যে এনেকুৱা এটা কৰিমগঞ্জৰ পিছপৰা অঞ্চলৰ পৰা অহা এজন ব্যক্তি নেতৃত্ব দিয়াৰ কাৰণে আগবঢ়াই দিয়াতো মই ভাৱো যে এই কথাটো একশ্যনত পৰিণত কৰা আৰু আশা ৰাখিছো আজি তিনিবাৰকৈ বিধায়ক হোৱা ব্যক্তি এজন আজি উপাধ্যক্ষ পদত নিৰ্বাচিত হৈছে আৰু আশা ৰাখিছো লগতে আপোনাৰ নেতৃত্বত

অধ্যক্ষ মহোদয় ডাঙৰীয়া এই বিধান সভাৰ চেচন খিনি যি ইনোভেটিভ ৰেত নতুনত্ব এটা প্রদান কৰি নতুন নতুন ডিভাইচ ইণ্ট্রডিউচ কৰি সকলোকে এটা সুযোগ দিয়াৰ কাৰণে আৰু অলপ আগতে ৰেকিবুদ্দিন ডাঙৰীয়াই কোৱাৰ দৰে বিভিন্ন সমষ্টিৰ বিভিন্ন বক্তাই নিজৰ সমষ্টিৰ কথা ক'বৰ কাৰণে আপুনি এটা ডিভাইচ সৃষ্টি কৰিছে, নতুন নতুন ইনোভেশ্যন আনিছে গোটেই হাউচ পৰিচালনাৰ কাৰণে। মই ভাৱো যে শ্রী কৃপানাথ মল্ল ডাঙৰীয়াই উপাধ্যক্ষ পদৰ পৰা যি পৰম্পৰাৰ সূচনা কৰিছে, এই বিধান সভা তথা অসমৰ ৰাইজৰ মাজতো যেনেদৰে আপলিফট্ কৰিছে এই পৰম্পৰাই এখেতৰ নেতৃত্বটো আগুৱাই নিব আৰু ফুল চাপৰ্ট দিব বুলি আশা ৰাখি মই এখেতৰ ভৱিষ্যত মঙ্গল হোৱাৰ কামনা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্রী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাগবত গীতায় বলা হয়েছে, 'জন্ম মানুষের আসল পরিচয় নয়, কর্মই তার আসল পরিচয়।' বরাক তথা আসামের সু-সন্তান কৃপানাথ মাল্লা মহাশয়কে আমার বিশেষ ধন্যবাদ এবং শুভেচ্ছা জ্ঞাপন করছি। বিশেষ করে আমাদের বিধায়ক রেকিবুদ্দিন আহমেদ মহাশয় যে কথা বললেন, উনি ২০০৩ সালে ছাত্রনেতা ছিলেন এবং আমি জেনারেল সেক্রেটারি ছিলাম। সেই সময় ২০০৩ সালে বাই-ইলেকশন উনার হয়েছিল সেই বাই ইলেকশনে আমরা অনেক সাহায্য করেছিলাম উনাকে জয়ী করার জন্য। পরবর্তী কালে ২০১১ সালে উনার সঙ্গে আমি সহকর্মী হই।

**মাননীয় অধ্যক্ষ ঃ** রেকিবুদ্দিন এম এল এ হয়ে গিয়ে তোমাকে ভুলে গেছে।

**কমলাক্ষ দে পুরকায়স্থ ঃ.** যদিও জন্ম আমরা দিয়েছিলাম, কিন্তু কর্মই আসল পরিচয়। উনার কর্মে উনি একটা সন্মানিত স্থান পেয়েছেন। এবং আশা করি সেই স্থানে তিনি নিশ্চয় সু-কর্ম করবেন। যেভাবে মাননীয় অধ্যক্ষ মহোদয় এই সদনে নিরপেক্ষতা বজায় রেখেছেন এবং সবাইকে কথা বলার সুযোগ করে দেওয়ার যে একটা মানসিকতা সত্যি সেটা একটা প্রশংসনীয় ব্যপার। ২০০৩ সাল থেকে ২০১১ সাল পর্যন্ত আমরা দেখলাম উনার যে চিন্তাধারা, মানসিকতা, কাউকে কটু কথা না বলা, এই যে শিষ্টাচার, সুন্দর ব্যবহার, সত্যিই তা খুব প্রশংসনীয়। উপাধ্যক্ষ তো বরাক ভ্যালিতে আগেই ছিলেন, আমাদের মাননীয় মুখ্যমন্ত্রী আগেই দিয়েছেন। কিন্তু আমাদের ইচ্ছা ছিল করিমগঞ্জ থেকে উনাকে মন্ত্রী হিসাবে পাই। মন্ত্রী হলে হয়তো বা আমাদের উন্নতি টা বেশী হতো। যাই হোক উপাধ্যক্ষর মাধ্যমে আমরা আমাদের কাজ চালিয়ে যেতে পারব। আমার ছোট্ট একটা অনুরোধ আছে যে আমার সমষ্টির প্রাক্তন উপাধ্যক্ষ ছিলেন রথীন্দ্রনাথ সেন ১৯৭১-৭২ সালে। আমি গতকাল যখন শুনলাম কৃপানাথ মাল্লা উপাধ্যক্ষ হবেন তখন আমি উনার চেম্বারে যাই। চেম্বারে গিয়ে দেখলাম সবার ফটো লাগানো আছে কিন্তু রথীন্দ্রনাথ সেনের ফটো টা লাগানো নেই যেহেতু উনি উপাধ্যক্ষ ছিলেন সেইজন্য উনার ফটো টা যাতে লাগানো হয়। নমস্কার।

**মাননীয় অধ্যক্ষ ঃ** I will check it.

**রাজদীপ গোয়ালা ঃ** মাননীয় অধ্যক্ষ মহোদয় আজকে আমাদের এই আসাম বিধান সভার উপাধ্যক্ষ পদে মাননীয় কৃপানাথ মাল্লা যে নির্বাচিত হয়েছেন বিনা প্রতিদ্বন্দীতায় উনাকে আমি আমার পক্ষ থেকে শুভেচ্ছা এবং অভিনন্দন জ্ঞাপন করছি। বিশেষ করে আমি উনার সঙ্গে কাজ করার সুয়োগ পেয়েছি বরাক চা শ্রমিক ইউনিয়নে। আমরা একসঙ্গে কাজ করেছি। অনেকেই আজকে বলেছেন উনার বাই ইলেকশনে যারা যারা প্রচারে গিয়েছিলেন, আমি বলব যে আমি যখন প্রথম নির্বাচিত হয়েছিলাম উপনির্বাচনে তখন উনি আমাকে অনেক সাহায্য করেছিলেন। উনি একজন

সহজ এবং সরল ব্যক্তি। আমি উনাকে খুব পাশে থেকে দেখেছি, উনি একজন খুব ভদ্র ব্যক্তি। আশা করছি উনি উপাধ্যক্ষ পদে থেকে আসাম বিধান সভা খুব নিরপেক্ষ ভাবে পরিচালনা করবেন। এই বলে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** .মই এইটো চাম। এতিয়া গুৰু জ্যোতি দাস ডাঙৰীয়াই কওঁক।

**শ্ৰী গুৰু জ্যোতি দাস, বিধায়ক (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ জ্ঞাপন কৰিছো যে যোৱা আগষ্ট মাহত আপুনি মোক অসম বিধান সভাৰ ফালৰ পৰা কেৰেলা বিধান সভাৰ হীৰক জয়ন্তীলৈ পঠিয়াইছিল। আজি ৰাতাবাৰী সমষ্টিৰ মাননীয় বিধায়ক কৃপানাথ মাল্লাহ ডাঙৰীয়াক সৰ্ব্ব সন্মতিক্ৰমে অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছো। তেওঁ ইতিমধ্যে কৈছে যে তেওঁ আগতে কংগ্ৰেছ দলৰ সদস্য আছিল। কিন্তু আজি ক'ব পাৰি যে Right man in right place. আমাৰ দলৰ দলপতিয়ে তেওঁক যোগ্য হিচাপে উপাধ্যক্ষৰ দায়িত্ব দিলে। তাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, বিধায়ক (মৰিয়ণী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পৱিত্ৰ সদনৰ নৱ-নিৰ্বাচিত উপাধ্যক্ষ শ্ৰী কৃপানাথ মাল্লাহ ডাঙৰীয়াক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো । তেওঁ ৰাতাবাৰী সমষ্টিৰ বিধায়ক। মই যথেষ্ট আনন্দিত হৈছো যে তেখেত আমাৰ চাহ বাগিচাৰ সন্তান। এটা সময়ত আমি একে দলৰে সদস্য আছিলো। বহুবাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ লগত বিভিন্ন আলোচনা কৰাতো তেখেতে যিটো ভূমিকা লৈছিল, তাৰ বাবে সকলোৱে তেখেতৰ শলাগ লৈছিল। তেখেতক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। তাৰ লগতে উপাধ্যক্ষ পদত থাকি আমাক সহায়-সহযোগিতা আৰু আমাক দিহা-পৰামৰ্শ আগবঢ়োৱা মাননীয় দিলীপ পাল ডাঙৰীয়াক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মই মাননীয় কৃপা নাথ মাল্লাহ ডাঙৰীয়াৰ কাৰণে প্ৰৰ্থনা কৰিব খুজিছো যে মাননীয় দিলীপ পাল ডাঙৰীয়া যেনেকৈ পদত্যাগ কৰিবলগীয়া হ'ল বৰ্তমানৰ উপাধ্যক্ষৰ যাতে তেনে পৰিস্থিতি নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰিমল শুক্ল বৈদ্য ডাঙৰীয়াই কওঁক।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী, বন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বাবে অতি আনন্দৰ দিন। আমাৰ মাননীয় উপাধ্যক্ষ ডাঙৰীয়াক সৰ্ব্ব সন্মতিক্ৰমে নিৰ্বাচন কৰিবলৈ সক্ষম হৈছো। বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলা এটা অতি পিছ পৰা সমষ্টি আৰু তেওঁ যিটো সম্ষ্টিৰ পৰা আহিছে সেইটো আটাইতকৈ ৰিজাৰ্ভ সমষ্টি। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই বৰাক-ব্ৰহ্মপুত্ৰ,পৰ্ব্বত ভৈয়াম আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ কথা কয়। আজি আমি সকলোৱে অনন্দিত হৈছো যে তেওঁ এজন তপশিলি সম্প্ৰদায়ৰ মানুহক উপাধ্যক্ষৰ পদত নিৰ্বাচিত কৰাৰ বাবে। তাৰ বাবে মই মাননীয় মুখ্য মন্ত্ৰীকে ধৰি সকলো সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। কৃপানাথ ডাঙৰীয়াৰ লগত মই বহুদিন কাম কৰিছো আৰু তেওঁৰ নিচিনা শান্ত-শিষ্ট তথা ভদ্ৰ মানুহ ৰাজনীতিত অতি দুৰ্লভ। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো যে তেওঁ উপাধ্যক্ষৰ কাৰ্য্যকাল অতি ভালদৰে চলাব পাৰে আৰু মই আৰু এটা কথাত আনন্দিত যে তেওঁ আপোনাৰ নিচিনা এজন অধ্যক্ষৰ লগত থাকি কাম কৰিব পাৰিব আৰু বহুখিনি কথা শিকিব পাৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই পুনৰ সকলোৱে হৈ আপোনাক অভিনন্দন জনাইছো আৰু আশা কৰিছো যে আমি দুয়োজনে মিলি সদনৰ কাম সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিম। মই এতিয়া Announcement দিছো। কাৰ্বি আংলং আৰু ডিমাহাচাও জিলা দুখন পাহাৰীয়া জিলাৰ আৰ্থ-

সামাজিক উন্নয়ণৰ সম্পৰ্কত আমি অহা কাৰ্বি আংলং আৰু ডিমাহাচাও জিলা দুখন পাহাৰীয়া জিলাৰ আৰ্থ-সামাজিক উন্নয়ণৰ সম্পৰ্কত আমি অহা ৫ অক্টোবৰ তাৰিখে Stakeholder লগত আলোচনা কৰিম। আজি ৪.৩ ০ বজাত Stakeholder ৰ লগত অসম বিধান সভাৰ চেণ্ট্ৰেল হলত এখন মিটিং আছে। যিসকল মাননীয় বিধায়কে বিধান সভাত অংশ গ্ৰহণ কৰি কাৰ্বি আংলং আৰু ডিমাহাচাওৰ বিষয়ে ক'ব বিচাৰে এই মিট্টিত তথ্য পাব। সেই তথ্যখিনি লবৰ বাবে তেওঁলোকে এই মিটিঙত অংশ গ্ৰহণ কৰিব পাৰে। প্ৰাক্তন বিধায়ক আৰু প্ৰাক্তন মন্ত্ৰীকে ধৰি বিভিন্ন ঠাইৰ প্ৰায় ৪০জন বা ৫০ জনমান ব্যক্তি এই মিটিঙত অংশ গ্ৰহণ কৰিব। এতিয়া কৃপানাথ মাল্লাহ ডাঙৰীয়াই কওঁক।

**মাননীয় শ্ৰী কৃপানাথ মাল্লা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত unanimously মোক অসম বিধান সভাৰ উপাধ্যক্ষ পদত নিৰ্বাচিত কৰাৰ বাবে সৰ্বপ্ৰথমে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। আমাৰ দলৰ ৰাজ্যিক সভাপতি আৰু বিধায়ক সকল লগতে আমাৰ মিত্ৰদল এ.জি.পি. আৰু বি.পি.এফ. দলৰ মুৰব্বীৰ সৈতে বিধায়ক সকলকো ধন্যবাদ জনাইছো। বিশেষকৈ বিৰোধী দল কংগ্ৰেছ আৰু এ. আই. ইউ. ডি. এফৰ বিধায়ক সকল আৰু বিৰোধী দলৰ দলপতিকো ধন্যবাদ জনাইছো, কাৰণ তেওঁলোকে মোৰ বিৰুদ্ধে কোনো প্ৰতিদ্বন্দী ৰখা নাই। শেষত, মই বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বাবে আমাৰ বৰাকৰ ২৬ জন বিধায়ককো কৃতজ্ঞতা জ্ঞাপন কৰিছো। মই আশা কৰিছো আজি মোক যি দায়িত্ব দিলে সেইটো যাতে নিৰপেক্ষভাৱে পালন কৰিব পাৰো আৰু সদনৰ নিয়ম নীতি মানি কাৰ্য সমূহ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰো সেই ক্ষেত্ৰত আপোনালোক সকলোৰে সহযোগিতা থাকিব। গতিকে সকলোকে পুনৰবাৰ ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। আমাৰ বাকী বহুতো সদস্যই ক'ব বিচাৰিছিল, মন্ত্ৰী পল্লৱ লোচন দাস ডাঙৰীয়াইও ক'ব বিচাৰিছিল কিন্তু এতিয়া যিহেতু সময়ৰ অভাৱ, মই কাকো ক'ব দিয়া নাই। আপুনি নিশ্চয় সকলোৰে শুভেচ্ছা গ্ৰহণ কৰিছে।

এতিয়া মাননীয় কৃষি মন্ত্ৰীয়ে ১৯৬৮ চনৰ অসম কৃষি বিশ্ববিদ্যালয় আইনৰ অধীনত উক্ত বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদৰ এজন সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী অতুল বৰা, মাননীয় মন্ত্ৰী, কৃষি ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ১৯৬৮ চনৰ অসম কৃষি বিশ্ববিদ্যালয় আইনৰ 10 (2) (g) ধাৰাৰ অধীনত উক্ত বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদৰ এজন সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পিছত আমাৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক, 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2018 উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ 'The Assam Taxation (On Specified Lands) (Amendment) Bill, 2018' সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে ?

(সদনে সন্মতি জনায়)

**মাননীয় অধ্যক্ষঃ** অনুমতি দিয়া হৈছে। উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ২৫-০৯-২০১৮ তাৰিখে এটা বাণী পঠিয়াইছে মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207(1) of the Constitution of India, I, Shri Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Taxation (On Specified Lands) (Amendment) Bill, 2018 in the Assam Legislative Assembly."

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Taxation (On Specified Lands) (Amendment) Bill, 2018 in the Assam Legislative Assembly." বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা -"The Assam Taxation (On Specified Lands) (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পিছত কাৰ্যসূচী নং ৯।

মই পুনৰ মাননীয় বিত্ত মন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক "The Assam Goods and Services Tax (Amendment) Bill, 2018".উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰীৰ হৈ 'The Assam Goods and Services Tax (Amendment) Bill, 2018" সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

**মাননীয় অধ্যক্ষঃ** অনুমতি দিয়া হৈছে।

উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ২৫-০৯-২০১৮ তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207(1) of the Constitution of India, I, Shri Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Goods and Services Tax (Amendment) Bill, 2018" in the Assam Legislative Assembly."

এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Goods and Services Tax (Amendment) Bill, 2018 বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়ক খনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিবঃ** বিধেয়ক খনৰ শিৰোনামা -"The Assam Goods and Services Tax (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষঃ** মই এতিয়া সদন অহাকালি পুৱা **০৯-৩০** বজালৈ স্থগিত ৰাখিছো।